# দুবছৰে সম্পূৰ্ণ নহ'ল নিৰ্মাণৰ কাম

**গোসাঁইগাঁৱৰ কচুগাঁও উন্নয়ন খণ্ডৰ মজাতি ভিচিডিচিত পিএমএৱাই গৃহ নিৰ্মাণত সংঘটিত হৈছে ব্যাপক দুৰ্নীতি**

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৮ আগষ্ট ঃ** বিটিচিপ্ৰধান প্ৰমোদ বড়োৱে গ্ৰামোন্নয়ন বিভাগৰ কাম-কাজত দুৰ্নীতিৰোধ কৰিবলৈ দিনে-নিশাই চেষ্টা চলাই আছে যদিও তেওঁৰ দলৰে একাংশ নেতা-পালিনেতাই দুৰ্নীতিত লিপ্ত হোৱা পৰিলক্ষিত হৈছে। কেইদিনমান পূৰ্বে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে গোসাঁইগাঁৱত উপস্থিত হৈ উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰী, *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৯ আগষ্ট, ২০২২ শুক্ৰবাৰ পৃষ্ঠা তিনি



# ব্যৱসায়ীয়ে নিৰ্ধাৰণ কৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য

## অসাধু ব্যৱসায়ীৰ স্বাৰ্থকহে সুৰক্ষিত কৰি আহিছে নগাঁৱৰ খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ আগষ্ট ঃ** কাৰ্যতঃ নগাঁও জিলাত খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগটো একপ্ৰকাৰৰ বগা হাতীতহে পৰিণত হোৱা পৰিলক্ষিত হৈছে। এই বিভাগটোৱে সৰ্বসাধাৰণ গ্ৰাহক ৰাইজৰ অধিকাৰ সুনিশ্চিত কৰাৰ বিপৰীতে জিলাখনত একাংশ সাধু ব্যৱসায়ীৰ স্বাৰ্থ সুনিশ্চিত কৰাৰ ক্ষেত্ৰতহে বিশেষ তৎপৰ হৈ থকা বুলি সততে অভিযোগ উত্থাপিত হৈ আহিছে। জিলাখনৰ লাখ লাখ গ্ৰাহক ৰাইজৰ সেৱাৰ বাবে বিভাগটোৰ অধীনত চৰকাৰে এজন উপ-সঞ্চালক, কে'বাজনো অতিৰিক্ত পৰিদৰ্শক, উপ-পৰিদৰ্শক নিযুক্তি দি লৈছে। লগতে বিভাগটোৰ কাম-কাজসমূহৰ তদাৰকৰ বাবে জিলাখনৰ এজন অতিৰিক্ত উপায়ুক্তকো যোগান বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। বিভাগটোৰ এই বিষয়া, পৰিদৰ্শক, উপ-পৰিদৰ্শকসকলে ৰাইজে যাতে উন্নত মানৰ নিৰ্ভেজাল খাদ্য সামগ্ৰী উচিত মূল্যত ব্যৱসায়ীৰ পৰা ক্ৰয় কৰিব পাৰে এই ক্ষেত্ৰত প্ৰতি পদে পদে চোকা নজৰ ৰাখিব লাগে। কিন্তু অতি পৰিতাপৰ বিষয় যে নগাঁও জিলা যোগান বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ অসাধু ব্যৱসায়ীসকলৰে থকা গোপন বুজাবুজিৰ বাবেই গ্ৰাহক ৰাইজৰ দুৰ্গতিৰ সীমা নোহোৱা হৈছে। বিভাগটোৰ *ছয় পৃষ্ঠাত চাওক*

## পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ চৌহদ স্থানান্তৰৰ বিৰোধিতা

**বিশেষ সংবাদদাতা**

**পাঠশালা, ১৮ আগষ্ট ঃ** ভট্টদেৱ বিশ্ববিদ্যালয় চৌহদ স্থানান্তৰকৰণৰ সিদ্ধান্ত বাতিল কৰা, বিশ্ববিদ্যালয়খনৰ আভ্যন্তৰীণ দুৰ্নীতি আৰু খেলি-মেলি দূৰ কৰাৰ দাবীত পাঠশালা নগৰ উন্নয়ন সমিতিয়ে আজি বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ চৌহদত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। বিশ্ববিদ্যালয়খনত উচ্চতৰ মাধ্যমিকৰ পাঠদান পুনৰ আৰম্ভ কৰা আৰু বিশ্ববিদ্যালয়খনৰ অধীনস্থ পূৰ্বৰ স্নাতক কলেজখন বিশ্ববিদ্যালয় চৌহদতে স্থায়ীভাৱে ৰখাৰ দাবী উত্থাপন কৰে নগৰ উন্নয়ন সমিতিয়ে। পাঠশালা নগৰ উন্নয়ন সমিতিৰ সভাপতি চক্ৰধৰ ডেকা আৰু সম্পাদক অপূৰ্ব দেৱ চৌধুৰীৰ নেতৃত্বত পালন কৰা এই ধৰ্মঘট কাৰ্যসূচীত *ছয় পৃষ্ঠাত চাওক*



*বিভিন্ন দাবীৰ সমৰ্থনত গুৱাহাটীত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ প্ৰতিবাদী কাৰ্যসূচীত আৰক্ষীৰ বাধা, বৃহস্পতিবাৰে।*

# ডিব্ৰুগড়ৰ বিমানকোঠত যাত্ৰীৰ হাহাকাৰ

**■ উৰণ-অৱতৰণৰ ক্ষেত্ৰত বিসংগতি বিমানকোঠৰ ৰাণৱে'ত ■ ১০ ঘণ্টা পৰ্যন্ত অপেক্ষা যাত্ৰীৰ ■ কাৰ্পেটিং যন্ত্ৰ বিকল হোৱাৰ বাবেই এনে পৰিস্থিতি বিমানকোঠত**

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৮ আগষ্ট ঃ** যান্ত্ৰিক বিসংগতিৰ বাবে আজি ডিব্ৰুগড়ৰ মোহনবাৰী বিমানকোঠত বহু যাত্ৰী হাৰাশাস্তিৰ সন্মুখীন হয়। বিভিন্ন ঠাইলৈ গমন কৰিবলগীয়া বহুসংখ্যক যাত্ৰীয়ে ঘণ্টাৰ পাছত ঘণ্টা ধৰি অপেক্ষা কৰি থাকিবলগীয়া হয়। একেদৰে ডিব্ৰুগড়লৈ আহিবলগীয়া বহুসংখ্যক যাত্ৰীয়ে কেবা ঘণ্টাধৰি অপেক্ষা কৰি থাকে দেশৰ একাধিক বিমানকোঠত। বিমানকোঠৰ ৰাণৱে'ত হোৱা বিসংগতিৰ বাবেই বহু সময়লৈ মোহনবাৰীৰ পৰা কোনো বিমানৰ উৰণ সম্ভৱ নহ'ল। সেইদৰে বিমানকোঠত বহু সময় ধৰি অৱতৰণ কৰিবলৈও সক্ষম নহ'ল কোনো বিমানে। ডিব্ৰুগড় অভিমুখে আহিবলগীয়া একাধিক বিমান কে'বা ঘণ্টালৈ ৰখাই থোৱা হয় নতুন দিল্লী, গুৱাহাটী আদিৰ বিমানকোঠত। ৰাণৱে'ত হোৱা যান্ত্ৰিক বিসংগতিৰ বাবেই যাত্ৰীৰ এই হাৰাশাস্তি হোৱা বুলি মোহনবাৰী বিমানকোঠ কৰ্তৃপক্ষৰ সূত্ৰই সদৰী কৰিছে।

সূত্ৰই জনোৱা মতে, পুৱা ন বজাত অৱতৰণ কৰিবলগীয়া বিমান পালেহি বিয়লি ৪-৩০ বজাত। সেইদৰে পুৱা ৯-৩০ বজাত উৰিবলগীয়া বিমান গল বিয়লি পাঁচ বজাত। সূত্ৰই সদৰী কৰে যে ৰাণৱে'ৰ কিছু বিসংগতিয়ে দেখা দিয়াত বিমানৰ উৰণ আৰু অৱতৰণৰ ক্ষেত্ৰত হঠাৎ অসুবিধা সৃষ্টি হয়। *ছয় পৃষ্ঠাত চাওক*

## সোণাই নৈৰ দলঙৰ তলত গ্ৰেণেড-হস্ত নিৰ্মিত পিষ্টল উদ্ধাৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/ৰূপহীহাট, ১৮ আগষ্ট ঃ** নগাঁও জিলাৰ ৰূপহীহাটত আজি পুৱা এখন দলঙৰ তলত এটা গ্ৰেণেড আৰু হস্ত নিৰ্মিত পিষ্টল উদ্ধাৰ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। *ছয় পৃষ্ঠাত চাওক*

## কমলাবাৰীত বনৰীয়া হাতীৰ গচকত একেটা পৰিয়ালৰ দেৱ শিশুসহ তিনিজনৰ মৃত্যু

**বিটিচি চৰকাৰৰ এককালীন সাহায্য প্ৰদান নিহতৰ আত্মীয়ক**

**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৮ আগষ্ট ঃ** ওদালগুৰি জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী মাজবাট আৰক্ষী থানাৰ অন্তৰ্গত কমলাবাৰী গাঁৱত যোৱা ১৬ আগষ্টৰ নিশা বনৰীয়া হাতীৰ আক্ৰমণত একেটা পৰিয়ালৰ এটি দেৱ শিশু, পিতৃ আৰু মাতৃসহ তিনিগৰাকী লোক নিহত হোৱা দুৰ্ভাগ্যজনক আৰু কৰুণ ঘটনাত বিটিচিৰ প্ৰধান প্ৰমোদ বড়োৱে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তিনিওগৰাকীৰ আত্মাৰ চিৰ শান্তি কামনা কৰিছে। উল্লেখ্য যে হাতীৰ গচকত নিজৰ শোৱাপাতিত কৰুণ মৃত্যুক সাৱটি লয় একেটা পৰিয়ালৰ পিতৃ নবীন বড়ো, মাতৃ যামিনী বড়ো আৰু একমাত্ৰ পুত্ৰ সন্তান ডেৰ বছৰীয়া হাদানচা বড়ো। আনহাতে, উক্ত হাতী জাকৰ আক্ৰমণত কোনো মতে প্ৰাণ ৰক্ষা পৰে একমাত্ৰ কন্যা নিজৰা বড়োৰ। উক্ত দুৰ্ভাগজ্যনক ঘটনাৰ খবৰ পোৱাৰ পাছত কালি নিহত পৰিয়ালটোৰ একমাত্ৰ জীৱিত কন্যা নিজৰা বড়োৰ লগতে আত্মীয়সকলৰ কাষত *ছয় পৃষ্ঠাত চাওক*

## ভূটান সীমান্তৰ এন কে দৰংগাত ইণ্ডো-ভূটান পৰিবহণৰ নামত গুণ্ডাকৰ দাবীৰ অভিযোগ

**গুণ্ডাকৰ নিদিয়াৰ বাবেই ছুৰিকাঘাতত আহত যুৱক ঃ অভিযুক্তক কৰায়ত্তৰ দাবী গৰিয়া-মৰিয়া-দেশী ছাত্ৰ সন্থাৰ**

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৮ আগষ্ট ঃ** তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ এন কে দৰংগাস্থিত শুল্ক বিভাগৰ কাৰ্যালয়ৰ সন্মুখত অবৈধভাৱে গুণ্ডাকৰ সংগ্ৰহৰ অভিযোগ উঠিছে। এনে গুণ্ডাকৰ নিদিয়াৰ বাবেই এজন যুৱকৰ ছুৰিকাঘাতত আছিকুৰ ৰহমান (৩০) নামৰ এজন পৰিবহণ ব্যৱসায়ী গুৰুতৰভাৱে আহত হয়। অভিযোগ অনুসৰি, আজি বিয়লি প্ৰায় পাঁচ বজাত পৰিবহণ ব্যৱসায়ৰ লগত জড়িত কুমাৰীকাটাৰ যুৱক আছিকুৰে চুবুৰীয়া ৰাষ্ট্ৰ ভূটানলৈ সামগ্ৰী কঢ়িয়াই অনা এখন বাহন এন কে দৰংগাত থকা শুল্ক বিভাগৰ কাৰ্যালয়ত বিভাগীয় নথি-পত্ৰ পৰীক্ষা কৰাই ভূটানলৈ প্ৰেৰণ কৰে। বাহনখন পঠিয়াই ওলাই আহোতেই আছিকুৰক মহেশ ৰয় নামৰ স্থানীয় যুৱক এজনে ইণ্ডো-ভূটান ট্ৰেন্সপ'ৰ্টৰ নামত পাঁচশ টকা গুণ্ডাকৰ দাবী কৰি ব্যতিব্যস্ত কৰি তোলে। অৱশ্যে আছিকুৰে গুণ্ডাকৰ দিবলৈ অমান্তি হয়। তেতিয়াই অভিযুক্ত মহেশে এখন ছুৰীৰে আছিকুৰক আক্ৰমণ কৰে। এই *ছয় পৃষ্ঠাত চাওক*



## ক্ষেত্ৰীত জব্দ ৪০ টা গৰু

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ ১৮ আগষ্ট ঃ** অবৈধ গৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান অব্যাহত ৰখাৰ পাছতো বন্ধ হোৱা নাই চোৰাং গো সৰবৰাহ। আজি পুনৰ ক্ষেত্ৰী আৰক্ষীয়ে ক্ষেত্ৰীৰ কয়লা শিলৰ ৩৭ নম্বৰ ঘাইপথত এক অভিযান চলাই ৪০ টাকৈ চোৰাং গোধনৰ লগতে এখন ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। সৰবাহকাৰীসকলে এএছ-২৫ চিচি- ৪৮১৯ নম্বৰৰ ১২ চকীয়া ট্ৰাকত নগাঁৱৰ পৰা মেঘালয়লৈ বুলি চোৰাং গোধনসমূহ নি থকা অৱস্থাতে আৰক্ষীৰ জালত পৰে। অৱশ্যে ট্ৰাকখনৰ চালকৰ লগতে অন্য একজন লোক পলাই সাৰে।

# ৰাজ্যৰ ৰাজপথত উত্তৰপ্ৰদেশৰ ভুৱা পৰিবহণ বিষয়াৰ টিঘিলঘিলনি

**■ তেজপুৰত কৰায়ত্ত হ'ল পাঁচ প্ৰৱঞ্চক ■ আৰক্ষীয়ে জব্দ কৰিলে বহুসংখ্যক আপত্তিজনক নথি**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৮ আগষ্ট ঃ** ৰাজ্যত এতিয়া বহিঃৰাজ্যৰ ভুৱা পৰিবহণ বিষয়াৰ টিঙিলঘিলনি ব্যাপক হাৰত বৃদ্ধি পাইছে। পৰিবহণ কৰৰ নামত ধন সংগ্ৰহ কৰা বহিঃৰাজ্যৰ এটা যুৱকৰ দলে ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত লুণ্ঠন চলাই একপ্ৰকাৰ সন্ত্ৰাস চলাই আহিছে। দীৰ্ঘদিন ধৰি যান-বাহনৰ চালক-গৰাকীক *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ২ ভাদ ১৪২৯ ভাস্কৰাব্দ ১৯ আগষ্ট ২০২২



## দায়িত্ব মানুহৰেই

মানুহৰ দুখ-দুৰ্দশা, বেমাৰ-আজাৰ আদিয়ে এদিন মহাৰাজ শুদ্ধোধনৰ পুত্ৰ গৌতমক বিব্ৰত কৰি তুলিছিল। এইবোৰৰ পৰা পৰিত্ৰাণ বিচাৰি তেওঁৰ ওচৰলৈ অহাসকলক সান্ত্বনা দিয়াৰ উদ্দেশ্যে এনে এটি পৰিয়ালৰ সন্ধান কৰিবলৈ কৈছিল, যিটোত কোনো মানুহ ৰোগাক্ৰান্ত হোৱা নাই, কাহানিও বৃদ্ধ হোৱা নাই আৰু জৰা-মৃত্যুৰ সন্মুখীন নোহোৱাকৈ আছে। নগৰত ঘূৰি তেনে মানুহ নোপোৱাত গৌতমে সুদীৰ্ঘকাল ধ্যান কৰি জানিব পাৰিলে যে এই দুখ-দুৰ্দশাবোৰ এৰাই চলাটো কাৰো পক্ষে সম্ভৱ নহয়। সেয়েহে জন্মৰ পৰা মৃত্যুলৈকে মানুহৰ জীৱন দুখেৰে ভৰা বুলি তেওঁ হৃদয়ংগম কৰে। এই দুখৰ পৰা পৰিত্ৰাণ পাবলৈকে তেওঁ প্ৰাৰ্থনা কৰাৰ পোষকতা কৰে যাতে তেনে দুখ ভুঞ্জিবলৈ পুনৰ জন্ম ল'ব লগা নহয়। সেয়েহে জীয়াই থকা কালছোৱাত জীৱ হত্যাৰ পৰা আঁতৰি থকাৰ লগতে আনৰ প্ৰতি হিংসা, কপটতা পৰিত্যাগ কৰিবলৈ নিৰ্দেশনা দিছিল।

আজিও ভিন্নৰূপত বুদ্ধদেৱৰ সেইখন সমাজেই অটুট আছে, যিখন সমাজত জন্ম গ্ৰহণ কৰিলে ৰোগ-ব্যাধি, জৰা, মৃত্যু আৰু পৰিয়ালৰ লগতে আত্মীয়-স্বজনৰ নানা ৰকমৰ দুখ-বেদনাৰ সমভাগী হ'ব লগা হয়। আমি সততে আনৰ ধন-দৌলত, পৰিয়াল-পৰিজন দেখি তেনেলোকক সুখী বুলি ভাবো; কিন্তু অনুসন্ধান কৰিলে দেখা যায় যে সেই সুখী বুলি ভবা সকলেও নানা ধৰণৰ ৰোগ ব্যাধিত ভোগে আৰু পৰিয়ালৰ লগতে আত্মীয়-স্বজনৰ নানা সংঘাত দেখিবলৈ পায়। কবিগুৰু ৰবীন্দ্ৰনাথে বিশ্বখ্যাতি লাভ কৰাৰ পাছতো এনেদৰে পাৰিবাৰিক দুখ-যন্ত্ৰণাৰ লগতে কেউফালৰ সমাজখনৰ পৰা কটু বাক্যৰে সমালোচিত হোৱা হেতুকে 'যাৰ জীৱন দুখৰেই গঢ়া, তাৰ আকৌ দুখ কিহৰ' বুলি সান্ত্বনা লাভ কৰিছিল।

এই ধাৰণাৰ বিপৰীতে এচাম পণ্ডিতে দাবী কৰে যে সংসাৰত একোৰে মৃত্যু নাই, কেৱল পৰিৱৰ্তনহে হৈ থাকে। এজনৰ মৃত্যুত তেওঁৰ দেহ বায়ু-পানী-মাটিলৈ ৰূপান্তৰিত হয়। পৃথিৱীত মানুহৰ অৱস্থান বিশ্বব্ৰহ্মাণ্ডত তেনেই নগণ্য যদিও তেনে মানুহেই বিশ্ব ব্ৰহ্মাণ্ডও জয় কৰিবলৈ চেষ্টা চলাই আহিছে। মহাকাশত কিমান বিশ্ব ব্ৰহ্মাণ্ড আছে, তাৰ লেখ-জোখ উলিওৱাটো সম্ভৱ হৈ উঠা নাই। তাৰ কাৰণ, পৃথিৱীত যিমান বালিকণা আছে, তাতকৈও বেছি বিশ্ব ব্ৰহ্মাণ্ডৰ সংখ্যা। শ্ৰীমন্ত শংকৰদেৱেও অনন্ত কোটি বিশ্ব ব্ৰহ্মাণ্ডৰ অস্তিত্বৰ কথা কৈছে। গতিকে তেনে বিশ্ব ব্ৰহ্মাণ্ডৰ এটা ক্ষুদ্ৰ গ্ৰহৰ ক্ষুদ্ৰতম প্ৰাণী মানুহ; কিন্তু সেই মানুহেই মহাকাশ জয়ৰ চেষ্টা চলাই আহিছে। প্ৰকৃতিৰ বিৰুদ্ধে কৰা অবিৰত সংগ্ৰামৰ জৰিয়তেই মানুহে কেতবোৰ দুৰাৰোগ্য ৰোগৰ পৰা হাত সাৰিবলৈ সক্ষম হৈছে। মানুহৰ আয়ুস দীঘলীয়া হৈছে। শেহতীয়াকৈ মানুহে ভিন্ন গ্ৰহ দখল কৰিবলৈ ওলাইছে। এই চেষ্টা যে বাৰে বাৰে চলিয়েই থাকিব সেই বিষয়ত সন্দেহ নাই।

এইখিনিতে প্ৰশ্ন উদয় হয়, বুদ্ধদেৱে কোৱা ধৰণে দুখৰ পৰা পৰিত্ৰাণ পাবলৈ পুনৰ্জন্ম কামনা নকৰিলেই পুনৰ্জন্ম হোৱাৰ পৰা আমি ৰেহাই পামনে? নাপাও। গতিকে পুনৰ্জন্মই হওঁক, অথবা ৰূপান্তৰেই হওঁক, এই প্ৰক্ৰিয়াক বাধাদান কৰাৰ কোনো শক্তি আমাৰ হাতত নাই। অৱশ্যে যিসকলে পুনৰ্জন্ম নামানে, তেওঁলোকেও ৰূপান্তৰৰ হাত সাৰিব নোৱাৰে। গতিকে স্বৈৰেবতি স্বৈৰেবতি, গৈ থাকা, গৈ থাকা— অৰ্থাৎ গতিয়ে মানুহৰ জীৱন। আজি মানুহ যি পৰ্যায়ত উপনীত হৈছে; কিমান কোটি বছৰৰ পাছত ই সম্ভৱ হৈছে তাক ঠাৱৰ কৰাটো কঠিন; কিন্তু বুদ্ধদেৱে কোৱা দুখ-বেদনাৰ বোজা মূৰত লৈও মানুহ গৈ আছে। পুনৰ্জন্ম নালাগে বুলি কোৱা জনৰ পক্ষেও পৰিৱৰ্তনৰ পৰা মুক্তি লাভ কৰাটো সম্ভৱ নহয়। প্ৰকৃতিয়ে মানুহ গঢ়িছে আৰু মানুহে গঢ়িছে সমাজ। গতিকে সুন্দৰ সমাজ গঢ়াৰ দায়িত্ব মানুহৰেই। এখন সুন্দৰ পৰিকল্পিত সমাজ আকাশৰ পৰা নপৰে। মানুহে ঐকান্তিক প্ৰচেষ্টাৰে সেই সমাজ গঢ়িব পাৰে। তাৰ বাবে নিৰন্তৰ চেষ্টা চলাব লাগিব মানুহেই। মানৱ জীৱন সুন্দৰ কৰি তুলিবলৈ প্ৰত্যেকেই অবিৰতভাৱে সংগ্ৰাম চলাই যাব লাগিব। এটা সংগ্ৰামেই মানুহৰ শুভবুদ্ধি। এই শুভবুদ্ধিৰ জৰিয়তেই ৰূপান্তৰৰ মাজেদি মানুহ আগবাঢ়ি গৈ আছে।

### খোলা মঞ্চ

## অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে মোৰ ধাৰণা



**'অগ্ৰদূত'** সম্পৰ্কে 'মোৰ ধাৰণা' বুলি ক'বলৈ হ'লে আজি চাকৰি জীৱনৰ অৱসৰৰ পূৰ্বৰ অৰ্ধ শতাব্দী বছৰৰ সেই বিশেষ দিনটোৰ মুহূৰ্তৰ কথা স্মৰণ কৰিবই লাগিব; কিয়নো আমাৰ মানুহৰ জীৱন যাত্ৰাৰ দীঘলীয়া পৰিক্ৰমাত এনে আমাৰ অজ্ঞাতে মনৰ মাজত স্থায়ীকৈ পঞ্জীভূত হৈ থাকে যে সেয়াই পৰৱৰ্তী কালত কোনোবা ক্ষণত জীৱন ডায়েৰীৰ অলিখিত পৃষ্ঠাত স্থান লাভ কৰি জল-জল, পট-পটকৈ জিলিকাই থাকে।

ঠিক তেনেকৈয়ে এই মুহূৰ্তত 'অগ্ৰদূত' সম্পৰ্কত মোৰ ধাৰণা সন্দৰ্ভত বক্তব্য আগবঢ়োৱাৰ ক্ষেত্ৰত মোৰ সুদীৰ্ঘ ৩৮ বছৰীয়া শিক্ষকতা চাকৰি জীৱনত ঘটা সৰু ঘটনা এটাই মোৰ মনৰ পৰ্দাত ভাঁহি উঠিছে। সেয়া হ'ল— মই তেতিয়া বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় (তেতিয়া হাইস্কুল)ত সম্পূৰ্ণ নতুনকৈ প্ৰৱৰ্তিত বড়ো মাধ্যমৰ পদত সহকাৰী শিক্ষক হিচাপে নিযুক্তি পাই কাৰ্যনিৰ্বাহ কৰা দুই নে তিনি বছৰ হৈছেহে মাথোন। তেনে সময়ৰ মাজতে এদিন আমাৰ কমন ৰূমত আমাৰ সহ শিক্ষকে টিফিনৰ চাহ-পানী খাই থকাৰ মাজতে আমাৰ বিদ্যালয়ৰে অধ্যয়নৰত ছাত্ৰ এজনে (শ্ৰীমান কৰ্ণেশ্বৰ পাটগিৰি, বৰ্তমান উক্ত বিদ্যালয়ৰ পৰাই উচ্চ বৰ্গৰ সহায়কৰূপে কাম কৰি অৱসৰ প্ৰাপ্ত) মোনাত এসোপামান কাকতৰ কঁপি আনি ৰূমত সোমাই মোৰ লগতে ৩০/৪০ গৰাকী 'ছাৰ' 'বাইদেউ'ৰ কাষ চাপি-চাপি 'অগ্ৰদূত' কাকতখন দেখুৱাই স্থায়ী গ্ৰাহক হোৱাৰ বাবে অনুৰোধ কৰি গ'ল।

মই আগবাঢ়ি গৈ 'কৰ্ণেশ্বৰ'ৰ লগত কথা পাতোতে গম পালো— তেওঁ হেনো দুখীয়া ঘৰৰ ল'ৰা হোৱা বাবে স্কুলত পঢ়াৰ সমান্তৰালকৈ হাত খৰচৰ বাবে দুপইচা গোটোৱাৰ লক্ষ্যৰে ক'ৰবাৰ পৰা খুব বেছি ২০/২৫ কপি 'অগ্ৰদূত' সংগ্ৰহ কৰি আনিছিল। তেওঁৰ কথা শুনি সিদিনা মোৰ লগতে ৩/৪ গৰাকী শিক্ষকে 'অগ্ৰদূত'ৰ স্থায়ী গ্ৰাহক হ'লো আৰু মাহেকৰ অন্তত দৰমহাৰ পৰা বিল আদায় দিয়াৰ ব্যৱস্থা কৰি থাকিলোঁ। সেয়াই 'অগ্ৰদূত'ৰ স'তে সম্পৰ্কৰ আৰম্ভণি। এই সম্পৰ্কৰ আজিকোপতিও যতি পৰা নাই। ইয়াৰ কাৰণ হিচাপে এইটো স্পষ্টভাৱে ক'ব পাৰোঁ যে কাকতৰ সম্পাদক কনকসেন ডেকাৰ বস্তুনিষ্ঠ, ইতিবাচক, যুক্তিবাদী বলিষ্ঠ সম্পাদকীয়ৰ লগতে ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, ভাষা-সাহিত্য-সংস্কৃতি আদি নানা বিষয়ক লেখাৰ জৰিয়তে বিভিন্ন শ্ৰেণীৰ পঢ়ুৱৈ সমাজৰ প্ৰয়োজনীয় খোৰাক যোগাব পৰাকৈ নানান শিতান মুকলি কৰি অগণন চিন্তাশীল, গৱেষক তথা লব্ধপ্ৰতিষ্ঠ নিবন্ধকাৰৰ প্ৰেৰণা যোগাই আহিছে আৰু তাৰ আধাৰতেই লেখা-মেলা কৰাৰ ক্ষেত্ৰত উৎসাহ পাই আহিছো।

গণতন্ত্ৰৰ অন্যতম স্তম্ভ (চতুৰ্থ) টোৱেই হ'ল জনমত। দেশ তথা নাগৰিক সমাজৰ অনাচাৰ-অনীহা তথা সাধাৰণ জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰাত বিঘ্নিত তথা প্ৰতিক্ৰিয়া সৃষ্টি কৰিব নোৱাৰাকৈ সত্য-নিৰপেক্ষ বাতৰি পৰিৱেশনৰ উপৰি সুস্থ-সবল, গঠনমূলক ইতিবাচক আলোচনা-বিলোচনা-সমালোচনা আদি লেখনি প্ৰকাশৰ জৰিয়তে জনমত গঠন কৰি দেশ তথা সমাজক প্ৰগতি উন্নতি-উত্তৰণৰ দিশে আগবঢ়াই নিয়াটোৱেই হৈছে বাতৰি কাকতবোৰৰ প্ৰধান কৰ্তব্য।

কিন্তু তৎসত্বেও সংবিধানৰ এই পবিত্ৰ কৰ্তব্য তথা দায়িত্ব পালন কৰিবলৈ যাওঁতে বহু সময়ত বাতৰি কাকতবোৰে শাসকগোষ্ঠীৰ ৰোষৰ বলি হ'বলগা হোৱা ঘটনাও সংঘটিত হয়। উদাহৰণ স্বৰূপে তদানীন্তন ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ দিনৰ 'জৰুৰী কালীন' অৱস্থাৰ কথা সৰ্বজনবিদিত। ঠিক তেনেদৰে আমাৰ অসমত অগপৰ প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন চৰকাৰৰ কাৰ্যকালত অন্যান্য কাকতৰ লগতে 'অগ্ৰদূত' কাকতো শাসকগোষ্ঠীৰ ষড়যন্ত্ৰৰ সন্মুখীন হৈছিল। তাৰে প্ৰতিক্ৰিয়া স্বৰূপে কাকতৰ ষ্টাফ ৰিপ'ৰ্টাৰে 'অগ্ৰদূত'ৰ কলম থমকি নৰয়' শীৰ্ষক লিখনিৰে 'অগ্ৰদূত'ৰ নিজা স্থিতি স্পষ্ট কৰি দিছিল। তেতিয়া আমিও উক্ত স্পষ্টীকৰণৰ আধাৰত কাকতৰ 'মতামত' শিতানত 'অগ্ৰদূত' সম্পৰ্কে মোৰ ধাৰণা ব্যক্ত কৰিলিখিছিলো 'আমাৰো দৃঢ় বিশ্বাস, শাসকগোষ্ঠী অথবা কোনো উপাদানৰ দ্বাৰা কৃত যিকোনো ষড়যন্ত্ৰ অথবা ভয়-ভীতি প্ৰদৰ্শনত 'অগ্ৰদূত'ৰ ক্ষুৰধাৰ কলম কোনো কালে স্তব্ধ নহ'ব।' কিমধিকম ইতি!

**হৰেশ্বৰ বসুমতাৰী**, *লেখক*


*ফোন ঃ ৯৮৬৪৭৬৩৬৮২*

# শিক্ষাখণ্ডৰ ব্যক্তিগতকৰণৰ পৰিকল্পনা

## ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ উদ্দেশ্য হৈছে টকা ঘটা

দৃষ্টিপাত

ড° খৰ্গেশ্বৰ ভূঞা



অসমৰ শিক্ষা বিভাগৰ দায়িত্ব ডাঃ ৰণোজ পেগুক দিওঁতে মনত কিছু আশা জাগিছিল— 'কিজানি ভেকুলীৰ পিঠিত নোম গজেই' বা 'সোলাৰ মুখত মাখিটো হ'লেও পৰেই!' কাৰণ জনজাতীয় সংগঠনৰ নেতা হৈ থাকোতে তেওঁৰ কাৰ্যক্ষমতা চকুত লগা যেনেই আছিল। পিছে নিজে নেতৃত্ব দিয়া আৰু আন এজনৰ আঙুলিৰ ঠাঁৰত নচাটো অৱশ্যেই বেলেগ কথা। দিন যোৱাৰ লগে লগে বুজি পালো— শিক্ষা বিভাগৰ মন্ত্ৰীৰ পৰা আশাব্যঞ্জক কিবা পোৱাটো পৰ্বতত কাছ কণী পোৱাৰ দৰে কথা। কেৱল শিক্ষা মন্ত্ৰণালয়েই নহয়, সকলো মন্ত্ৰণালয়েই চলে এজনা প্ৰভুৰ নিৰ্দেশত, মন্ত্ৰীসকলৰ নিজা সিদ্ধান্ত বুলি কথা নাই। দিছপুৰীয়া প্ৰভুজন চলে দিল্লীৰ মহাপ্ৰভুৰ ঠাৰ-চিয়াৰ লগতে নাগপুৰীয়া পৰম প্ৰভুৰো ইচ্ছা-অনিচ্ছাবোৰৰ কথা আছেই।

দিল্লীৰ মহাপ্ৰভুৰ এতিয়া লক্ষ্য হ'ল সকলোবোৰ ৰাজহুৱা সম্পত্তি ব্যক্তিগত খণ্ডলৈ, বিশেষকৈ আদানী, আম্বানীৰ দৰে গুজৰাটীৰ দখললৈ হস্তান্তৰ কৰা। স্বাস্থ্য, বিভিন্ন ধৰণৰ পৰিবহণ আদিৰ লগতে শিক্ষা বিভাগটোৰ ব্যৱসায়িক দিশটোও বৰ উজ্জ্বল। সেয়েহে স্বাধীন ভাৰতৰ চৰকাৰৰ লক্ষ্য আছিল এইবোৰক ব্যক্তিগত খণ্ডৰ গ্ৰাসৰ পৰা আঁতৰাই চৰকাৰৰ অধীনতে ৰখা; কাৰণ স্বাস্থ্য, শিক্ষা, পৰিবহণ সংক্ৰান্তীয় কথাবোৰ অন্ন, বস্ত্ৰ, বাসস্থানৰ দৰেই মানুহৰ মৌলিক প্ৰয়োজনীয়তাৰ ভিতৰত পৰে। এইবোৰ বিভাগ ব্যক্তিগত খণ্ডলৈ গ'লে মালিকসকলে নিজৰ লাভৰ কথাটোতহে জোৰ দিব। তেনে ক্ষেত্ৰত স্বাধীন ভাৰতীয় গণতন্ত্ৰত জনকল্যাণৰ যি মৌলিক উদ্দেশ্য সেয়া ব্যাহত হ'ব। স্বাস্থ্য, শিক্ষা, পৰিবহণ, কৃষি, খাদ্য, পানী যোগান ধৰণৰ বিভাগবোৰ সেয়েহে চৰকাৰে নিজাববীয়াকৈ পৰিচালনা কৰিব, যাতে সাধাৰণ ৰাইজে কম খৰচতে লাগতিয়াল সামগ্ৰীবোৰ পাব পাৰে। স্বাধীনতাৰ পাছত ৬০ বছৰ মানলৈ জনকল্যাণৰ এই মৌলিক ধাৰণাটো চৰকাৰীভাৱে বৰ্তি আছিল; অৱশ্যে তাৰ মাজতে ব্যক্তিগত খণ্ডৰ পুঁজিপতিসকলে সন্তৰ্পণে নিজৰ হাতোৰা প্ৰসাৰ কৰিবলৈ লৈছিল, এই কামত সহায়ক হৈছিল এচাম স্বাৰ্থপৰ ৰাজনৈতিক নেতা। থাউকতে মনলৈ অহা তেনেই সাধাৰণ উদাহৰণটো হ'ল— যি দল বা মৰ্চাৰেই চৰকাৰ নহওক, সকলোৰেই ফাঁচীবজাৰৰ বেপাৰীৰ ওচৰত আঁঠু লৈ থাকে। যিকোনো বিষয়তে দম দি কথা কোৱা অহংকাৰী মন্ত্ৰীও ফাঁচীবজাৰৰ ব্যৱসায়ীৰ এবেটা ধমকিতে লেউসেউ হৈ পৰে।



সাধাৰণ ৰাইজৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰী তথা শিক্ষা, স্বাস্থ্য ধৰণৰ সেৱাসমূহক চৰকাৰী বা ৰাজহুৱা নিয়ন্ত্ৰণত ৰাখি স্বাধীন ভাৰতীয় গণতন্ত্ৰণৰ মৌলিক নীতি স্বৰূপ জনকল্যাণৰ বিষয়টো এৰা-ধৰাকৈ চৰকাৰবোৰে বৰ্তাই ৰাখিছিল যদিও মোদী চৰকাৰ অহাৰ পৰা কথাবোৰ ব্যাপকভাৱে সলনি হ'ল। এফালৰ পৰা ৰাজহুৱা বা চৰকাৰী খণ্ডৰ সম্পত্তিবোৰ কেইজনমান বিশেষ ব্যক্তিৰ মালিকানাধীন প্ৰতিষ্ঠানলৈ হস্তান্তৰ কৰি গৈ আছে কেন্দ্ৰীয় চৰকাৰে। সম্প্ৰতি বিহাৰত হোৱা ৰাজনৈতিক পট পৰিৱৰ্তনক লৈ শংকিত হোৱা এজন বিজেপি সমৰ্থকে ফেচবুকত আশংকা প্ৰকাশ কৰিলে বোলে— 'এতিয়া পশুখাদ্য কেলেংকাৰিত জেল খোৱা লালুপ্ৰসাদ, মিত্ৰতা ভংগকাৰী বিশ্বাসঘাতক নীতিশ কুমাৰ আদিকহে ৰাইজে ক্ষমতা দিব নেকি?' ইয়াৰ যোগ্য উত্তৰ এনে ধৰণৰ— 'নাই নাই, সেইসকলক এতিয়াই দিল্লীৰ মছনদত বহুৱাব নালাগে, কাৰণ বিক্ৰী গৈ থাকিলেও এতিয়াও কিছু ৰাজহুৱা সম্পত্তি বাকী আছেগৈ। মোদীক আৰু এবাৰ সুযোগ দিবই লাগিব, তেতিয়াহে থকাখিনিও বিক্ৰী কৰি দেশ লাউলোৱা হ'বগৈ। ভিক্ষাৰী দেশৰ ৰাইজৰ বাবে ফুটপাথকেইটা থাকিবগৈ যেতিয়া, তেতিয়া 'লালু-পাণ্ডু' যিয়েই দেশ নচলাওক, কাৰো একো ক'বলৈ নাই।' এইবোৰ কৌতুক যেন লাগিলেও বাস্তৱটো কিন্তু বৰ নিষ্ঠুৰ।

শিক্ষা বিভাগটোৰ কথালৈ ঘূৰি যোৱা যাওক। এখন চৰকাৰী বিদ্যালয় খোলা আৰু সেইখন চলাই নি থকাৰ বাবে চৰকাৰে বহুখিনি ধন খৰচ আৰু কষ্ট স্বীকাৰ কৰিব লগা হয়। ধনখিনি অৱশ্যে ৰাইজে দিয়া কৰ-কাটলৰ যোগেদি অহা। শিক্ষা বিষয়টো মূলতঃ চৰকাৰৰ (ৰাজ্য আৰু কেন্দ্ৰত) সাংবিধানিক দায়িত্ব আৰু কৰ্তব্যৰ অন্তৰ্ভুক্ত। এই বিষয়টো প্ৰধানকৈ ৰাজ্যসমূহৰ দায়িত্বত থাকিলেও কেন্দ্ৰইও গা এৰা দিব নোৱাৰে। সেয়েহে আনুষ্ঠানিক শিক্ষা প্ৰদানৰ বাবে বিভিন্ন পৰ্যায়ৰ বিদ্যালয়বোৰ চৰকাৰেই খুলিব লাগে। পিছে এই উচিত কামটো চৰকাৰে এতিয়াহে নকৰা হৈছে তেনে নহয়, ব্ৰিটিছৰ কালৰ পৰা সেয়া চলি আহিছে। স্বাধীন দেশৰ চৰকাৰবোৰেও দুই-এটা ব্যতিক্ৰম বাদ দি বিদ্যালয় চৰকাৰীভাৱে আৰম্ভ কৰা নাই। স্থানীয় ৰাইজে যোৱাটো শতিকাৰ আৰম্ভণি বা তাৰো আগৰে পৰা নগৰে-চহৰে, গাঁৱে-ভূঞে শিক্ষানুষ্ঠান স্থাপন কৰি আহিছে নতুন প্ৰজন্মক শিক্ষা প্ৰদান কৰিবৰ বাবে। ৰাইজে শ্ৰম কৰি, চান্দা তুলি, শস্য উৎপাদন কৰি তাৰে বিদ্যালয়ৰ গৃহ সাজিছিল, শিক্ষকক নামমাত্ৰ মাননী দিছিল, বিদ্যালয় চলোৱাৰ খৰচো দিছিল। ছাত্ৰ-ছাত্ৰীৰ পৰা লোৱা তেনেই সামান্য মাচুলে এই ক্ষেত্ৰত বিশেষ সহায় নকৰিছিল। বছৰ বছৰ ধৰি এইবোৰ ভেন্সাৰ হিচাপে চলি থকাৰ পাছত চৰকাৰে পৰ্যায়ক্ৰমে আৰ্থিক অনুদান, তদৰ্থ মঞ্জুৰি, ঘাটি মঞ্জুৰি আদি অভিধাৰে শেষত যোৱাটো শতিকাৰ অষ্টম দশকত বিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণ কৰিছিল। এই অভিধা মতে বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকল চৰকাৰী হ'লেও বিদ্যালয়ৰ আন্তঃগাঁথনি বেচৰকাৰী হৈয়েই থাকিল। কলেজসমূহেও ভেন্সাৰ হিচাপে জন্মগ্ৰহণ কৰি বিদ্যালয়সমূহৰ দৰে বিভিন্ন পৰ্যায়ৰ মাজেদি আগবাঢ়ি গৈ শেষত ২০০৫ৰ ডিচেম্বৰৰ পৰা প্ৰাদেশিকীকৰণৰ আওতাত সোমাল। ২০১৪ত আন কিছুমান মহাবিদ্যালয়ৰ প্ৰাদেশিকীকৰণ হৈছিল। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণত তদানীন্তন কংগ্ৰেছ চৰকাৰৰ বিশেষ কৃতিত্ব আছে। এইবোৰৰ পদসমূহ চৰকাৰী হোৱাৰ পাছত কেন্দ্ৰীয় চৰকাৰৰ নিৰিখত দৰমহা পোৱাৰ উপৰি নিয়মমতে পেন্সন লাভ কৰিবলৈ পালে শিক্ষক-কৰ্মচাৰীসকলে। পেন্সন নোপোৱাৰ কালছোৱাত এইসকলৰ বেছিভাগৰে পানীত হাঁহ নচৰা হোৱা অৱস্থাৰ কথা বহুতেই পাহৰি গৈছে।

এনে ধৰণৰ ভেন্সাৰ শিক্ষানুষ্ঠানবোৰৰ লগত আধুনিক কালত কাঠফুলাৰ দৰে গজি উঠা ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰৰ কোনো তুলনাই নহয়। অৱশ্যে 'এতিয়াও ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ উদ্দেশ্য হৈছে টকা ঘটা।' এইবুলি কৈ দিলেও শুদ্ধ নহ'ব। অধিক মাচুল লোৱা এইবোৰ বিদ্যালয়ৰ কিছুমানৰ জয় জয় ময় ময় অৱস্থা হোৱাৰ বিপৰীতে বহুসংখ্যক কলঢোপ কলঢোপকৈহে চলি আছে। ধনৰ পাহাৰ গঢ়ি তোলা বিদ্যালয়ৰ সংখ্যাও তেনেই কম নহয়। সি যি কি নহওক, শিক্ষা বিষয়টো যিহেতু ৰাজ্য চৰকাৰৰ (লগতে কেন্দ্ৰীয় চৰকাৰৰো) দায়িত্ব আৰু কৰ্তব্যৰ বিষয়, সেয়েহে ছাত্ৰ-ছাত্ৰীক শিক্ষিত কৰাৰ বাবে চৰকাৰেই ব্যৱস্থা কৰিব লাগিব। এফালেদি সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰা, আনফালেদি জনসংখ্যাৰ দ্ৰুত বৃদ্ধি— এই দুটা কাৰকৰ বাবে দেশ আৰু ৰাজ্যত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অভাৱনীয় হাৰত বাঢ়িছে। এইসকলক স্থান দিবলৈ বিভিন্ন পৰ্যায়ৰ অসংখ্য শিক্ষানুষ্ঠানৰ দৰকাৰ। বিদ্যালয় স্থাপনৰ এই অৱস্থাত কৰ্তব্যটোৰ পৰা মূৰ পোলোকা দিবৰ বাবে চৰকাৰে নানা অজুহাতৰ সৃষ্টি কৰিছে। এই অজুহাতৰ মধ্যমণি হৈছে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ, যিবোৰে শিক্ষাৰ ব্যক্তিগতকৰণৰ গোপন উদ্দেশ্যটো সফল কৰাত সহায় কৰিব। চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ শ্মশান গতি হোৱাৰ বিপৰীতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ জয় জয়কাৰ হ'ব আৰু তেনে সময়তে বিজেপিৰ আশীৰ্বাদপুষ্ট আদানী-আম্বানীৰ দলে নিঃসাৰে সেইবোৰ আত্মসাৎ কৰি গোটেই শিক্ষাখণ্ডকে নিজৰ সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিব।

**শিক্ষা বিষয়টো যিহেতু ৰাজ্য চৰকাৰৰ) দায়িত্ব আৰু কৰ্তব্যৰ বিষয়, সেয়েহে ছাত্ৰ-ছাত্ৰীক শিক্ষিত কৰাৰ বাবে চৰকাৰেই ব্যৱস্থা কৰিব লাগিব। এফালেদি সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰা, আনফালেদি জনসংখ্যাৰ দ্ৰুত বৃদ্ধি— এই দুটা কাৰকৰ বাবে দেশ আৰু ৰাজ্যত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অভাৱনীয় হাৰত বাঢ়িছে। এইসকলক স্থান দিবলৈ বিভিন্ন পৰ্যায়ৰ অসংখ্য শিক্ষানুষ্ঠানৰ দৰকাৰ**

বহুতেই ক'ব পাৰে যে ব্যক্তিগত খণ্ডৰ বিদ্যালয় খোলাৰ ব্যৱস্থাটো বিজেপিৰ দিনৰ নহয়, বহু কালৰ আগৰ পৰাই চলি আহিছে। কথাটো সঁচা, পিছে প্ৰথম অৱস্থাত স্থাপন কৰা তেনেবোৰ বিদ্যালয়ৰ টকা ঘটাৰ ধাৰণাটোৰে প্ৰাধান্য পোৱা নাছিল। চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়-মহাবিদ্যালবোৰত বৰ্দ্ধিত সংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাবে হোৱা আসনৰ নাটনিৰ জোৰা মাৰিবলৈ ব্যক্তিগত খণ্ডৰ বিদ্যালয় খোলা হৈছিল। স্নাতক পৰ্যায়ত নাটনিৰ পৰিমাণ তুলনামূলকভাৱে কম আছিল বাবে ১০ বছৰ মানৰ আগলৈকে বিশ্ববিদ্যালয়ে স্নাতক মহাবিদ্যালয়ক স্বীকৃতি দিয়া নাছিল। ইয়াৰ বিপৰীতে উচ্চতৰ মাধ্যমিক পৰ্যায়টো পঢ়ুৱাবৰ বাবে কনিষ্ঠ মহাবিদ্যালয় নাম দি শিক্ষানুষ্ঠান খুলিবলৈ শিক্ষা সংসদে বাৰুকৈয়ে উৎসাহ দিবলৈ ল'লে। স্বীকৃতি দিয়াৰ নামত ধনৰ লেনদেনো চলিল, কিছুমান অসৎ বিষয়াই পৰীক্ষাৰ ফলাফলতে হাত দি বিশেষ কিছুমান কনিষ্ঠ মহাবিদ্যালয়ৰ ভেটি মজবুত কৰিলে। এই বিষয়ৰ আলোচনা সদ্যহতে বাদ দি ক'ব খোজা কথাটো হৈছে প্ৰথম পৰ্যায়ৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰে ধনৰ বিষয়টোত বেছি গুৰুত্ব নিদি সেৱাতহে অগ্ৰাধিকাৰ দিছিল আৰু পূৰ্বৰ ভেন্সাৰ বিদ্যালয়বোৰৰ দৰে প্ৰাদেশিকীকৰণৰ বাবেও চেষ্টা চলাইছিল, ইয়াৰে কিছুমানে সেই মৰ্যাদা পালেও।

শিক্ষাৰ ব্যক্তিগতকৰণৰ ভিতৰুৱা উদ্দেশ্যটোত বিজেপিৰ দিনত বেছিকৈ সাৰ-পানী যোগোৱা হৈছে। বৰ্তমানৰ মুখ্যমন্ত্ৰীজনাই বিগত কংগ্ৰেছ চৰকাৰবোৰৰ দিনতো ভালেমান কাল শিক্ষা বিভাগৰ দায়িত্ব চম্ভালিছিল। মাজে মাজে অৱশ্যে ৰিপুণ বৰা, গৌতম বৰা, শৰৎ বৰকটকী আদিক দায়িত্ব দিছিল যদিও মূল টিপাটো এৰা নাছিল— কাৰণ তৰুণ গগৈৰ সমগ্ৰ শাসন কালত বেছিভাগ সময় ড° হিমন্ত বিশ্ব শৰ্মাই দ্বিতীয় স্থানত থাকি কামৰ তদাৰক কৰিছিল। তেতিয়া চৰকাৰী খণ্ডৰ বিদ্যালয়ক নিৰুৎসাহ কৰা কামটো বৰকৈ চলা নাছিল। পিছে অসমত ২০১৬ত বিজেপি চৰকাৰ অহাৰ পাছত চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়বোৰৰ প্ৰতি নেতৃস্থানীয় তথা ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ জয়গান অধিক হৈ পৰিছে। অৱশ্যে এই কু-অভিসন্ধি ৰাইজৰ চকুত লাজ লগাকৈ প্ৰকট নহ'বৰ বাবে প্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানবোৰলৈ আন্তঃগাঁথনি উন্নয়নৰ নামত কিছু ধনো আগবঢ়াইছে। প্ৰাদেশিকীকৰণৰ এসোপামান চৰ্ত আৰোপ কৰি ভেন্সাৰ শিক্ষানুষ্ঠানসমূহৰ পৰা বাছি বাছি এমুঠিমান কলেজ-বিদ্যালয়কহে সেই পৰ্যায়লৈ নিলে। ২০১৪ৰ পাছত সেই কাম বন্ধই হৈ আছে। সদ্যহতে চৰকাৰে ঘোষণা কৰিছে যে কোনো ভেন্সাৰ শিক্ষানুষ্ঠানে প্ৰাদেশিকীকৰণ নহ'ব।

এফালেদি চৰকাৰে ঘোষণা কৰিছিল যে শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰৰ হাতত ধন নাই, অন্যফালেদি এইবাৰৰ ১৫ আগষ্টৰ পতাকা উত্তোলনৰ ভাষণত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে যে চাৰি হেজাৰ শিক্ষানুষ্ঠানলৈ চাৰে ১০ হেজাৰ কোটি, অৰ্থাৎ প্ৰতিখনক গড়ে আঢ়ৈ কোটিকৈ টকা অনুদান দিব। প্ৰায় ১.০৭ লাখ কোটি টকা ধাৰ থকা চৰকাৰখনে চাৰে ১০ হেজাৰ কোটি ক'ৰপৰা দিব সেয়া মুখ্যমন্ত্ৰীয়েহে জানিব। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে নদী খননৰ যোগেৰে পোৱা বোকাৰে এক্সপ্ৰেছ হাইৱে সজা, গুৱাহাটীক স্মাৰ্ট চিটী সজোৱা, বছৰি লাখ লাখ নিবনুৱাক চাকৰি দিয়া ধৰণৰ প্ৰতিশ্ৰুতিৰ লেখীয়া চাৰে ১০ হেজাৰ কোটিও মুখৰ কথাহে হয় নেকি ক'ব পৰা নাই। পূৰ্বতে কোৱা হৈছিল যে বিদ্যালয়ৰ ডেস্ক-বেঞ্চ আদিৰ বাবে ৰাইজেহে ধন দিব লাগিব।

কিছুদিনৰ আগতে চৰকাৰে ঘোষণা কৰিলে বোলে তৃতীয় শ্ৰেণীৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান আৰু গণিত ইংৰাজী মাধ্যমতহে শিকিব লাগিব। বিদ্বৎ সমাজে কথাটোত বৰকৈ আপত্তি কৰাৰ বাবে এতিয়া কোৱা হৈছে যে এয়া বাধ্যতামূলক নহয়, দুয়োটা ভাষাতেই, অৰ্থাৎ মাতৃভাষা আৰু ইংৰাজীত গণিত-বিজ্ঞান পঢ়িব পাৰিব। ইয়াৰ বাবে শ্ৰেণী বিভাজন কৰিব লাগিব, যিটোৰ বাবে শিক্ষক আৰু আন্তঃগাঁথনিৰ প্ৰয়োজন হ'ব। এই কামটোৰ কাৰণেই হেনো প্ৰতিখন বিদ্যালয়লৈ আঢ়ৈ কোটিকৈ টকা দিয়া হ'ব। এইবোৰ কিমান ফলপ্ৰসূ হয় সময়েহে ক'ব। সকলোতকৈ মাৰাত্মক কথাটো হ'ল ছাত্ৰ-ছাত্ৰীয়ে মাহিলি তিনিশ টকাকৈ মাচুল দিব লাগিব। বিনামূলীয়া শিক্ষা আঁতৰাই চৰকাৰে ব্যক্তিগতকৰণৰ দুৱাৰ খুলি দিছে— বিষয়টোৰ অধিক আলোচনাৰ থল আছে।


*ফোন ঃ ৮১৩৫৮৩৫২১৯*

# অসম অসমীয়া আৰু আন্দোলন

## আন্দোলনৰো এটা সীমা থকা দৰকাৰ

অৱলোকন

ৰামচন্দ্ৰ চুতীয়া



**বাল্য** কালৰ কথা মনত নাই। বয়সটোলৈ চাই স্বাধীনতাৰ আগৰ মুক্তি যুঁজৰ অংশীদাৰ হোৱাৰ প্ৰশ্নই নুঠে। ১৯৬০ৰ ভাষা আন্দোলনৰ সময়তো তেনেই কম বয়সীয়া। তাতে লখিমপুৰৰ ঢকুৱাখনাৰ দৰে তেনেই অনগ্ৰসৰ অঞ্চল মৰনৈ বেবেজীয়াৰ কৃষকৰ সন্তান আছিলো। আজিৰ দৰে টেলিভিছন, ৰেডিঅ', গাড়ী-মটৰৰ ব্যৱস্থাও সুচল নাছিল। গতিকে গাঁৱলীয়া আছিলো। ১৯৬৬ ৰ পৰা কিন্তু অসমৰ সকলো প্ৰকাৰৰ ঘটনাসমূহৰ আমি আন দহজন অসমীয়াৰ দৰেই জীৱন্ত সাক্ষী হৈ আছো। ১৯৬৬-৬৭ৰ পৰা অসমৰ জ্বলন্ত সমস্যাসমূহৰ লগত জড়িত আন্দোলনসমূহত 'তেজ দিম, তেল নিদিওঁ, অসমৰ বুকুত নতুন ৰাজ্য হ'বলৈ নিদিও, মাতৃভাষাৰ বাবে জীৱন দিম' ধৰণৰ নানান সমস্যাত হোৱা আন্দোলনত 'লগৰ কাৰৈ' লগতে উজাইছিলো। বহু সময়ত একো নজনাকৈয়ে আন্দোলনত জিন্দাবাদ জিন্দাবাদ বুলি চিঞৰা মনত আছে। ডাঙৰ হোৱাৰ পাছত হাইস্কুল, কলেজ আৰু বিশ্ববিদ্যালয়ত থকাৰ সময়ত বৰ বৰ ছাত্ৰ আন্দোলনত সহযোগ কৰি উদাত্ত কণ্ঠে ভাষণ দিছিলো, 'শৰাইঘাট'ৰ ৰণ কৰিছিলো, কিন্তু কোনো কাল লাচিত নহ'লো, জাতিটোকো সুৰক্ষিত কৰিব নোৱাৰিলো। আমাৰ চকুৰ আগতে বৰ অসম খণ্ডিত হৈ টুকুৰা-টুকুৰ হ'ল, আমাৰ ৰণবোৰ অথলে গ'ল। সেই প্ৰক্ৰিয়া এতিয়াও অব্যাহত আছে। চুতীয়া, আহোম, কোচ, কছাৰী ৰাজ্যবোৰ হ'বলৈ বা আৰু কিমান দিন আছে, নাজানো। কিন্তু সেইবোৰ হওক বা নহওক; যুদ্ধবোৰ কিন্তু হ'ব, আন্দোলন হ'ব আৰু নিৰীহ বহুত মানুহ মৰিব। অসম ৰক্তাক্ত হ'ব। অভিজ্ঞতাই আমাক তাতকৈ আন একো ফল আশা কৰিবলৈ নকয়।

আহোমসকললৈ চাওকচোন। মহাপ্ৰতাপেৰে, সমিলমিলেৰে বৰ অসম গঢ়ি ৰাজপাট খাই থাকোতেও সুখ নাপালে, নিজৰ ভিতৰতে ফেপেৰি পাতি আত্মকলহত প্ৰবৃত্ত হৈ সুদূৰৰ মান আনিলে আৰু ৰাজ্যখনক জহান্নামে নিয়ালে। তেতিয়াই মানৰ উৎপাতত অসমৰ জনসংখ্যা ১৬ লাখ মানলৈ কমিল বুলি বিজ্ঞসকলে কোৱা শুনো। তেতিয়া বোলে অসমৰ মুঠ জনসংখ্যা ৩২ লাখহে আছিল। মানৰ অত্যাচাৰৰ কথা শুনিলে আজিৰ শিশুৱেও অবাক বিস্ময়ত ক'ৰবাত হেৰাই থাকে। মুখৰ মাত মুখতে হেৰায়, হাত-ভৰিত কঁপনি উঠে।

অসমৰ দুৰ্যোগ সৌ তাহানিখনৰ পৰাই চলি আহিছে; অসমীয়া নীৰৱ দৰ্শক নহ'লেও সকলো প্ৰকাৰৰ সুখৰ পৰা বঞ্চিত হৈ আহিছে। ইয়াৰ বাবে জগৰীয়া কোন? ইতিহাসৰ বুকুত সেইবোৰ কথা লিপিবদ্ধ হৈ আছে।

আগৰ দিনৰ কথাবোৰ বাৰু নকওঁ। আজিৰ কৰ্ম-কাণ্ডবোৰলৈকে মন কৰকচোন। কোনোবা এটা সমস্যাত অসম জৰ্জৰিত হোৱাৰ পাছত তাৰ সমাধান কল্পে ৰজা-প্ৰজাই কিবা এটা কৰি শেষ হওঁতে নৌহওঁতেই আন এটা সমস্যাই অসমৰ বাহুত ধৰি জোঁকাৰি অসমীয়াৰ হাড় ডাল ডাল কৰে, বক্ষদেশত কঁপনি তোলে। সমস্যাবোৰ অসমীয়াই কৰা সমস্যা নহয়, পৰিস্থিতিয়ে কৰা সমস্যাহে। পৰোক্ষভাৱে আমাৰ নেতাবোৰ তেনেবোৰ ঘটনাত অৱশ্যেই সদায় জড়িত হৈ থাকে। সেই দৃষ্টিকোণৰ পৰা আমাৰ সমস্যাৰ কাৰণ আমি অসমীয়াই। প্ৰসংগক্ৰমে এনআৰচিৰ কথা কওক, কেন্দ্ৰৰ যিয়ে ভূমিকা নহওক লাগিলে সেই কামটো কৰোতে কত প্ৰকাৰৰ খেলিমেলি হ'ল, তাত আমাৰ নেতাবোৰ নীৰৱ দৰ্শক অথবা বাধাৰ কাৰক। কিয় এনে হয়? নাগৰিক সংশোধনী বিলৰ কথা আহিল, তেতিয়াও অসমীয়াৰ নেতা আৰু নাগৰিক একেশাৰীত নাথাকিল। প্ৰত্যেকৰে নিজস্ব বিচাৰ বুদ্ধি খটুৱাই নামী-দামী নেতা বা বুদ্ধিজীৱী হোৱাৰ প্ৰচেষ্টা চলিল। মানুহবোৰ ভাগ ভাগ হৈ পৰিল। অসমীয়া বুলি যেন কোনো কালে জাতি এটা নাছিলেই। সমূহীয়া সমস্যাত অন্য ৰাজ্যই এক হৈ থিয় দিয়ে। আৰু অসমীয়াই? মানুহটোৰে প্ৰতি ঈৰ্ষান্বিত মনটো লৈ পণ্ডিত হয়, সৰ্বভাৰতীয় হয়। সেইবোৰে নাজানে নে শংকৰদেৱেচোন পাঁচশ বছৰৰ আগতেই সেই কথা কৈ থৈ গ'ল। এতিয়া অসমীয়াৰ ভাৰতীয় হ'লে কি লাভ হ'ব, সেই কথা কোনেও শিকোৱাৰ প্ৰয়োজন নাই। আৰু এটা কথা। নিজৰ ঘৰটোত ঠাহ খোৱাই আলহী ভৰাই থ'লে যে নিজৰে ঘৰত শান্তি নোহোৱা হয়, সেই সৰু কথাটোকে আমাৰ দেশৰ কৰ্ণধাৰসকলে নাজানে নে? আলহী-অতিথিক আলপৈচান ধৰা আৰু চিৰকালৰ বাবে বুকুৰ মঙহ এডোখৰ দি দিয়া কথাটো কেতিয়াও একে নহয়। এইবোৰ শিশু এটায়ো জানে। সেয়েহে বহিৰাগত দেখিলেই, লাগে স্বজাতিৰে হওক, কুকুৰে কেং কেং কৈ খেদা লগাবই। শিক্ষা জীৱ-জন্তুৰ পৰাও ল'ব পাৰি, আমি নলওঁ কিয়? নে আমি সৰ্বজ্ঞ?

অসম ঘনে ঘনে আগলি কলপাত লৰাদি লৰে। ভূমিকম্পত কঁপাদি কঁপে, আন্দোলন হয়, বোমা-বাৰুদো ফুটে। চতুৰ্দিশে জুই জ্বলে, হেজাৰ হেজাৰ মানুহো মৰে কিন্তু তথাপি আন্দোলনৰ অন্ত নপৰে। অকণমান শান্ত হ'ল কি নহ'ল, কোনোবাই তাত আকৌ বিদ্ৰোহৰ অগনি জ্বলাবই। অসমৰ দৰে উত্তৰ-পূৰৰ আনবোৰ ৰাজ্যই সদায় আন্দোলন নকৰে। সমাধান সূত্ৰ নোলোৱালৈকে নেৰে। আৰু আমি অসমীয়াই আৱেগক আগস্থান দি আন্দোলনত নামো, খঙো ধান খেৰৰ দৰে—এই আছে এই নাই। এজনে এটা কথা ক'লে আন দহজনে তাৰ বিৰুদ্ধে কয়। কাৰণ আমাৰ মানুহবোৰ উদাৰ, অতিথিপৰায়ণ আৰু 'সৰ্বভাৰতীয়'! নিজক লগা বস্তুটোও আনে বেয়া পাব বুলি নলওঁ, হাতত ধন নাথাকিলেও ধন থকা বুলি কওঁ। কেন্দ্ৰক বেয়া বুলি ক'লে আমাৰ খঙত টিকনি ছিগা হেন হয়। আন ৰাজ্যই কিন্তু তেনে নকৰে। বৰঞ্চ ভিন ভিন দল-উপদলো এক হৈ প্ৰাপ্যৰ বাবে দাবী সবল কৰে। বাঘে-ছাগে, সাপে-বেঙে সকলোটি মিলি থাকে। সেইগুণটো অসমীয়াৰ নাই। অসমীয়াৰে দুৰ্কপাল, হেম বৰুৱাৰ দৰে সব্যসাচী ৰাজনীতিত নায়েই বুলিব পাৰি।

আন্দোলনৰো এটা সীমা থকা দৰকাৰ। অসমত সেইটো সম্ভৱেই নহয়। মাহী আইৰ দৃষ্টিৰে বঞ্চিত-শোষিত অসমৰ এটাৰ পাছত আন এটা সমস্যা থাকেই থাকে। সেয়েহে অসমীয়াই কয়, আন্দোলন নকৰিলে কেন্দ্ৰই অসমক একো এটা নিদিয়ে। ৰাস্তা, ৰেল, বিমানকোঠৰ, দলং যিয়ে নহওক অসমীয়াক কেন্দ্ৰই অসমক বিনা আন্দোলনত কাহানিও দি পোৱা নাই।



আন্দোলনৰ ফলত পথ-ঘাট বন্ধ হয়, কেতিয়াবা একেলেথাৰিয়ে কে'বাদিনো। তেতিয়া অসমীয়াৰ নিজৰে বিলাই-বিপত্তি নোহোৱা হয়। হৰতালৰ ফলত একো এটা সিদ্ধ নহয়। জানিও অসমীয়াই বন্ধ ঘোষণা কৰে। তাকে নকৰিলে মুখৰ ভাত মুঠিও মৰা পৰে। সেয়েহে এসাঁজ নাখায়ো অসমীয়াই নিজৰ কাম কৰেই কৰে। কথাতে কয়, ল'ৰাই কান্দিলেহে মাকৰ দৃষ্টি আকৰ্ষণ কৰি গাখীৰ খাবলৈ পায়। অসমীয়াৰো সেয়ে দশা। কান্দিলেহে কেন্দ্ৰই কিবা এটা দলি মাৰি ভক্তৰ হাতত দি যায়। ভাষণত কিন্তু কেন্দ্ৰই অসমক সকলো দি থাকে, অসম কেন্দ্ৰৰ মৰমত ধন্য হৈ থাকে। বাস্তৱত কিমানখিনি পায়, সেয়া বিচাৰ্য বিষয়। শুনা কথা, কেন্দ্ৰই বানৰ সময়ত ঘোষণা কৰি দিয়া ধনৰাশিও বোলে সময় মতে নিদিয়ে। বানপীড়িত লাভবান হ'ব ক'ৰ পৰা?

বৰ্তমানৰ ভাৰতৰ কথা চহকী প্ৰধানমন্ত্ৰীজনে অসমৰ চিন্তাত বহুত কথা কয়, কামতহে ৰূপায়িত হোৱাত পলম হয়। কেতিয়াবা তেওঁ কোৱা কথা বাস্তৱত ৰূপায়িত নহয়েই।

নাগৰিক সংশোধনী বিলখনৰ বিৰু বিৰুদ্ধাচৰণ কৰাৰ কাৰণে অসমীয়াৰ অভূতপূৰ্ব সঁহাৰি দেখি সংসদীয় কমিটী স্তব্ধ হৈ গ'ল। আঙুলি কাটি বা বুকুৰ তেজেৰে লিখি অসমীয়াই তাৰ বিৰুদ্ধে স্মাৰকপত্ৰ দিছে। অসমীয়া ইমান আৱেগিক! হাত-ভৰি কাটি কিয় আত্মহত্যা কৰিলেও অসমীয়াৰ হৈ কোনেও নাকান্দে। গতিকে নিজৰ শৰীৰে দুখ পোৱা কোনো কাম অসমীয়াই নকৰক যেন। সাহসেৰে প্ৰতিবাদ কৰক, লিখি দিয়ক, শ্ল'গান দিয়ক প্ৰয়োজন হ'লে আন্দোলন কৰক। পুলিচৰ গুলিত অসমত বাৰে বাৰে নাগৰিকৰ মৃত্যু হোৱাটো এতিয়া এটা স্বাভাৱিক ঘটনা। জীয়ৰী-বোৱাৰী ধৰ্ষিতা হোৱা ঘটনা অসমৰ বাবে কোনো নতুন কথা নহয়। কেতিয়াবা কাশ্মীৰতকৈ অধিক আতিশয্য হয়। কেন্দ্ৰৰনো কি গা লৰিব, ৰাজ্য চৰকাৰেই কেৰেপ নকৰে। কংগ্ৰেছেও কৰা নাছিল। ৰাজ্য চলালে তেনে দুই এটা ঘটনা ঘটেই বুলি ভাবে। উত্তৰ-পূৱত যিমানবোৰ উগ্ৰবাদী সংগঠন আছে, সিমানবোৰ তেনে সংগঠন দেশখনৰ ক'তো নাই। আমাৰ দৰে তেনেই কেঁচা মানুহৰ ওচৰত সেইবোৰ হিচাপ নাথাকে। ক'ব পৰাইহে ক'ব পাৰিব। তথাপি কিন্তু অহিংস আন্দোলন কৰা সংগঠনেই বেছি। চৰকাৰেও সেয়েহে ভাবে বোধহয়, কৰক না আন্দোলন, তালৈ কাণ নিদিলেই হ'ল?

এই আপদীয়া দিনবোৰ কিন্তু সদায় একেদৰে চলি নাথাকিব। এইবোৰৰো পৰিৱৰ্তন হ'ব। এই পৰিৱৰ্তনবোৰ বোধহয় সুখৰ নহ'ব, শান্তিৰ নহ'ব। সদায় কোব খাই থাকিলে ঢৰাসাপেও ফোঁচকৈ উঠে। ক্ষমতাত থকা নেতাবোৰে এই কথাবোৰ বিবেচনা কৰি চোৱা উচিত। অসমৰ মুখ্যমন্ত্ৰীজন কেৱল কোনো এটা বিশেষ দলৰ নহয়, তেওঁ সকলোৰে মুখ্যমন্ত্ৰী। গতিকে তেওঁ কাৰোবাক আদৰোতে ভৰি চুই সেৱা কৰাৰ কোনো যুক্তি নাই, প্ৰণাম কৰিলেই সেৱা কৰাকে বুজায়। আমি আশা কৰিম তেওঁ অসমৰ হৈ বলিষ্ঠ কণ্ঠে মাত মাতি অসম-অসমীয়াৰ মান ৰাখিব।

*ফোন ঃ ৯৪৩৫৪ ৮৬১৯৩*

# দেশত পুনৰ দৈনিক আক্ৰান্ত ১২ হেজাৰৰ ঊৰ্ধ্বত, বাঢ়িল মৃত্যুও



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ আগষ্ট ঃ** বিগত দুদিন ধৰি দৈনিক কৰ'না সংক্ৰমণ ১০ হেজাৰৰ তলত আছিল যদিও যোৱা ২৪ ঘণ্টাত দৈনিক আক্ৰান্তৰ সংখ্যাই পুনৰ ১২ হেজাৰৰ সীমা অতিক্ৰম কৰিলে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ১২,৬০৮ জন লোক। বুধবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৯০৬২ জন। বিগত এদিনত মহাৰাষ্ট্ৰত ১৮০০, নতুন দিল্লীত ১৬৫২, কেৰালাত ১১৫১, কৰ্ণাটকত ৮৮৬ আৰু হাৰিয়ানাত ৭২৫ জন লোক ক'ভিডত আক্ৰান্ত হ'ল। ইফালে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত দেশৰ বিভিন্ন ৰাজ্যত দেশৰ ২৪ ঘণ্টাত ৭২ জন লোকৰ মৃত্যু হ'ল। কেৰালাত ২৯, দিল্লীত আঠ, মহাৰাষ্ট্ৰত ছয়, হাৰিয়ানাত পাঁচ, পশ্চিমবংগ আৰু পঞ্জাবত চাৰি আৰু কৰ্ণাটকত তিনিজন ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

# ৰুশ্বডি এতিয়াও জীৱিত? হতবাক আক্ৰমণকাৰী হাদি মাটাৰ



**নিউজ ব্যুৰ', লণ্ডন, ১৮ আগষ্ট ঃ** বুকাৰজয়ী বিতৰ্কিত লেখক ছলমান ৰুশ্বডিক যোৱা ১২ আগষ্টত হাদি মাটাৰ নামৰ এজন যুৱকে ছুৰীৰে আঘাত হানি আক্ৰমণ কৰিছিল। এই ঘটনাত গুৰুতৰভাৱে আহত হোৱা বিশ্বখ্যাত লেখকজন সম্প্ৰতি চিকিৎসাধীন হৈ আছে। চিকিৎসকে প্ৰকাশ কৰা অনুসৰি, লাহে লাহে সুস্থ হ'বলৈ ধৰিছে ৰুশ্বডি। ৰুশ্বডি সুস্থ হোৱাৰ বাতৰি লাভ কৰি অবাক হ'ল আক্ৰমণকাৰী মাটাৰ। এই সন্দৰ্ভত আক্ৰমণকাৰীয়ে মন্তব্য কৰি কয়, 'যেতিয়া শুনা পালো তেওঁ বাচি গ'ল, মই অবাক হৈছিলো। মই উক্ত ব্যক্তিক (ছলমান ৰুশ্বডি) পছন্দ নকৰিছিলো। তেওঁক মই এজন ভাল মানুহ বুলি নাভাবো। আমি আয়াতুল্লাহক সন্মান কৰো। মই ভাবো যে আয়াতুল্লাহ এজন মহান ব্যক্তি। ছলমান ৰুশ্বডিয়ে আমাৰ ধৰ্মীয় বিশ্বাস, ইছলামক আক্ৰমণ কৰিছিল।' ৰুশ্বডিক হত্যাৰ উদ্দেশ্যে আক্ৰমণ কৰাৰ মাটাৰে লগতে প্ৰকাশ কৰা অনুসৰি, ৰুশ্বডিয়ে লিখা বহু বিতৰ্কিত গ্ৰন্থ 'দ্য ছাটানিক ভাৰ্চেছ'ৰ প্ৰথম কেইটামান পৃষ্ঠা তেওঁ পঢ়িছিল।

# পাকিস্তানী ধৰ্মীয় গুৰুৱে মোক হত্যা কৰিব বিচাৰে ঃ টুইটাৰত দাবী তছলিমাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ আগষ্ট ঃ** ছলমান ৰুশ্বডিক হত্যাৰ উদ্দেশ্যে আক্ৰমণ চলোৱাৰ পাছত নিজৰ জীৱনক লৈ শংকিত হৈছে স্বনিৰ্বাসিত বাংলাদেশী লেখিকা তছলিমা নাছৰিন। টুইটাৰত এজন ধৰ্মীয় গুৰুৰ এক ভিডিঅ' শ্বেয়াৰ কৰি তছলিমাই কয় যে পাকিস্তানৰ ধৰ্মীয় গুৰুৱে তেওঁক হত্যা কৰিব বিচাৰিছে। টুইটাৰত তছলিমাই এইদৰে কয়, 'এইজন ধৰ্মীয় গুৰুৱে মোক হত্যা কৰিব বিচাৰিছে আৰু তেওঁ ইছলামৰ নামত লাখ লাখ পাকিস্তানী চৰমপন্থীক মোক হত্যা কৰিবলৈ প্ৰৰোচিত কৰিছে। এনে নহয় যে মোৰ বিৰুদ্ধে ঘোষণা কৰা ফটোৱা এইসকল মৌলবাদীয়ে পাহৰি গৈছে। তেওঁলোকে ফটোৱা কেতিয়াও নাপাহৰে আৰু সুযোগ পালেই মোক হত্যা কৰিব।'

# পশ্চিম চীনত বান, ভূমিস্খলনত ১৭ জন লোকৰ মৃত্যু, ৩৬ সন্ধানহীন



**নিউজ ব্যুৰ', বেইজিং, ১৮ আগষ্ট ঃ** চীনৰ পশ্চিমৰ কিংঘাই প্ৰদেশত আজি হঠাতে হোৱা বান আৰু ভূমিস্খলনৰ ঘটনাত কমেও ১৬ জন লোকৰ মৃত্যু হ'ল। স্থানীয় দুৰ্যোগ প্ৰশমন বিভাগে প্ৰকাশ কৰা অনুসৰি, বান আৰু ভূমিস্খলনৰ পাছৰে পৰা পশ্চিম চীনৰ এই প্ৰদেশত ৩৬ জন লোক সন্ধানহীন হৈ আছে। প্ৰশাসনে অঞ্চলটোত উদ্ধাৰ কাৰ্য আৰম্ভ কৰিছে। হঠাতে হোৱা বানৰ ফলত ৪,০৩,৩৬৮ জনসংখ্যাৰ অঞ্চলটোত কমেও ছয় হেজাৰ লোক আৰু ডেৰ হেজাৰ বাসগৃহ প্ৰভাৱিত হ'ল।

# কাবুলৰ মছজিদত জেহাদীৰ বিস্ফোৰণত কমেও ২০ জনৰ মৃত্যু, আহত ৪০



**নিউজ ব্যুৰ', কাবুল, ১৮ আগষ্ট ঃ** পুনৰ ভয়াবহ বিস্ফোৰণত কঁপি উঠিল আফগানিস্তানৰ ৰাজধানী কাবুল। কালি বিয়লি বেলা কাবুলৰ খানা অঞ্চলত এটা মছজিদত আত্মঘাতী জেহাদীয়ে সংঘটিত কৰা বোমা বিস্ফোৰণৰ ঘটনাত কমেও ২০ জন লোকৰ মৃত্যু হয়। এই বিস্ফোৰণত কমেও ৪০ জন লোক গুৰুতৰভাৱে আহত হৈছে। আক্ৰমণৰ স'তে ইছলামিক ষ্টেট (আইছিছ) জড়িত থকা বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে শেহতীয়াভাৱে জেহাদীয়ে আফগানিস্তানত পুনৰ সক্ৰিয় হৈ উঠিছে।



# ধৰ্ষণৰ গোচৰত বিপদত বিজেপিৰ প্ৰভাৱশালী নেতা শ্বাহনৱাজ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৮ আগষ্ট ঃ** বিজেপি নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী শ্বাহনৱাজ হুছেইনক ৰক্ষাকবচ দিবলৈ অস্বীকাৰ কৰিলে দিল্লী উচ্চ ন্যায়ালয়ে। আদালতে দিল্লী আৰক্ষীক অবিলম্বে মহিলাক ধৰ্ষণৰ অভিযোগত হুছেইনৰ বিৰুদ্ধে এফ আই আৰ দাখিল কৰিবলৈ নিৰ্দেশ দিলে। তদুপৰি উচ্চ ন্যায়ালয়ে তিনি মাহৰ ভিতৰত এই অভিযোগৰ তদন্ত সম্পূৰ্ণ কৰি অভিযোগনামা দাখিল কৰিবলৈকো নিৰ্দেশ দিলে। উল্লেখ্য যে ২০১৮ বৰ্ষত দিল্লীৰ এগৰাকী মহিলাই প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীজনৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ উত্থাপন কৰিছিল। এই গোচৰৰ সন্দৰ্ভত আজি আদালতে হুছেইনৰ বিৰুদ্ধে ততালিকে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দিল্লী আৰক্ষীক নিৰ্দেশ দিলে। ধৰ্ষণৰ দৰে গুৰুতৰ অপৰাধৰ ক্ষেত্ৰত বিজেপি নেতাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ ক্ষেত্ৰত আৰক্ষীয়ে বিলম্ব কৰাত উচ্চ ন্যায়ালয়ে আজি দিল্লী আৰক্ষীক কঠোৰভাৱে ভৎসৰ্না কৰে।

## ক'ভিড অতিমাৰী-ইউক্ৰেইন যুদ্ধত জনসংখ্যা যথেষ্ট হ্ৰাস পালে ৰাছিয়াত

# ১০ সন্তান জন্ম দিলে পুটিনে দিব ধনৰ পুৰস্কাৰ ঃ জনসংখ্যা বৃদ্ধিৰ কৌশল



**নিউজ ব্যুৰ' মস্কো, ১৮ আগষ্ট ঃ** এতিয়াৰে পৰা কমেও ১০ টা সন্তান জন্ম দিব লাগিব ৰুছ মহিলাই। ইয়াৰ বাবদ উক্ত মহিলাই লাভ কৰিব চৰকাৰৰ পৰা নগদ ধনৰ পুৰস্কাৰ। এনে এক আচৰিত যুক্তিৰ ঘোষণা কৰিছে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে। ক'ভিড অতিমাৰীৰ পাছতে ইউক্ৰেইনৰ স'তে যুদ্ধত লিপ্ত হোৱা ৰাছিয়াত সম্প্ৰতি জনসংখ্যা যথেষ্ট হ্ৰাস পাইছে। সেয়েহে দেশক পুনৰ জনবহুল কৰিবলৈ নতুন কৌশল গ্ৰহণ কৰিলে ৰুছ ৰাষ্ট্ৰপতিয়ে। অৱশ্যে পুটিনৰ এই আঁচনিক লৈ বিশেষজ্ঞসকলে উদ্বেগ প্ৰকাশ কৰিছে। ৰাছিয়াৰ নিৰাপত্তা বিশেষজ্ঞ জেনি মেথাৰ্চে এই কথা প্ৰকাশ কৰি কয়, 'প্ৰতিগৰাকী ৰুছ মহিলাই ১০ টাকৈ সন্তান জন্ম দিব লাগিব। মহিলাৰ দশম সন্তানৰ এবছৰ বয়স হোৱাৰ পাছতে এককালীন নগদ ধন চৰকাৰে প্ৰদান কৰিব। অৱশ্যে আৰ্থিক সাহায্য লাভৰ অন্যতম চৰ্ত হৈছে, প্ৰতিটো সন্তান সুস্থ আৰু জীৱিত থাকিব লাগিব। সকলো বিষয় পৰীক্ষা কৰি ৰুছ চৰকাৰে ১০ টা সুস্থ-সবল জীৱিত সন্তানৰ মাতৃক এক নিযুত ৰুবল প্ৰদান কৰিব। ভাৰতীয় মুদ্ৰাত এই ধনৰ পৰিমাণ হ'ব ১৩ লাখ টকা। এই প্ৰকল্পৰ নাম ৰখা হৈছে 'মাডাৰ হিৰ'ইন'। প্ৰকাশিত বাতৰি অনুসৰি ৰাছিয়াত ক'ভিড সংক্ৰমণত বৰ্তমানলৈকে যথেষ্ট সংখ্যক লোকৰ মৃত্যু হ'ল। একেদৰে ইউক্ৰেইনৰ স'তে অব্যাহত থকা যুদ্ধতো কমেও ৫০ হেজাৰ ৰুছ সৈনিকৰ ইতিমধ্যে মৃত্যু হৈছে। সেয়েহে দেশখনত জনসংখ্যা বৃদ্ধিৰ এক কৌশল হিচাপে পুটিন প্ৰশাসনে ১০ সন্তান জন্ম দিয়াৰ বাবে ৰুছ মহিলাক অনুপ্ৰাণিত কৰিব বিচাৰিছে। ১৯৯০ বৰ্ষৰ পাছৰে পৰা ৰাছিয়াৰ জনসংখ্যা তেনেদৰে বৃদ্ধি হোৱা নাই। বৰঞ্চ ক'ভিড আৰু যুদ্ধৰ ফলত শেহতীয়াভাৱে দেশখনৰ জনসংখ্যা যথেষ্ট হ্ৰাস পালে। অৱশ্যে একাংশ লোকে পুটিনৰ এই আঁচনিক সমালোচনা কৰি কৈছে যে মাত্ৰ ১৩ লাখ টকাৰে ১০ টাকৈ সন্তান প্ৰতিপালন কৰাটো কেনেকৈ সম্ভৱ হ'ব। তদুপৰি শাৰীৰিকভাৱেও এগৰাকী মহিলাই ১০ টাকৈ সন্তান জন্ম দিয়াটো যথেষ্ট বিপজ্জনক বুলি বিশেষজ্ঞই মত প্ৰকাশ কৰিছে।

# মন্দিৰৰ আয়ৰ ভাগক লৈ উত্তাল অযোধ্যা, সাধুৰ মাজত হ'ল সংঘৰ্ষ



**নিউজ ব্যুৰ', অযোধ্যা, ১৮ আগষ্ট ঃ** উত্তৰ প্ৰদেশৰ অযোধ্যাত থকা নৰসিংহ মন্দিৰৰ পৰিচালনাৰ দায়িত্ব আৰু আয়ৰ ধনৰ অধিকাৰক লৈ সংঘৰ্ষত লিপ্ত হ'ল সাধুৰ দুই গোষ্ঠী। বৃহস্পতিবাৰে পুৱাতে কম প্ৰাবল্যৰ বোমা বিস্ফোৰণৰ ঘটনাও অযোধ্যাত সংঘটিত হ'ল। পুৱা চাৰি বজাতে পৰিচালন সমিতিৰ দুটা গোষ্ঠীৰ সাধুৰ মাজত হোৱা বিবাদে কম সময়ৰ ভিতৰতে ভয়াৱহ ৰূপ ধাৰণ কৰাত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈছিল। একাধিক মহন্ত, সাধু আৰু সন্ন্যাসীয়ে নৰসিংহ মন্দিৰৰ পৰিচালনা ক্ষমতা আৰু আয়ৰ ভাগ বাটোৱাৰাক লৈ বিবাদত লিপ্ত হৈছিল আৰু সংঘৰ্ষই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। অৱশ্যে ঘটনাস্থলীত উপস্থিত হৈ আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। আৰক্ষীয়ে অৱশ্যে বোমা বিস্ফোৰণৰ কথা অস্বীকাৰ কৰি শক্তিশালী ফটকা ফুটোৱা বুলি দাবী কৰে। ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে কে'বাজনো সাধুক আটক কৰে। অৱশ্যে এই ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে কোনো গোচৰ ৰুজু কৰা নাই।

# কৃষি মন্ত্ৰীৰ দায়িত্ব লাভৰ পাছতে পুনৰ চৰ্চিত হৈছে সুধাকৰৰ পূৰ্বৰ চাউল কেলেংকাৰি

**নিউজ ব্যুৰ' পাটনা, ১৮ আগষ্ট ঃ** বিহাৰত নীতিশ কুমাৰে মহাগটবন্ধন চৰকাৰ গঠন কৰাৰ পাছত মন্ত্ৰীসকলক বিভাগ বিতৰণ কৰিলে। নীতিশে বিহাৰৰ কৃষিমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰিলে আৰ জে ডিৰ নেতা সুধাকৰ সিঙক। সুধাকৰে কৃষি বিভাগৰ দায়িত্ব লাভ কৰাৰ পাছতে ২০১৩ত বিহাৰত সংঘটিত হোৱা চাউল কেলেংকাৰিৰ প্ৰসংগ পুনৰ চৰ্চিত হৈছে। ২০১৩তে সুধাকৰৰ বিৰুদ্ধে চৰকাৰী চাউল মুকলি বজাৰত বিক্ৰী কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল আৰু এই গোচৰৰ বিচাৰ আদালতত চলি আছে। অৱশ্যে মন্ত্ৰী সুধাকৰে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অস্বীকাৰ কৰিছিল। ২০১৩ বৰ্ষত তদানীন্তন বিহাৰৰ এন ডি এ চৰকাৰে সুধাকৰৰ বিৰুদ্ধে চাউল কেলেংকাৰি সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰিছিল। সেই সময়ত চৰকাৰৰ মুৰব্বী আছিল নীতিশ কুমাৰ। আৰ জে ডিৰ বিহাৰৰ তদানীন্তন মুৰব্বী জগদানন্দ সিঙৰ পুত্ৰ সুধাকৰ সিঙৰ ধানৰ মিলে বিহাৰ চৰকাৰৰ স'তে ধান সংসাধনৰ বাবে চুক্তি কৰিছিল। ইয়াৰ পাছত চৰকাৰৰ পৰা লাভ কৰা ধান সুধাকৰৰ মিলে চৰকাৰক সংসাধন কৰি ওভতাই নিদিয়াৰ অভিযোগ উত্থাপিত হৈছিল। উত্থাপিত অভিযোগ অনুসৰি চৰকাৰৰ পৰা বৃহৎ পৰিমাণৰ ধান সংগ্ৰহ কৰি সেয়া



চাউল হিচাপে মুকলি বজাৰত বিক্ৰী কৰি সুধাকৰে বৃহৎ পৰিমাণৰ মুনাফা অৰ্জন কৰিছিল। পৰিসংখ্যা অনুসৰি, সুধাকৰে ১৫৭৩ কোটি টকাৰ চাউল কেলেংকাৰি সংঘটিত কৰিছিল। চাউল কেলেংকাৰিত জড়িত থকা সুধাকৰক নীতিশে নতুন চৰকাৰত কৃষি মন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰাক লৈ সেয়েহে সামাজিক মাধ্যমত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# দেশবিৰোধী প্ৰচাৰ চলোৱাৰ অভিযোগত আঠটা ইউটিউব চেনেল কেন্দ্ৰই কৰিলে বন্ধ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ আগষ্ট ঃ** কেন্দ্ৰৰ চৰকাৰে আজি ভুৱা বাতৰি আৰু ভাৰত বিৰোধী বা-বাতৰি প্ৰচাৰৰ অভিযোগত সাতটা ভাৰতীয় আৰু এটা পাকিস্তানী ইউটিউব চেনেল 'ব্লক' কৰিলে। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে আজি এক বিবৃতিৰ জৰিয়তে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, 'ব্লক' কৰা চেনেলকেইটাৰ মুঠ ৮৫ লাখৰো অধিক 'ছাবস্ক্ৰাইবাৰ' আৰু ১১৪ কোটিৰো অধিক দৰ্শক সংখ্যা আছিল। মন্ত্ৰণালয়ে বিবৃতিত এইদৰে উল্লেখ কৰিছে, 'এইসমূহ ইউটিউব চেনেলৰ উদ্দেশ্য আছিল ভাৰতত বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ মাজত ঘৃণা সৃষ্টি কৰা। তদুপৰি একাধিক উচটনিমূলক বিষয়বস্তু প্ৰচাৰ কৰাৰ লগতে ভিত্তিহীন ভিডিঅ'ৰ মাধ্যমেৰে ভুৱা বাতৰি ইউটিউব চেনেলকেইটাই অপপ্ৰচাৰ কৰিছিল। ভাৰতৰ সাৰ্বভৌমত্ব, অখণ্ডতা, ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ক্ষতিকাৰক হোৱা হেতুকে চেনেলেকেইটা বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হ'ল। তথ্য প্ৰযুক্তি আইন ২০০০ৰ ৬৯ (এ) ধাৰাৰ অধীনত এইসমূহ চেনেল দেশত বন্ধ কৰা হ'ল।'

# কৰ'নাৰ পাছত এইবাৰ দিল্লীত ছোৱাইন ফ্লুৰ আতংক, বিশেষজ্ঞৰ সকীয়নি



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ আগষ্ট ঃ** দিল্লীত কৰ'নাৰ সংক্ৰমণ বৃদ্ধিৰ মাজতে নতুন আতংক সৃষ্টি কৰিলে ছোৱাইন ফ্লুৱে। বিশেষজ্ঞই দিয়া সকীয়নি অনুসৰি ৰাষ্ট্ৰীয় ৰাজধানীত ছোৱাইন ফ্লুসহ অন্যান্য সংক্ৰমিত ৰোগৰ প্ৰকোপ আগন্তুক সময়ত বৃদ্ধি পাব পাৰে। দিল্লীত ছোৱাইন ফ্লুৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিশেষজ্ঞই জনসাধাৰণক মাস্ক পৰিধানৰ লগতে সামাজিক দূৰত্ব মানি চলিবলৈ পৰামৰ্শ দিলে। চিকিৎসকে কয় যে ছোৱাইন ফ্লুৰ উপসৰ্গ সাধাৰণ চৰ্দি, জ্বৰৰ দৰে হোৱা হেতুকে সৰহ সংখ্যক লোকে ইয়াক সাধাৰণভাৱে গ্ৰহণ কৰে আৰু ফলত অধিক সংখ্যক লোক এই ৰোগত সংক্ৰমিত হোৱাৰ শংকা থাকে। 'ছোৱাইন ফ্লুত আক্ৰান্ত হ'লে ৰোগীৰ ডিঙিত খেচখেচনি, পেটৰ বিষ, কাহ হোৱাৰ লগতে শ্বাস-প্ৰশ্বাসৰ সমস্যাই দেখা দিব পাৰে। সেয়েহে লক্ষণ প্ৰকট হ'লে চিকিৎসকৰ পৰামৰ্শ আৰু প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰা উচিত।' চিকিৎসকে এইদৰে কয়।

# গুজৰাটত ন প্ৰাৰ্থীৰে দ্বিতীয় তালিকা প্ৰকাশ কৰিলে আপে

**নিউজ ব্যুৰ', আহমেদাবাদ, ১৮ আগষ্ট ঃ** চলিত বৰ্ষৰ অন্তিম ভাগত গুজৰাটত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনৰ বাবে বিশেষ তৎপৰতা প্ৰদৰ্শন কৰিছে অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টি (আপ)-য়ে। কিছুদিন পূৰ্বে দলটোৱে প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল। আজি আপে গুজৰাট বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে দলৰ দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিলে। এই তালিকাত কেজৰিৱালৰ দলটোৱে নজন প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত কৰিছে। উল্লেখ্য যে যোৱা দুই আগষ্টত আপে প্ৰকাশ কৰা প্ৰাৰ্থীৰ প্ৰথমখন তালিকাত ১০ জন প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত কৰিছিল। গুজৰাট বিধানসভাৰ ১৮২ সমষ্টিৰ ১৯ টা



সমষ্টিৰ বাবে আপে ইতিমধ্যে প্ৰাৰ্থী ঘোষণা কৰিলে। উল্লেখ্য যে যোৱাবাৰৰ বিধানসভাৰ নিৰ্বাচনত বিজেপিয়ে গুজৰাটত ৯৯ সমষ্টিত জয়লাভ কৰিছিল। কংগ্ৰেছে এই নিৰ্বাচনত ৭৭ সমষ্টিত জয়লাভ কৰিছিল।

# ১৫ দিনত দিল্লীত দ্বিগুণ হ'ল চিকিৎসাধীন কৰ'না ৰোগীৰ সংখ্যা

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ আগষ্ট ঃ** মাত্ৰ ১৫ দিনতে দিল্লীত দ্বিগুণ বৃদ্ধি পালে কৰ'নাত আক্ৰান্ত হৈ চিকিৎসাধীন হোৱা ৰোগীৰ সংখ্যা। একে সময়তে দেশৰ ৰাজধানীত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা বৃদ্ধিয়েও নতুন উদ্বেগ সৃষ্টি কৰিছে। যোৱা পহিলা আগষ্টত দিল্লীত চিকিৎসাধীন হোৱা ক'ভিড ৰোগীৰ সংখ্যা আছিল ৩.২৩ শতাংশ। এই হাৰ ১৭ আগষ্টত ৬.২৩ শতাংশলৈ বৃদ্ধি পালে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি পহিলা আগষ্টত দিল্লীত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা আছিল ৪,২৭৪ জন। কালি ৰাষ্ট্ৰীয় ৰাজধানীত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা আছিল ৬,৮০৯ জনলৈ বৃদ্ধি পালে। দিল্লীৰ লোকনায়ক হাস্পতালৰ সঞ্চালক ডাঃ সুৰেশ কুমাৰে প্ৰকাশ কৰা অনুসৰি বিগত ১০ দিনত ৰাজধানীত চিকিৎসালয়ত ভৰ্তি হোৱা ক'ভিড ৰোগীৰ সংখ্যা




যথেষ্ট বৃদ্ধি পাইছে। অধ্যয়নত লাভ কৰা তথ্য অনুসৰি ক'ভিড আক্ৰান্তসকলৰ সৰহ সংখ্যকে হৈছে নতুন প্ৰজাতিৰ অ'মিক্ৰনত সংক্ৰমিত। তদুপৰি ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক গ্ৰহণ কৰা লোকৰ মাজত সংক্ৰমণ অধিক প্ৰত্যক্ষ হৈছে বুলি ডাঃ কুমাৰে জানিবলৈ দিয়ে।

# আমাক নিৰ্ভয়ে জীয়াই থকাৰ অধিকাৰ ঘূৰাই দিয়ক, আহ্বান বিলকিছ বানুৰ

**নিউজ ব্যুৰ', আহমেদাবাদ, ১৮ আগষ্ট ঃ** নাৰকীয় অপৰাধৰ পাছতে কাৰাগাৰৰ পৰা মুক্তি লাভ কৰিলে ১১ জন ধৰ্ষণকাৰীয়ে। এই ঘটনাৰ ৪৮ ঘণ্টাৰ পাছত প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে গুজৰাটৰ ধৰ্ষণপীড়িতা বিলকিছ বানুৱে। গুজৰাটৰ বিজেপি চৰকাৰক কাতৰভাৱে অনুৰোধ জনাই বানুৱে কয়, 'নিৰ্ভয়ে, শান্তিৰে জীয়াই থকাৰ অধিকাৰ আমাক ওভতাই দিয়ক। অনুগ্ৰহ কৰি মোৰ আৰু মোৰ পৰিয়ালৰ নিৰাপত্তা নিশ্চিত কৰক।' বানুৰ ধৰ্ষণকাৰীক মুক্তি দিয়াক লৈ সম্প্ৰতি দেশজুৰি বিতৰ্ক তুংগত আছে। প্ৰশাসনৰ এনে সিদ্ধান্তত হতভম্ব হ'ল বানুৰ পৰিয়াল। ঘটনাৰ সন্দৰ্ভত বানুৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে প্ৰশাসনৰ এনে পদক্ষেপৰ ফলত বিচাৰ ব্যৱস্থাৰ প্ৰতি থকা আস্থা আহত হ'ল। বানুৱে কয়, 'কোনো নিৰ্যাতিতা মহিলাৰ প্ৰতি এয়া ন্যায় নেকি? মই দেশৰ বিচাৰ ব্যৱস্থাত ভৰসা কৰিছিলো। প্ৰশাসনক বিশ্বাস কৰিছিলো। লাহে লাহে



নিজৰ যন্ত্ৰণাক লৈ জীয়াই থাকিবলৈ শিকিছিলো। মোৰ এই বেদনা, কষ্ট কেৱল নিজৰ বাবেই নহয়; বৰঞ্চ সেইসকলো মহিলাৰ বাবে যিসকলে সুবিচাৰৰ বাবে আদালতত সংগ্ৰাম কৰিছে। এনে এক ডাঙৰ সিদ্ধান্ত লোৱাৰ পূৰ্বে কোনেও এবাৰ আমাৰ নিৰাপত্তা অথবা আমি কেনে আছো, সেয়া জানিব নিবিচাৰিলে।' এই প্ৰতিক্ৰিয়াৰ লগতে গুজৰাট প্ৰশাসনক বানুৱে অনুৰোধ জনাই নিৰাপদে জীয়াই থকাৰ অধিকাৰ প্ৰদানৰ দাবী উত্থাপন কৰিলে। উল্লেখ্য যে ২০০২ বৰ্ষত গোধৰা হিংসা কাণ্ডৰ সময়ত ২১ বছৰ বয়সীয়া বানুক দলবদ্ধ ধৰ্ষণ কৰা হৈছিল। দীৰ্ঘ বিচাৰৰ পাছত এই ধৰ্ষণ কাণ্ডত ১১ জন অভিযুক্তক দোষী সাব্যস্ত কৰি মুম্বাইৰ চি বি আইৰ বিশেষ আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিছিল। ১৪ বছৰ কাৰাগাৰত থকাৰ পাছত গুজৰাট চৰকাৰে যোৱা ১৫ আগষ্টত কাৰাগাৰৰ পৰা মুক্তি দিলে উক্ত ১১ ধৰ্ষণ অপৰাধীক।



# বিজেপিত যোগদান কৰিব আৰ চি পি সিঙে

**নিউজ ব্যুৰ' পাটনা, ১৮ আগষ্ট ঃ** বিহাৰত নতুন চৰকাৰ গঠন হোৱাৰ পাছত জে ডি ইউৰ প্ৰাক্তন নেতা আৰ চি পি সিঙে আজি সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী নীতিশ কুমাৰক কঠোৰভাৱে সমালোচনা কৰে। সিঙে মন্তব্য কৰি কয় যে সাত জনম গ্ৰহণ কৰিলেও নীতিশে প্ৰধানমন্ত্ৰী হ'ব নোৱাৰিব। জে ডি ইউৰ প্ৰাক্তন নেতাজনে আজি সংবাদ মাধ্যমৰ আগত কয় যে তেওঁ বিজেপিত যোগদান কৰিব। 'নীতিশ কুমাৰে বিহাৰৰ জনতাক প্ৰতাৰণা কৰিলে। তেওঁক ইয়াৰ প্ৰত্যুত্তৰ দিব লাগিব। নীতিশ কুমাৰে মুখ্যমন্ত্ৰীৰ আসনৰ বাবে যিকোনো দলৰে হাত মিলাব পাৰে।' সিঙে এইদৰে কয়।

# বিহাৰত ১০ লাখক নিযুক্তিৰ প্ৰসংগত প্ৰশান্তই ক'লে, 'সত্য হ'লে মই পুনৰ নীতিশৰ চৰণত'

**নিউজ ব্যুৰ', পাটনা, ১৮ আগষ্ট ঃ** নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে আকৌ এবাৰ বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰক প্ৰত্যাহ্বান জনালে। আৰ জে ডিৰ সমৰ্থনত বিহাৰত নতুন চৰকাৰ গঠন কৰি ৰাজনৈতিক চমক দিয়া মুখ্যমন্ত্ৰী নীতিশ কুমাৰে অলপতে কৈছিল যে তেওঁৰ চৰকাৰে আগন্তুক দুবছৰত ৰাজ্যখনত ১০ লাখ লোকক চৰকাৰী চাকৰিত নিযুক্তি দিব। নীতিশৰ এই প্ৰতিশ্ৰুতিৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া



প্ৰকাশ কৰি নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্তই কয় যে নীতিশ চৰকাৰে ১০ লাখক চৰকাৰী চাকৰি দিলে তেওঁ নিজৰ জন সুৰাজ অভিযান প্ৰত্যাহাৰ কৰিব। '১০ লাখ লোকে যদি চাকৰি লাভ কৰে, তেন্তে মই এতিয়াই জন সুৰাজ অভিযান প্ৰত্যাহ্বান কৰিম। তেওঁকে নেতা মানিম। পুনৰ নীতিশকে শৰণ ল'ম। চৰকাৰে ১০ লাখ চাকৰি ক'ৰ পৰা সৃষ্টি কৰিব? যিসকলে চাকৰি কৰি আছে তেওঁলোকক বেতন দিব পৰা নাই চৰকাৰে। জনতাক মূৰ্খ সজোৱা হৈছে।'

# দেশৰ চহৰত নিবনুৱাৰ হাৰ এবছৰৰ সৰ্বোচ্চ হ'ল



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ আগষ্ট ঃ** ভাৰতৰ চহৰ অঞ্চলত চলিত মাহৰ প্ৰথম ১৫ দিনত নিবনুৱাৰ হাৰ ৯.৩৫ শতাংশলৈ বৃদ্ধি পালে। ২০২১ৰ আগষ্টৰ পাছত দেশত চহৰত নিবনুৱাৰ হাৰ সৰ্বাধিক হ'ল। ২০২১ৰ আগষ্টত চহৰত নিবনুৱাৰ হাৰ আছিল ৯.৭৫ শতাংশ। চলিত মাহত দেশৰ গ্ৰামাঞ্চলত নিবনুৱাৰ হাৰ ৭.১৮ শতাংশ হৈছে। উল্লেখ্য যে গ্ৰামাঞ্চলত যোৱা জুনত নিবনুৱাৰ হাৰ ৮.০৩ আৰু জুলাইত ৬.১৪ শতাংশ আছিল।

# জামিন আবেদন নাকচ, পুনৰ ১৪ দিনৰ ন্যায়িক জিম্মালৈ পাৰ্থ-অৰ্পিতা



**নিউজ ব্যুৰ', কলকাতা, ১৮ আগষ্ট ঃ** পশ্চিমবংগৰ প্ৰাক্তন মন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নিলম্বিত নেতা পাৰ্থ চেটাৰ্জী আৰু তেওঁৰ ঘনিষ্ঠ অৰ্পিতা মুখাৰ্জীৰ আজি বেংকশাল আদালতে পুনৰ ১৪ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আদালতৰ ন্যায়িক নিৰ্দেশনাৰ ফলত অহা ৩১ আগষ্ট পৰ্যন্ত কাৰাগাৰতে থাকিব লাগিব পাৰ্থ-অৰ্পিতা। আজি পাৰ্থৰ অধিবক্তাই একাধিক কাৰণ প্ৰদৰ্শনৰে জামিনৰ বাবে আদালতত আবেদন জনাইছিল। কিন্তু উক্ত জামিন আবেদন প্ৰত্যাখ্যান কৰিলে বিচাৰকে। কাৰাগাৰত থকাৰ সময়ছোৱাত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ তদন্তকাৰী বিষয়াই পাৰ্থ আৰু অৰ্পিতাক প্ৰয়োজনত সোধা-পোছা কৰিব পাৰিব বুলি আদালতে অনুমতি দিয়ে।

# সৰ্ব ভক্ষ হুতাশন অগ্নি



**বেদৰ** দেৱতা সম্পৰ্কে যাস্কই কৈছে— 'তিশ্ৰ এব দেৱতা।' দেৱতা মাত্ৰ তিনিজন। তেওঁলোক হ'ল অগ্নি, ইন্দ্ৰ বা বায়ু আৰু সূৰ্য। অধিষ্ঠান অনুসৰি অগ্নি পাৰ্থিৱ দেৱতা, ইন্দ্ৰ বা বায়ু অন্তৰীক্ষিয় দেৱতা আৰু সূৰ্য দিব্য বা স্বৰ্গীয় দেৱতা; কিন্তু অগ্নি বৈদিক যুগৰ অন্যতম প্ৰধান দেৱতা। ঋগ্‌বেদত প্ৰায় দুশ সুক্তত অগ্নিৰ স্তুতি কৰা হৈছে। ঋগ্‌বেদৰ প্ৰাৰম্ভই হৈছে 'অগ্নিমীড়ে পুৰোহিতম...' ইত্যাদি অগ্নিৰ স্তুতিবাচক মন্ত্ৰৰ দ্বাৰা আৰু শেষো হৈছে অগ্নিৰ স্তুতিৰ দ্বাৰা। যজ্ঞত দেৱতাসকলৰ উদ্দেশ্যে অগ্নিত ঘিউ, পুৰোডাশ আদি বস্তু আহুতি দিয়া হয়। আহুতি দিয়া বস্তুবোৰ অগ্নিয়ে দেৱতাসকললৈ বহন কৰি লৈ যায়। দেৱতাসকলে অগ্নিৰ সহায়েৰে যজ্ঞত আহুতি দিয়া বস্তুবোৰ গ্ৰহণ কৰে কাৰণে 'অগ্নিৰ্মুখং প্ৰথমং দেৱানাম্' অৰ্থাৎ অগ্নিক দেৱতাসকলৰ প্ৰধান মুখ বুলি কোৱা হয়। উক্ত কাৰণে অগ্নিৰ এটা নাম 'হব্যবাহন'। ঋগ্‌বেদৰ 'অগ্নে দূতো বিশামসি' ইত্যাদি মন্ত্ৰত অগ্নিক দেৱতা আৰু মানুহৰ দূত বুলি কোৱা হৈছে।

মহাভাৰতৰ আদি পৰ্বত আছে দৈত্যৰাজ বৈশ্বানৰৰ পুলোমা নামে এক সুন্দৰী কন্যা আছিল। সেই কন্যাক একে নামৰ (পুলোমা) দৈত্য এজনে ভাৰ্যাৰূপে পাবলৈ বিচাৰিছিল; কিন্তু কন্যাৰ পিতৃ-মাতৃয়ে কন্যাক অগ্নিক সাক্ষী কৰি ভৃগুমুনিলৈ সম্প্ৰদান কৰে। পুলোমা দৈত্যই এই কামত অসন্তুষ্ট হৈ তাৰ পোটক তুলিবলৈ সময়-সুযোগ বিচাৰি আছিল। ইতিমধ্যে বৈশ্বানৰৰ কন্যা মহৰ্ষি ভৃগুৰ সহবাসত গৰ্ভৱতী হয়। এদিন ভৃগুমুনি নিত্য নৈমিত্তিক কৰ্মৰ বাবে স্নান কৰিবলৈ যোৱাত পত্নী আশ্ৰমত অকলে থাকিল। ভৃগু মুনিৰ অনুপস্থিতিত পুলোমা নামৰ দৈত্যটো আহি ভৃগু মুনিৰ আশ্ৰমত উপস্থিত হ'ল। পাপাত্মাই আশ্ৰমত প্ৰৱেশ কৰি ভৃগু পত্নীৰ মনোহাৰিণী ৰূপ দেখি সি কন্দৰ্প শৰত (কাম ভাবত) জৰ্জৰিত হ'ল; কিন্তু সামান্যভাৱে হ'লেও ভৃগু পত্নী পুলোমাৰ প্ৰতি সন্দেহ ওপজাত আশ্ৰমৰ যজ্ঞ গৃহত জ্বলি থকা অগ্নিক দেখি তেওঁৰ ওচৰলৈ গৈ সুধিলে। হে অগ্নি, তুমি কোৱাচোন, মই আগতে তেওঁক সহধৰ্মিণীৰূপে বৰণ কৰিছিলো; কিন্তু পিতৃ-মাতৃয়ে মোক কন্যাদান নকৰি মহৰ্ষি ভৃগুক সম্প্ৰদান কৰিলে। যদি এওঁ ভৃগু ভাৰ্যা হয় তেন্তে কোৱা মই এতিয়াই এওঁক অপহৰণ কৰো। ভৃগুৱে মোৰ সুৰূপা ৰমণীৰ পাণিগ্ৰহণ কৰিছে। সেই ক্ৰোধত মোৰ হৃদয় আজিও ক্ষুব্ধ। দৈত্যই ভৃগু পত্নীৰ বিষয়ে দেৱতাৰ মুখ্য অগ্নিক বাৰে বাৰে সোধাত অগ্নি বিমোৰত পৰিল। তেওঁ দৈত্যৰ কথা শুনি মনতে ভাবিলে এপিনে মিছা কথা, আনপিনে ভৃগু মুনিৰ অভিশাপ। এই দুই সংকটৰ মাজত পৰি অতিশয় দুখ মনেৰে ক'লে— হে দানৱ নন্দন, তুমি এওঁক আগতে পত্নীৰূপে বৰণ কৰিছিলা সঁচা, কিন্তু তুমি এওঁক যথাবিধি বিবাহ কৰোৱা নাই। পিতৃ-মাতৃয়ে এওঁক বেদ বিহিত হোমযজ্ঞ কৰি মহৰ্ষি ভৃগু মুনিৰ হাতত সমৰ্পণ কৰিছে। তুমি আগেয়ে বৰণ কৰা এই জনীয়েই দৈত্যৰাজ বৈশ্বানৰৰ কন্যা পুলোমা। মই মিছা ক'ব নোৱাৰো, কাৰণ মিথ্যাবাদী সকলো ঠাইতে অনাদৃত হয়। তুমি এওঁক অপহৰণ নকৰিবা। দৈত্যই অগ্নিৰ কথা শুনি লগে লগে বৰাহৰূপ ধাৰণ কৰি ভৃগু পত্নীক হৰণ কৰিলে। পুলোমাক হৰণ কৰাৰ লগে লগে তেওঁৰ গৰ্ভস্থ সন্তান খঙতে ওলাই আহিল (চ্যুত হ'ল) সেয়েহে নাম 'চ্যৱন'। চ্যৱন মুনিৰ জন্ম হোৱা মাত্ৰে নৱজাত সেই শিশুৰ তেজৰ প্ৰভাৱত দৈত্য পুৰি মৰি থাকিল। দুঃখাভিভূতা পুলোমাই পুত্ৰ চ্যৱনক কোলাত লৈ কান্দি কান্দি আশ্ৰমৰ গৃহলৈ যাওঁতে তেওঁৰ চকুৰ পৰা নিজৰা পানী ধাৰাৰ দ্বাৰা এখন মহানদী বৈ গ'ল। ব্ৰহ্মাই সেই নদীক আশ্ৰমলৈ গৈ থকা পুত্ৰ-বধূ পুলোমাক অনুসৰণ কৰা দেখি সেই নদীখনৰ নাম থ'লে 'বধূসৰা'।

**ৰমেশ চন্দ্ৰ গোস্বামী**

> **হে শিখাধাৰী, তোমাৰ শৰীৰৰ নিম্ন-বায়বীয় অংশৰ শিখাবোৰেই সকলোকে ভক্ষণ কৰিব আৰু তোমাৰ মাংস ভক্ষণশীল যিবোৰ শৰীৰ আছে সেই শৰীৰ সমূহেই সকলোকে ভক্ষণ কৰিব। কিন্তু সূৰ্য ৰশ্মিৰ সংস্পৰ্শত যিদৰে সকলো বস্তু পৱিত্ৰ হয় সেইদৰে তোমাৰ শিখাৰ দ্বাৰা দগ্ধ হোৱা সকলো বস্তুৱেই পৱিত্ৰতা লাভ কৰিব।**

সেই সময়ত মহৰ্ষি ভৃগু গংগাত স্নান কৰি উলটি আহি পত্নী আৰু কোলাত শিশুক দেখি ক্ৰোধান্বিত হৈ পত্নীক সকলো কথা সুধিলে। পত্নীয়ে সকলো কথা আঁতি গুৰি মাৰি কোৱাত ভৃগুমুনি খঙত অগ্নি শৰ্মা হৈ পুলোমাৰ পৰিচয় দিয়া বাবে অগ্নিক 'সৰ্বভুক হোৱা' অৰ্থাৎ 'সৰ্বভক্ষ হুতাশন হবি' বুলি অভিশাপ দিয়ে। মহৰ্ষি ভৃগুৱে অগ্নিক অভিশাপ দিয়াত অগ্নি ক্ৰুদ্ধ হৈ ক'লে— হে মহৰ্ষি আপুনি মোক দিয়া অভিশাপ উচিত হোৱা নাই। কিয়নো সত্য কথা সোধাত সত্যভাৱে প্ৰত্যুত্তৰ দিয়াত মোৰ কি দোষ হ'ল মই নুবুজিলো। কিয়নো সুধিলে যি সাক্ষীয়ে জানিও আন প্ৰকাৰে উত্তৰ দিয়ে, তেওঁৰ পূৰ্বৰ সাতপুৰুষ আৰু তলৰ সাতপুৰুষ বিনাশ হয়। সেয়ে আচল কথা জানিও প্ৰকাশ নকৰে, তেৰোঁ সেই একে পাপতেই লিপ্ত হয়। হে মহৰ্ষি ময়ো তোমাক শাপ দিবলৈ সমৰ্থ, কিন্তু যিহেতু ব্ৰাহ্মণসকল মোৰ মাননীয়, সেইবাবে মই তোমাক শাপ নিদিওঁ। হে ব্ৰাহ্মণ, তুমি সকলো জানা, তথাপি কওঁ শুনা। মই যোগ বলেৰে আত্মাক নানাভাৱে বিভক্ত কৰি বিভিন্ন মূৰ্তিৰে অগ্নিহোত্ৰ, পুৰোডাস আদি বিবিধ ক্ৰিয়া আৰু যজ্ঞত অধিষ্ঠান কৰো। যজ্ঞত আহুতি দিয়া বস্তুবোৰ ময়ে দেৱতাসকললৈ বহন কৰি লৈ যাওঁ। মই (অগ্নি) চিৰ তৰুণ। কাৰণ অগ্নি প্ৰতিদিনে জ্বলোৱা হয়। মই পঞ্চ মহাভূতৰ সদস্য। মই পৃথিৱীৰ দেৱতা হ'লেও স্বৰ্গ আৰু মৰ্ত্যৰ যোগাযোগ ৰক্ষা কৰো। এনে গুণৰ অধিকাৰী হৈ মই কেনেকৈ 'সৰ্বভুক হুতাশন' হ'লো?

অগ্নিৰ এনেদৰে কিছু সময় চিন্তা কৰি দেৱতাৰ উদ্দেশ্যে যজ্ঞত দিয়া আহুতি গ্ৰহণ নকৰে বুলি যজ্ঞভূমিৰ পৰা অন্তৰ্ধান হয়। অগ্নিৰ অভাৱত পৃথিৱীৰ যাগ-যজ্ঞ লোপ পোৱাত পৃথিৱী ধ্বংসৰ পিনে গতি কৰিব বুলি ঋষি-মুনি উদ্বিগ্ন হৈ ব্ৰহ্মাৰ ওচৰলৈ গৈ অগ্নিৰ অভিশাপৰ বৃত্তান্ত কৈ এই অৱস্থাত যি বিধেয় তাকে কৰিবলৈ ব্ৰহ্মাৰ ওচৰত প্ৰাৰ্থনা কৰে। তেওঁলোকৰ কথা শুনি বিশ্বস্ৰষ্টা ব্ৰহ্মাই অক্ষয়ভূত স্ৰষ্টা অগ্নিক মাতি নি সুমধুৰ বাক্যৰে ক'লে— হে অগ্নি, তুমিয়েই সকলো লোকৰ কৰ্তা, তুমিয়েই সকলো লোকৰ সংহৰ্তা, তুমিয়েই তিনিও লোকৰ পালন কৰ্তা, তুমিয়েই অগ্নিহোত্ৰ আদি সকলো ক্ৰিয়াৰ একমাত্ৰ প্ৰৱৰ্তক। গতিকে তুমি সমগ্ৰ শৰীৰেৰে সৰ্বভক্ষক হুতাশন নোহোৱা। হে শিখাধাৰী, তোমাৰ শৰীৰৰ নিম্ন-বায়বীয় অংশৰ শিখাবোৰেই সকলোকে ভক্ষণ কৰিব আৰু তোমাৰ মাংস ভক্ষণশীল যিবোৰ শৰীৰ আছে সেই শৰীৰ সমূহেই সকলোকে ভক্ষণ কৰিব। কিন্তু সূৰ্য ৰশ্মিৰ সংস্পৰ্শত যিদৰে সকলো বস্তু পৱিত্ৰ হয় সেইদৰে তোমাৰ শিখাৰ দ্বাৰা দগ্ধ হোৱা সকলো বস্তুৱেই পৱিত্ৰতা লাভ কৰিব। তেতিয়া অগ্নিয়ে পিতামহ ব্ৰহ্মাক 'এনেকুৱাই হ'ব' বুলি কৈ ব্ৰহ্মাৰ আজ্ঞা পালন কৰিবলৈ আঁতৰি গ'ল। ঋষি-মুনি. দেৱতাসকলে অগ্নি শাপমুক্ত হোৱা কাৰণে হৰ্ষান্বিত হ'ল।

# জ্ঞানৰ সত্যাপন

**জ্ঞান অবিহনে ৰূপান্তৰণ নহয় আৰু জ্ঞানপ্ৰাপ্তিৰে হোৱা ৰূপান্তৰণ অবিহনে পৰমবোধৰ দৰে পৰমপ্ৰাপ্তিও সম্ভৱ নহয়। 'সত্য'ক বুজিবৰ বাবেই লাগিব জ্ঞান, যাৰ দ্বাৰাহে 'বিশ্বাস'ৰ আধাৰ গঠিত হয় আৰু সেই স্থিতিয়ে ব্যক্তিক পৰমবোধ প্ৰদান কৰে**

**বিদ্বান** ব্যক্তিসকলৰ বৰ্ণনা দিবলৈ গৈ পৰমপ্ৰভু আল্লাই কৈছে, **"আল্লাহৰ দাসসকলৰ মাজৰ যিসকল জ্ঞানী তেওঁলোকেই মোক ভয় কৰে" (কোৰাণ ৩৫ : ৩৮)**। পয়গম্বৰ হজৰত মহম্মদে (দঃ) কৈছে, **'জ্ঞানান্বেষণ কৰাটো প্ৰত্যেক মুছলিম নৰ-নাৰীৰ বাবে বাধ্যতামূলক।'** তেওঁ আৰু কৈছে **"জ্ঞানৰ সন্ধান কৰা, এনেকি সেই সন্ধানত চীন দেশলৈ যাব লগা হ'লেও তালৈ যোৱা।'** জ্ঞান প্ৰাচুৰ্যময় আৰু জীৱন সংক্ষিপ্ত। সেয়ে সকলো ধৰণৰ জ্ঞান-বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰাটো সম্ভৱ আৰু বাস্তৱ নহয় বাবেই বাধ্যতামূলক বুলি ধৰি ল'ব নালাগে। বাস্তৱতাৰ নীতিৰ স'তে সংগতি ৰাখিহে প্ৰয়োজনীয়তা আৰু যথাৰ্থতা নিৰূপণ কৰা যায়। কোৱা হয়, নিশাৰ (প্ৰাৰ্থনাৰ) সময় জনাৰ বাবে যিমানখিনি জনাৰ প্ৰয়োজন, সিমানখিনি জ্যোতিৰ্বিজ্ঞান জনাটোৱেই যথেষ্ট, যিহেতু জ্যোতিৰ্বিজ্ঞান বিষয়টি ইমানেই অপাৰ যে জ্যোতিৰ্বিজ্ঞান চৰ্চাৰ স'তে সম্পৰ্ক নথকা সাধাৰণ ব্যক্তি এজনৰ পক্ষে তেওঁৰ দৈনন্দিন কৰ্ম আৰু চিন্তা অব্যাহত ৰখাৰ বাবে অতি প্ৰয়োজনীয় আৰু সহজবোধৰ কিছুমানকহে যথেষ্ট বোলা হয়। সেইদৰে যি ক্ষতিকাৰক, তাৰ পৰা যি ঔষধে দূৰে ৰাখে সেই চিকিৎসাই যথেষ্ট। সা-সম্পত্তিৰ ভাগ বুজি লোৱাৰ বাবে, ব্যৱসায়ৰ লেনদেনৰ বাবে প্ৰয়োজনীয় যিমানখিনি অথবা নিৰ্দিষ্ট নীতি পালনৰ বাবে নিৰ্ধাৰিত সময়সীমা জনাৰ বাবে যিমানখিনি অংক জনাৰ প্ৰয়োজন সিমানেই যথেষ্ট। শিক্ষা বা জ্ঞান কেৱল সিমানখিনিয়েই বাধ্যতামূলক যিমানখিনিয়ে সঠিকভাৱে কাম কৰাৰ শিক্ষা দিয়ে। পৱিত্ৰ কোৰাণে কৈছে, **'আল্লাই তেওঁলোকক নিন্দা কৰে যিসকলে অলাগতিয়াল বিদ্যা আয়ত্ত কৰে' (কো - ২ : ১০৮)**। আৰু আল্লাৰ নবীয়ে কৈছে যে **'যি জ্ঞানৰ পৰা কোনো লাভ নাই, মই তাৰ পৰা আপোনাৰ শৰণ লওঁ।'** সামান্য জ্ঞানেৰেই বহু কিছু কৰা যায় আৰু জ্ঞানক কৰ্মৰ পৰা বিচ্ছিন্ন কৰা উচিত নহয়। আল্লাৰ নবীয়ে কৈছিল, **'আল্লাহ-ভক্তিহীন ভক্ত হ'ল কল ঘূৰোৱা গাধৰ দৰে।'** কিয়নো গাধই কেৱল তাৰ পথ-ৰেখাত ঘূৰিয়েই মৰে, কেতিয়াও আগলৈ যাব নোৱাৰে।

কোনো কোনোৱে কামতকৈ জ্ঞানক অধিক প্ৰাধান্য দিয়ে। আকৌ কোনো কোনোৱে কামকেই প্ৰাথমিক গুৰুত্ব দিয়ে; কিন্তু দুয়োপক্ষৰে আছে কিছু ভুল। জ্ঞানৰ স'তে কৰ্মৰ সমন্বয় নঘটিলে প্ৰতিদান বা পুৰস্কাৰযোগ্য নহয়। যিদৰে উপাসনা বা নামাজ সঁচা উপাসনা বা নামাজ নহয় যদিহে সেয়া পৱিত্ৰকৰণৰ নীতিজ্ঞানসহ সম্পন্ন নহয়, যদি দিক্ বা কিবলা সম্পৰ্কিত জ্ঞান নাথাকে, যদি নাথাকে ইচ্ছা বা নিয়ত সম্পৰ্কিত জ্ঞান। সেইদৰে কৰ্মহীন জ্ঞানো জ্ঞান নহয়। শিক্ষা গ্ৰহণ কৰা আৰু স্মৰণ কৰা এনে কৰ্ম যাৰ বাবে মানুহে পৰকালত পুৰস্কৃত হয়। তেওঁ যদি কৰ্মহীন জ্ঞান অৰ্জন কৰে, অন্য কিবা অৰ্জন কৰিলেও সি কোনো পুৰস্কাৰ নাপায়। এই কাৰণেই দুই শ্ৰেণীৰ মানুহ বিভ্ৰান্তিত পৰে, এক শ্ৰেণীয়ে খ্যাতি অৰ্জনৰ বাবে জ্ঞানৰ দাবী কৰে, অথচ তাৰ চৰ্চা কৰাত অসমৰ্থ হয় আৰু বাস্তৱত সেয়া লাভ কৰিবলৈ অসমৰ্থ হয়। দ্বিতীয়তে যিসকলে যথেষ্ট চৰ্চা কৰাৰ ভাও ধৰে, সেই জ্ঞানো অপ্ৰয়োজনীয় হয়।

এগৰাকী মহান সন্ত ইব্ৰাহীম বিন আদহাম সম্বন্ধে কোৱা হয়—এদিন তেওঁ এটি শিলৰ টুকুৰা দেখা পায়, যাৰ ওপৰত লিখা আছিল **'মোক ওলোটাই দিয়া আৰু পঢ়া'**। তেওঁ তাকেই কৰিলে আৰু দেখিলে তাত লিখা আছিল **'তুমি যি জানা সেয়া নিজে পালন নকৰা। তেনেহ'লে তুমি যি নাজানা তাক বিচাৰিবলৈ গৈছা কিয়?'** আন এজন সন্ত আনাছ-বিন-মালিকে কৈছিল, **'জ্ঞানী ব্যক্তিয়ে জানিব বিচাৰে আৰু মুৰ্খই বিচাৰে বৰ্ণনা কৰিবলৈ।'** যিজনে তেওঁৰ জ্ঞানক ধন-সম্পত্তি, প্ৰভাৱ-প্ৰতিপত্তি আৰু মান-সন্মান লাভৰ উপায় হিচাপে ব্যৱহাৰ কৰে, তেওঁ অকণো বিদ্বান নহয়। জ্ঞানৰ সৰ্বোচ্চ শিখৰক এইদৰে প্ৰকাশ কৰা যায় যে ইয়াৰ বাহিৰে কোনেও আল্লাহক জানিব নোৱাৰে।

জ্ঞান দুই প্ৰকাৰৰ। ঐশী জ্ঞান আৰু মানৱীয় জ্ঞান। প্ৰথমটিৰ তুলনাত দ্বিতীয়টি নিকৃষ্ট, কিয়নো প্ৰভুৰ জ্ঞান স্বয়ং প্ৰভুৰ এটি অৱদান। প্ৰভুতেই সেয়া থাকে, যাৰ গুণৰ কোনো শেষ নাই আৰু আমাৰ জ্ঞান কেৱল আমাৰ এটি অৱদান, আমাৰ মাজতেই থাকে আৰু আমাৰ গুণ হ'ল সীমাবদ্ধ।

জ্ঞানৰ সংজ্ঞা দিয়া হৈছে এইদৰে— **"জ্ঞান হ'ল বস্তুৰ সামগ্ৰিক বোধ আৰু সমীক্ষা"**। কিন্তু ইয়াৰ উত্তম সংজ্ঞা হ'ব "এয়া হ'ল এটি গুণ, যাৰ সাহায্যৰে অজ্ঞক জ্ঞানী কৰা যায়"। প্ৰভুৰ জ্ঞান হ'ল সেই জ্ঞান যাৰ সাহায্যত তেওঁ অস্তিত্বময় আৰু অস্তিত্বহীন সকলো জানিব পাৰে। ইয়াত তেওঁ মানুহক অংশীদাৰ নকৰে। এইটো তেওঁৰ পৰা বিভাজিত কৰাও নাযায়, ভিন্ন কৰাও নাযায়। ইয়াৰ প্ৰমাণ স্থিত থাকে তেওঁৰ কৰ্মৰ মাজত আৰু কৰ্মই প্ৰতিনিধিৰ মাজত অপৰিহাৰ্য চৰ্ত হিচাপে জ্ঞানৰ দাবী কৰে। ঐশী জ্ঞানে গুপ্তক ভেদ কৰে আৰু প্ৰকাশ্যক হৃদয়ংগম কৰে। এই জ্ঞানে অনুসন্ধানকাৰীক প্ৰত্যেক কৰ্মত প্ৰভুৰ ধ্যানৰ বাবে উপযুক্ত কৰি তোলে। তেওঁ এই কথা জানি লয় যে প্ৰভুৱে তেওঁক দেখি আছে আৰু তেওঁ যি কিছু কৰিছে সেয়া দেখা পাব পাৰে। এই বিষয়টিৰ সন্দৰ্ভত কাহিনী এটি আছে—

*বছৰাৰ এজন নেতাবৰ্গৰ লোকে এদিন তেওঁৰ বাগিচাখনলৈ যাওঁতে হঠাতে সেই বাগিচাখনৰ মালিটোৰ সুন্দৰী পত্নীৰ ওপৰত তেওঁৰ চকু পৰে। মালিটোক তেওঁ কোনো এক কামত পঠিয়াই দি মহিলাগৰাকীৰ ওচৰলৈ গৈ ঘৰৰ দ্বাৰবোৰ বন্ধ কৰি দিবলৈ ক'লে। মানুহগৰাকীয়ে ক'লে যে এখনৰ বাহিৰে অন্য সকলোবোৰ দুৱাৰ তেওঁ বন্ধ কৰি দিছে। সেইখনহে তেওঁ বন্ধ কৰিব নোৱাৰে। মানুহজনে সুধিলে যে সেইখন কোনখন দ্বাৰ। মহিলাগৰাকীয়ে উত্তৰত ক'লে যে সেইখন আমাৰ আৰু প্ৰভুৰ মাজত থকা দ্বাৰখন। উত্তৰ শুনি লোকজন অনুতপ্ত হৈ তেওঁৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে।*

০ ০ ০ ০

জ্ঞানৰ উদ্দেশ্যে মানুহে প্ৰভু আৰু তেওঁৰ আদেশ-নিৰ্দেশক জনাটো উচিত। সময়জ্ঞান আৰু ভিতৰ-বাহিৰৰ যিবোৰ পৰিস্থিতিৰ ন্যায্য প্ৰতিক্ৰিয়া সময়ৰ ওপৰত নিৰ্ভৰশীল, সেয়া জানিবৰ বাবে সকলোৱেই দায়বদ্ধ। এয়া দুই ধৰণৰ— প্ৰাথমিক আৰু মাধ্যমিক। প্ৰথমটিৰ বাহিৰ অংশৰ ক্ষেত্ৰত পৰে বিশ্বাস অনাৰ বাবে ভক্তজনাৰ দ্বাৰা শপত গ্ৰহণ আৰু ভিতৰৰ অংশ হ'ল ইন্দ্ৰিয়লব্ধতাৰে কৰা সত্য জ্ঞানাৰ্জন। দ্বিতীয়টিৰ বাহিৰৰ অংশ থাকে ভক্তি চৰ্চাত আৰু ভিতৰৰ অংশটি হ'ল নিষ্ঠাৰ স'তে নিজ ইচ্ছাৰ চৰ্চা কৰা। বাহিৰ আৰু ভিতৰৰ উপাদান দুটিক বিচ্ছিন্ন কৰা নাযায়। সত্যৰ প্ৰকাশ্য অৱয়ৱত যদি গূঢ় বা গুপ্তভাৱ অভিব্যক্তি নাথাকে, তেনেহ'লে সেয়া হ'ল কপটতা। আৰু গূঢ়ৰ মাজত যদি বাহ্য অভিব্যক্তি নাথাকে, তেতিয়াহ'লে সেয়া হ'ল ধৰ্মবিৰুদ্ধতা, ধৰ্মনীতিৰ মতে কেৱল আনুষ্ঠানিকতা ত্ৰুটিপূৰ্ণ আৰু আধ্যাত্মিকতাও নিৰৰ্থক। সত্য জ্ঞানৰ আছে তিনিটা স্তম্ভ—(১)

**ডাঃ জাকিৰ হুচেইন**

প্ৰভুৰ অস্তিত্ব আৰু একত্বৰ জ্ঞান, (২) প্ৰভুৰ গুণসমূহৰ জ্ঞান আৰু (৩) প্ৰভুৰ কাৰ্যাৱলী আৰু প্ৰজ্ঞা সম্পৰ্কিত জ্ঞান।

যি লোক বিচাৰবুদ্ধিসম্পন্ন আৰু প্ৰাপ্তমনস্ক, তেওঁ স্বীকাৰ কৰে যে বাহ্যিকতাত প্ৰভু বিৰাজ কৰে তেওঁৰ অস্তিত্বৰ মাধ্যমত। তেওঁৰ অস্তিত্ব কোনো অকল্যাণৰ হেতু নহয়। তেওঁৰ কোনো সৃষ্টিয়েই তেওঁৰ তুল্য নহয়। তেওঁ কাৰো স্বামী বা পিতৃ নহয়। তেওঁ সকলোৰে স্ৰষ্টাহে আৰু প্ৰতিপালক। তেওঁ একক।

ঐশ্বৰিক গুণৰ জ্ঞান লাভ কৰিবৰ বাবে আমি জানিব লাগিব যে স্বয়ং প্ৰভুৰ মাজতেই আছে গুণসমূহ, যিবোৰ আকৌ তেওঁ নহয় বা তাৰ অংশও নহয়। তেওঁৰ মাজত মাত্ৰ সেয়া থাকে, তেৱেঁই সেয়া ৰাখে, যেনে—জ্ঞান, শক্তি, জীৱন, কামনা, শ্ৰৱণ, দৃষ্টি, বাকশক্তি ইত্যাদি।

ঐশ্বৰিক কাৰ্যাৱলীৰ জ্ঞান হ'ল আমাৰ নিজৰ জ্ঞান, সেয়া এয়ে যে প্ৰভু হ'ল মানৱ জাতি তথা তেওঁলোকৰ সমূহ কাজ-কৰ্মৰ স্ৰষ্টা। অস্তিত্বহীন বিশ্বক তেৱেঁই অস্তিত্বলৈ আনয়ন কৰে। শুভ-অশুভক পূৰ্বেই নিৰ্দিষ্ট কৰি দিয়ে। যি কিছু উপকাৰী বা অপকাৰী সকলোকেই তেওঁ সৃষ্টি কৰে।

জ্ঞানে (জ্ঞানক অস্বীকাৰ কৰাটো অসম্ভৱ। অজ্ঞতাৰ বাহিৰে জ্ঞানক অস্বীকাৰ কৰা নাযায়। অজ্ঞতা হ'ল নাস্তিকতা আৰু মিথ্যাবাদিতাৰেই সমধৰ্মী। কিয়নো অজ্ঞতাৰ স'তে সত্যৰ কোনো সম্পৰ্ক নাই। চুফীবাদ এনে এক বিষয় আৰু জীৱন প্ৰণালী, যি মাথো সত্যৰ ওপৰত প্ৰতিষ্ঠিত, যি কেৱল জ্ঞানৰ আধাৰত প্ৰাপ্ত আৰু য'ত অজ্ঞতাৰ কোনো স্থান নাই। কোৱা হৈছে, **"জ্ঞান হ'ল হৃদয়ৰ জীৱন, যি হৃদয়ক অজ্ঞতাৰ মৃত্যুৰ পৰা নিষ্কৃতি দিয়ে। এয়া হ'ল বিশ্বাসৰ চকুৰ আলোক, যি তেওঁক নাস্তিকতাৰ অন্ধকাৰৰ পৰা ৰক্ষা কৰে।"**



কিন্তু আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল জ্ঞাননো কাক কোৱা হয়। পঢ়া-শুনা বা দেখাৰ দ্বাৰা সংগৃহীত তথ্যবোৰকে জ্ঞান বোলা হয় নেকি? আমি ইতিপূৰ্বে কোৱা কথাবোৰৰ প্ৰাৰম্ভিকতে ঐক্ষৰিক বা শব্দৰ সংজ্ঞাবোৰৰ মাধ্যমেৰে গৃহীত তথ্যকে জ্ঞান বোলা হৈছে যদিও সেয়া মানুহৰ বাবে সম্পূৰ্ণ বিষয়বস্তুৰ এক প্ৰাথমিক চেতনা। চেতনাৰে লব্ধ হোৱা সংবাদ বা ইংগিত মন পৰিসৰত পূৰ্ণভাৱে জ্ঞাত হৈ অনুভূতি-ক্ৰিয়াৰ থলিলৈ গৈ উপনীত হৈ অনুভূতি বা উপলব্ধিৰ থলীক ক্ৰিয়াৰে সঞ্চাৰিত কৰিব লগিব। সেই পৰিসৰত জ্ঞানৰ বাবে কঢ়িয়াই অনা চেতনা বা সংবাদ মনুষ্য বুজৰ স্থিতিলৈ আহিব লাগিব। এইখিনিতে কোৱা হয় **'নুবুজিলে জানিব কিদৰে?'** এবাৰ দেখা-শুনা-পঢ়াৰ পৰা প্ৰাপ্য সংবাদ বা চেতনা সম্পূৰ্ণভাৱে বুজি উঠাৰ লগে লগে ব্যক্তিৰ অন্তৰ অচেতন স্থিতিৰ পৰা চেতন স্থিতিলৈ ৰূপান্তৰিত হয়। পূৰ্বতে যি চেতনা বা সংবাদে ব্যক্তিৰ অন্তৰক স্পৰ্শ কৰিব পৰা নাছিল, এতিয়া সেই চেতনা বা সংবাদে ব্যক্তিৰ অন্তৰক ক্ৰিয়াশীল কৰি তোলে। এইখিনিতে প্ৰভুৱে মনুষ্যক দান কৰা বিশেষ ক্ষমতা বা শক্তি যাক কোৱা হয় 'বুদ্ধি', সেয়াই এক বিতং স্পষ্টতা প্ৰদান কৰে আৰু তাৰ বাবে ক্ৰিয়াশীল চেতন পৰিসৰৰ স্থিতিৰে বোধগম্যতাৰ ক্ষমতাৰে ব্যক্তিক 'বোধ' প্ৰদান কৰে। 'বোধ' স্থিতিয়েই হ'ল আমাৰ জ্ঞানপ্ৰাপ্তিৰ এক পূৰ্ণ চেতন পৰ্যায়। 'বোধ' প্ৰাপ্ত হ'লেহে 'জ্ঞান' প্ৰাপ্ত হোৱা বুজায়। 'বোধ' প্ৰাপ্তি যদিওবা মনুষ্য সক্ষমতাৰ মাধ্যমেৰেই এক শীৰ্ষতম আৰু চূড়ান্ততম পৰ্যায়ত লাভ কৰা বিষয়, তথাপি এই প্ৰাপ্তি মনুষ্য ক্ষমতাৰ উৰ্ধতৰ বুলি গণ্য কৰা হয়। ইন্দ্ৰিয়লব্ধতাৰে প্ৰাপ্ত চেতনা মনুষ্যৰ অন্তৰাত্মাত ইতিপূৰ্বৰ পৰা সঞ্চিত জ্ঞানেহে উপলব্ধ কৰোৱায়। এই প্ৰক্ৰিয়াৰেহে সম্পূৰ্ণতাত বোধ প্ৰাপ্ত হয়। শাস্ত্ৰত উল্লেখিত কেইটামান কথালৈ দৃষ্টি আকৰ্ষণ কৰা হ'ল—

> **"Hath he knowledge of Unseen so that he seeth?"**
> *(Quran–LIII - 35)*

(আছেনে তেওঁৰ অদৃশ্যৰ বিষয়ে জ্ঞান যাতে তেওঁ দেখা পায়?)

আকৌ কোৱা হৈছে—

> **"But it is clear revelations in hearts of those who have been given Knowledge....."**
> *(Q. XXIX - 49)*

(বৰঞ্চ এয়া স্পষ্ট প্ৰকাশ্য সেইসকলৰ হৃদয়ত যিসকলক প্ৰদান কৰা হৈছে জ্ঞান।)

'বোধপ্ৰাপ্তি' অৱস্থাটিয়েই 'দেখা পোৱা' বা 'প্ৰকাশ্য।প্ৰাপ্ত' স্থিতি বুলি কোৱা হৈছে। ইয়াৰ দ্বাৰাই 'আন্ধাৰ দূৰিকৰণ' আৰু 'আলোকপ্ৰাপ্তি' বুলিও উল্লেখ কৰা হয়। কিন্তু এই আটাইবোৰেই জ্ঞানৰ দ্বাৰা বা জ্ঞানৰ মাধ্যমেৰেহে সম্ভৱ। উপৰিউক্তি কোৰাণৰ কথাকেইটাৰ পৰা এয়া স্পষ্ট হয় যে দৃশ্যমান বা প্ৰকাশ্যতাপ্ৰাপ্তিক যদি আমি 'বোধপ্ৰাপ্তি'ৰ স'তে ৰিজাওঁ, তেনেহ'লে 'জ্ঞান' সেই চূড়ান্ত প্ৰাপ্তিৰ বাবে মূল আধাৰ বা স্থিতি বুলি গ্ৰহণ কৰিব লাগিব। পৰমপ্ৰাপ্তিত আছে পৰমবোধ আৰু পৰমবোধতেই আমি প্ৰভুপ্ৰাপ্তিৰ বিষয় ইংগিত কৰো। এই আটাইবোৰ বিষয়েই ইন্দ্ৰিয়লব্ধ চেতনাৰ উৰ্ধৰ বা বাহ্যৰ। অন্তৰ বা হৃদয় বোলা পৰিসৰতহে এই ক্ৰিয়া-প্ৰক্ৰিয়াবোৰ সংঘটিত আৰু প্ৰাপ্ত হয়। এইখিনিতে আৰু এক সংজ্ঞাৰ আলোচনা আহে, যাৰ বিষয়ে আমি স্পষ্ট হ'ব লাগিব। সেয়া হ'ল ৰূপান্তৰণ। বহু ক্ষেত্ৰত 'সংশোধন' বোলা কথা এটা আহে যদিও পৰমবোধৰ ক্ষেত্ৰত সংশোধনেই মাধ্যম বা আধাৰৰ গাঁঠনি কৰিব পাৰে যদিও পৰমপ্ৰাপ্তি বিষয়টিক কেৱল সংশোধনে সাব্যস্ত কৰিব নোৱাৰে, তাত 'ৰূপান্তৰণ' বোলা প্ৰক্ৰিয়াৰ অপৰিহাৰ্যতা আছে। 'ৰূপান্তৰণ' প্ৰাপ্তিৰ ক্ষেত্ৰত দুটা প্ৰক্ৰিয়াৰ উদ্ধৃতি আহে, এটা হ'ল 'মৃত্যু' আৰু আনটো 'জন্ম'। এই জন্ম-মৃত্যু আকৌ শাৰীৰিক নহয়, চেতনা বা মন বিষয়ৰহে। এটাৰ মৃত্যু হ'লেহে সেই ঠাইত আন এটিৰ জন্ম হ'ব পাৰে। অজ্ঞতাৰ মৃত্যু হ'লেহে জ্ঞান উদয় বা জন্মিব পাৰে। এই প্ৰক্ৰিয়াটি কেৱল মাথো সৃষ্ট জগতৰ ক্ষেত্ৰতহে প্ৰযোজ্য বিষয়। অসৃষ্টজনাত এয়া প্ৰযোজ্য নহয়, সেয়ে তেওঁৰ ক্ষেত্ৰত 'ৰূপান্তৰণ' বিষয়টি বিৰহৃত নহয়। জ্ঞান অবিহনে ৰূপান্তৰণ নহয় আৰু জ্ঞানপ্ৰাপ্তিৰে হোৱা ৰূপান্তৰণ অবিহনে পৰমবোধৰ দৰে পৰমপ্ৰাপ্তিও সম্ভৱ নহয়। 'সত্য'ক বুজিবৰ বাবেই লাগিব জ্ঞান, যাৰ দ্বাৰাহে 'বিশ্বাস'ৰ আধাৰ গঠিত হয় আৰু সেই স্থিতিয়ে ব্যক্তিক পৰমবোধ প্ৰদান কৰে, তাকেই পৱিত্ৰ কোৰাণত এনেদৰে উল্লেখ কৰিছে—

> **"And that those who have been given Knowledge may know that it is the truth from the Lord, so that they may believe therein and their hearts may submit humbly unto Him."**
> *(Q. XXII - 54)*

*(আৰু যিসকলক জ্ঞান প্ৰদান কৰা হৈছে, (তেওঁলোকে) জানিব পাৰে এয়া তেওঁলোকৰ প্ৰভুৰ পৰা (পোৱা), যাতে তেওঁলোকে তাক বিশ্বাস কৰিব পাৰে আৰু তেওঁলোকৰ হৃদয়বোৰে তেওঁত (প্ৰভুত) বিনম্ৰতাৰে সমৰ্পণ কৰিব পাৰে।)*

*ফোন : ৯৮৬৪০২০৯৬৮*

# আল্লাহ ক'ত থাকে

(যোৱা সংখ্যাৰ পাছৰ পৰা)

**শে**ষ বিচাৰৰ দিনা আল্লাহ সোঁশৰীৰে উপস্থিত থাকি বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব আৰু সিদিনা মানুহে আল্লাহক দৰ্শনৰ সুযোগ লাভ কৰিব। তদুপৰি আল্লাই বেহেস্তীসকলক নিজ হাতেৰে পুৰস্কাৰ বিতৰণ কৰিব। বেহেস্তীসকলে বেহেস্তত (স্বৰ্গ) আল্লাহৰ প্ৰকৃত ৰূপত দৰ্শন কৰিব পাৰিব আৰু আল্লাহৰ অসীম সৌন্দৰ্য উপভোগ কৰাৰ লগতে অচেতন হৈ পৰিব। আল্লাহ যিহেতু দৃশ্যমান হ'ব সেয়ে তেওঁৰ এক নিৰ্দিষ্ট শাৰীৰিক গঠনো নিশ্চয় থাকিব কিন্তু আজি পৰ্যন্ত তেওঁৰ অৱয়ব মানৱ জাতিৰ জ্ঞানৰ অগোচৰে ৰৈ গৈছে। কিন্তু ভাৰত, বাংলাদেশৰ অনেক পৰহেজগাৰ দীনদাৰ বুদ্ধিজীৱী আলিমৰ লগতে ডাঃ জাকিৰ নায়কেও বিশ্বাস কৰে যে আল্লাহৰ শাৰীৰিক অৱয়ব আছে। আল্লাহ শাৰীৰিক অৱয়ৱৰ লগত জড়িত হৈ পৰিলে তেওঁ সীমাবদ্ধতাৰ মাজত সোমাই পৰে— আৰু পদাৰ্থ অবিহনে শৰীৰ গঠন অসম্ভৱ, শৰীৰ থাকিলে তাৰ ভৰ আৰু আয়তন থাকিব—যিটো আল্লাহৰ গুণৰ পৰিপন্থী।

আনহাতে, কোৰানৰ কিছুমান আয়াতে প্ৰতীয়মান কৰে যে আল্লাহ সৰ্বত্ৰ বিৰাজমান; কিন্তু এই ক্ষেত্ৰতো আলিম উলেমাসকলৰ মাজত মতভেদ পৰিলক্ষিত হয়। তলত কোৰানৰ কেইটামান বাক্য উল্লেখ কৰা হ'ল—

(১) পূব-পশ্চিম আল্লাহৰেই, যি ফালেই তুমি মুখ কৰা সেই ফালেই আল্লাহ (আল্লাহৰ মুখ, দিশ চেহেৰা)বিৰাজমান। নিশ্চয় আল্লাহ সৰ্বব্যাপী আৰু সৰ্বজ্ঞ। (চুৰা-বাকাৰা-আয়াত নম্বৰ ১১৫)।

(২) ..আৰু আমি তাৰ ডিঙিৰ সিৰাডালতকৈ ওচৰত থাকো' (চুৰা ক্বাফ্-আয়াত নম্বৰ -১৬)

(৩) ...নিশ্চয় তেওঁ সৰ্বশ্ৰোতা আৰু আমাৰ ওচৰতে বিৰাজমান।' (চুৰা চাবা আয়াত নম্বৰ ৫০)

(৪) (হে নবী) তুমি যি অৱস্থাতেই নাথাকা কিয় আৰু কোৰানৰ যি অংশৰ পৰাই পাঠ নকৰা কিয় আৰু তোমালোকে (হে মানুহবিলাক) যিয়েই নকৰা কিয় তোমালোকে সেই কামত লিপ্ত হৈ থকা সময়ত আমি তোমালোকৰ ওচৰতে থাকো...(চুৰা ইউনুছ আয়াত নম্বৰ ৬১)

(৫) মৃত্যুমুখী মানুহৰ প্ৰাণ যেতিয়া কণ্ঠৰ ওচৰ পায়হি, তেতিয়া তোমালোকে অসহায়ভাৱে চাই থাকা, তেতিয়া আমি তোমালোকতকৈ তেওঁৰ বেছি ওচৰত থাকো কিন্তু তোমালোকে দেখা নোপোৱা। (চুৰা ওৱাকিয়া আয়াত নম্বৰ ৮৩, ৮৪, ৮৫)। এই আয়াতবিলাকৰ পৰা স্পষ্টভাৱে বুজা যায় যে আল্লাহ সৰ্বত্ৰ বিৰাজমান। কিন্তু একাংশ আলিম তথা ইছলামী চিন্তাবিদে আল্লাহ সৰ্বত্ৰ বিৰাজমান, কথাষাৰ স্বীকাৰ কৰিব খোজা নাই। তেওঁলোকৰ মতে আল্লাহ সৰ্বত্ৰ বিৰাজমান এয়া— কুফৰী মতবাদ, আল্লাহ সৰ্বত্ৰ বিৰাজ বুলি যিসকলে বিশ্বাস কৰে তেওঁলোক কাফেৰ বা নাস্তিক। আল্লাই কেৱল জ্ঞান আৰু ক্ষমতাৰ দ্বাৰা বিশ্ব নিয়ন্ত্ৰণ কৰি আছে, শাৰীৰিকভাৱে সকলো ঠাইত উপস্থিত নাথাকে। তেওঁলোকৰ মতে আল্লাই সৃষ্টি প্ৰক্ৰিয়া সম্পন্ন কৰি আসনত অধিষ্ঠিত হৈ আছে। আল্লাহ নিৰাকাৰ এয়া ইছলামী আকিদা নহয়। তেওঁলোকৰ মতে যদি আল্লাহ সৰ্বত্ৰ বিৰাজমান হ'লহেঁতেন তেন্তে আল্লাই তেওঁৰ প্ৰিয় বন্ধু হজৰত মহম্মদ (চাঃ)ক বিশ্বব্ৰহ্মাণ্ডৰ শেষ প্ৰান্তৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ স্থানলৈ মাতি নপঠিয়ালেহেঁতেন। যিসকলে আল্লাহ সৰ্বত্ৰ বিৰাজমান বুলি বিশ্বাস কৰে তেওঁলোকে ইছলামৰ অতি গুৰুত্বপূৰ্ণ পৰিঘটনা 'মিৰাজ'কে অস্বীকাৰ কৰে আৰু 'মিৰাজ' অস্বীকাৰ কৰাসকল ইছলামৰ পৰা বাতিল হৈ যায়। যদিও আল্লাই কৈছে, আল্লাৰ বান্দাসকলে যি কৰে



বা যি অৱস্থাতেই নাথাকক কিয় তেওঁ সকলো দেখে বা শুনে, এই ক্ষেত্ৰত আল্লাহৰ অসীম ক্ষমতাৰ নিদৰ্শন পায়, তেওঁ সিংহাসনত থাকিলেও তেওঁৰ শ্ৰৱণশক্তি বা দৃষ্টিশক্তি বিশ্বৰ চুকে কোণে বিয়পি থাৰে, তাত সন্দেহ নাই। আল্লাহ বিপদে আপদে সকলো সময়তে বান্দাৰ লগত থাকে, ইয়াৰ অৰ্থ এই নহয় যে বান্দাই যিফালে গতি কৰে আল্লাই বান্দাক পিছে পিছে অনুসৰণ কৰি থাকে। আল্লাই বান্দাৰ লগত থাকাৰ অৰ্থ হ'ল আল্লাহৰ দয়া, মৰম, স্নেহ, ভালপোৱা, সহায়-সহানুভূতি, সাহায্যই বান্দাক আগুৰি ৰাখে যাৰ কৃপাত বান্দা আনন্দিত হয়। আনহাতে আল্লাৰ আনকেইটামান বাক্যই এনে অৰ্থ প্ৰকাশ কৰে, যেন আল্লাই স্বয়ং উপস্থিত থাকে, যেনে আল্লাই কয়— আমি তোমালোকৰ ডিঙিৰ সিৰা ডালতকৈ অধিক

**ইকবাল হুছেইন**

ওচৰত থাকো আৰু মুমূৰ্যু ব্যক্তিৰ প্ৰাণ যেতিয়া কণ্ঠনলীত উপস্থিত হয় তেতিয়া তোমালোকতকৈ মই বেছি ওচৰত থাকো কিন্তু তোমালোকে দেখা নোপোৱা। ইয়াত দেখা নোপোৱাৰ কথা যিহেতু উল্লেখ কৰা হৈছে। সেয়ে তেওঁ শাৰীৰিকভাৱেই উপস্থিত থকাটো নিৰ্দেশ কৰে। কিন্তু কিছুমানৰ মতে শাৰীৰিকভাৱে উপস্থিত থাকিলে আল্লাহৰ মান-মৰ্যাদাৰ হানি ঘটে। কোৰান শ্বৰীফ বা হাদীছ গ্ৰন্থসমূহ বাথৰূম বা টয়লেটৰ দৰে স্থানত ৰাখিব নোৱাৰি সেইবাবে আল্লাহক বাথৰূম, টয়লেট, স্বামী-স্ত্ৰীৰ শয়ন কক্ষত প্ৰৱেশৰ অনুমতি দিব নোৱাৰি, অৰ্থাৎ আল্লাহ সৰ্বত্ৰ বিৰাজমান হ'ব নোৱাৰে। বিশ্বব্ৰহ্মাণ্ডৰ সকলো বিধি-বিধান স্বয়ং আল্লাহৰেই সৃষ্টি। পৃথিৱীত সকলো প্ৰাণীয়ে মুক্তভাৱে যৌন ক্ৰিয়াত লিপ্ত হয়। আল্লাহই সকলো দেখে বা শুনে অৰ্থাৎ সকলো বৈধ বা অবৈধ ক্ৰিয়াকলাপো দেখে, সেইবোৰ দেখিলে আল্লাহৰ মান সন্মান লাঘৱ নহ'বনে? তেন্তে উপস্থিত থকা-নথকাৰ কিবা অৰ্থ থাকেনে? অষ্টম বা নৱম শতাব্দীত পশ্চিমৰ ইছলামিক ৰাষ্ট্ৰসমূহত ভাৰতীয় হিন্দু শাস্ত্ৰ বেদ, পুৰান, গীতা, মহাভাৰত আদি গ্ৰন্থসমূহ তাৰ স্থানীয় ভাষাত অণূদিত হোৱাত মুছলমানসকলে জানিবলৈ সক্ষম হয় যে ঈশ্বৰ, ভগৱান, কৃষ্ণ, শিৱ-পাৰ্বতী আদি পূজনীয় দেৱ-দেৱীসকল সৰ্বত্ৰ বিৰাজমান। হিন্দু শাস্ত্ৰমতে য'ত জীৱ ত'ত শিৱ। এই ধাৰণা উপলব্ধি হোৱাৰ পাছত ইছলামী পণ্ডিতসকলে কেৱল হিন্দু মতবাদৰ বিৰোধিতা কৰাৰ বাবে আল্লাহক নিজৰ আসনত আবদ্ধ কৰি ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা চলোৱা হ'ল। জ্বিন, পৰী, ফিৰিস্তা, ইবলিচ আদিসকলে মুহূৰ্ততে ভিন্ন ৰূপ ধাৰণ কৰি য'তে-ত'তে প্ৰৱেশ কৰিব পাৰে অথচ আল্লাই নোৱাৰে—ই যুক্তি সংগত নে? আধুনিক প্ৰযুক্তিবিদ্যাৰ যুগত টিভি, ম'বাইল কম্পিউটাৰ আদিৰ সাহায্যত এজন ব্যক্তিৰ প্ৰতিকৃতি কোটি কোটি মানুহৰ সন্মুখত দৃশ্যমান হ'ব পাৰে, সেয়ে অসীম ক্ষমতাবান মহাপৰাক্ৰমীশালী আল্লাহৰ ক্ষেত্ৰত সকলো সম্ভৱ।

পৃথিৱী সৌৰজগতৰ এটি মজলীয়া গ্ৰহ। ই গোলকাকৃতিৰ গোলকীয় পৃষ্ঠৰ যিকোনো স্থানৰ অসীম দূৰত্বলৈ আকাশ বিয়পি আছে। এতিয়ালৈকে কোৰানত উল্লেখ থকা সাতখন আকাশ বিজ্ঞানীসকলে বিচাৰি পোৱা নাই আৰু মুছলিম আলিম উলেমাসকলৰ সাত আকাশৰ যি ধাৰণা সেয়া অতি বিভ্ৰান্তিকৰ, ই সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। মহাকাশ সম্বন্ধে মানৱ জাতিৰ জ্ঞান অতি সীমিত তথাপি শেহতীয়া ধাৰণা মতে বিশ্বব্ৰহ্মাণ্ডখনক ১৩.৭ বিলিয়ন আলোকবৰ্ষৰ ব্যাসাৰ্দ্ধৰ এক গোলকীয় পৃষ্ঠৰ মাজত আবদ্ধ কৰি ৰখা হৈছে। ভৱিষ্যতে জেম্‌ছ ৱেব স্পেচ, টেলিস্কোপে বিশ্বৰ ধাৰণাৰ আমূল পৰিৱৰ্তন আনি দিব পাৰে। কোৰানৰ মতে সাতখন আকাশৰ ওপৰত আল্লাহৰ আসন (আৰচ্ কুৰচি) অৱস্থিত আৰু আসনৰ ওপৰত আল্লাই অৱস্থান কৰি আছে। 'ওপৰত' শব্দটোৰ আপেক্ষিক। আমি চন্দ্ৰটো মূৰৰ ওপৰত দেখা পাওঁ আৰু চন্দ্ৰলৈ গ'লে আমি পৃথিৱীখনক আমাৰ মূৰৰ ওপৰত দেখিবলৈ পাম। পৃথিৱীৰ আশে-পাশে থকা বস্তুৰ ক্ষেত্ৰত 'তল', 'ওপৰ', কথাষাৰ প্ৰযোজ্য কিন্তু মহাকাশত ওপৰত, তলত, সোঁফালে, বাওঁফালে আদি শব্দবোৰ অচল হৈ পৰে। পৃথিৱী সদায় গতিশীল আৰু ঘূৰ্ণনশীল আৰু আমাৰ দিশ পৰিৱৰ্তন হৈ থাকে। আল্লাহৰ আসন ভূ-পৃষ্ঠৰ পৰা মহাকাশৰ কোনটো দিশে অৱস্থান কৰি আছে, তাক কোনেও উল্লেখ নকৰে, ই কেৱল আনুমানিক ধাৰণা পোষণ কৰে, সঠিক তথ্য দিবলৈ সকলোৱে অপাৰগ।

পূৰ্বে উল্লেখ কৰা হাদীছৰ তথ্যমতে প্ৰতি নিশা শেষৰ ফালে আল্লাহ পৃথিৱীৰ আকাশলৈ নামি আহে। আল্লাহ পৃথিৱীৰ আকাশলৈ নামি অহা কাৰ্য যুক্তিপূৰ্ণ হয় নে নহয় তাক এবাৰ যুক্তিৰ তুলাচনীত ফঁহিয়াই চোৱা যাওক। পৃথিৱীৰ দুটা গতি বাৰ্ষিক গতি আৰু আহ্নিক গতি আহ্নিক গতিৰ ফলত দিন-ৰাতি হয়। যিফালে সূৰ্যৰ পোহৰ পৰে সেইফালে দিন আৰু বিপৰীত ফালে ৰাতি হয়। দিন আৰু ৰাতিৰ মুঠ দৈৰ্ঘ্য ২৪ ঘণ্টা। ২৪ ঘণ্টাৰ যিকোনো মুহূৰ্তত এফালে সূৰ্য উদয় আৰু আনফালে অস্ত হৈ থাকে। আপেক্ষিকভাৱে ২৪ ঘণ্টাই সূৰ্যৰ উদয় আৰু অস্ত যোৱাৰ প্ৰক্ৰিয়া চলি থাকে। সেয়ে ২৪ ঘণ্টাৰ ভিতৰত ৰাতিৰ শেষ অংশ শেষ হৈ নাযায়, ই এটা অবিৰত প্ৰক্ৰিয়া। গতিকে আল্লাই কেতিয়া প্ৰথম আকাশলৈ নামি আহিব আৰু কেতিয়া তেওঁৰ স্ব-স্থানলৈ গুচি যাব, যুক্তিপূৰ্ণভাৱে ভাবি চালে দেখা যায় যে আল্লাহ কেতিয়াও পৃথিৱীৰ ওচৰৰ আকাশ এৰি নিজ আসনলৈ গুচি যোৱা সম্ভৱ নহ'ব। এনেধৰণৰ যুক্তিপূৰ্ণ প্ৰশ্ন উত্থাপন হ'লে কোৱা হয় যে এয়া আল্লাহৰ ব্যক্তিগত সমস্যা, অসীম ক্ষমতাশালী আল্লাহ কিদৰে প্ৰথম আকাশৰ পৰা সপ্তম আকাশলৈ উঠা নামা কৰে সেয়া আল্লাহে ভালদৰে জানে, তাক লৈ বান্দাসকলে অযথা চিন্তা-ভাৱনা কৰাৰ প্ৰয়োজন নাই।

ইছলামধৰ্মী লোকসকলে ভাবে যে ইছলাম ধৰ্ম সত্যৰ ওপৰত প্ৰতিষ্ঠিত আৰু ই পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ ধৰ্ম। ইছলামধৰ্মী লোকসকলে মূৰ্তি পূজাক ঘিণ কৰে আৰু তেওঁলোকে নিৰাকাৰ আল্লাহৰ গুণ কীৰ্তন কৰে। কিন্তু আলোচনাৰ পৰা দেখা গ'ল যে ইছলামী পণ্ডিতসকলে কোৰান হাদীছৰ জৰিয়তে ক'ব বিচাৰে যে আল্লাহৰ আকাৰ আছে অথচ তেওঁলোকে নিৰাকাৰ আল্লাহৰ প্ৰাৰ্থনা কৰে, সেইফালৰ পৰা হিন্দুসকল অধিক সত্যৰ ফালে আগবাঢ়ি যোৱা যেন লাগে। *(সমাপ্ত)*

# অসম উড়িয়া যুৱ-ছাত্ৰ পৰিষদ-বিটিআৰ প্ৰশাসনৰ আলোচনা

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৮ আগষ্ট ঃ** বিটিআৰ অঞ্চলত বসবাস কৰা উড়িয়া জনগোষ্ঠীৰ লোকসকলে দীৰ্ঘদিন ধৰি ভুগি থকা সমস্যাসমূহ সমাধানৰ বাবে কালি অসমৰ উড়িয়া যুৱ ছাত্ৰ পৰিষদ সভাপতি লক্ষ্মীধৰ তান্তিৰ নেতৃত্বত যোৱা এটি প্ৰতিনিধি দল আৰু বিটিআৰ চৰকাৰৰ প্ৰতিনিধিৰ মাজত এক আলোচনা অনুষ্ঠিত হৈ যায়। কোকৰাঝাৰস্থিত বিটিআৰ সচিবালয়ৰ সভাগৃহত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ ৰাজনৈতিক সচিব তথা মনোনীত এমচিএলএ মাধৱ ছেত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত আলোচনাত মূলত বিটিআৰত বসবাস কৰা উড়িয়া জনগোষ্ঠীৰ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়ন সেইবোৰৰ সমাধানৰ ক্ষেত্ৰত তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণৰ বাবে আলোচনা কৰা হয়। দুয়োপক্ষৰ মাজত অনুষ্ঠিত

### ■ বিটিআৰত বসবাস কৰা উড়িয়া জনগোষ্ঠীৰ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়ন, বিভিন্ন সমস্যা সমাধানৰ দাবী

সৌহাৰ্দ্যমূলক আলোচনাৰ অন্তত উড়িয়াসকলে পহিলা ছেপ্টেম্বৰত পালন কৰা পৰম্পৰাগত জাতীয় উৎসৱ নুৱাখাই উৎসৱত বিটিআৰত স্থানীয় বন্ধ ঘোষণা কৰা, বিটিআৰৰ ওদালগুৰি জিলাত শীঘ্ৰেই উড়িয়া ভাষা আৰু সাংস্কৃতিক গৱেষনা কেন্দ্ৰৰ আধাৰশীলা স্থাপন কৰা, বিটিআৰৰ প্ৰাথমিক বিদ্যালয় সমুহত উড়িয়া ভাষাক ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা, উড়িয়া উন্নয়ন সমিতি গঠন কৰা, কোকৰাঝাৰ, তামুলপুৰ আৰু ওদালগুৰি জিলাত উড়িয়া ভাষাত প্ৰাপ্ত বয়স্ক শিক্ষানুষ্ঠান স্থাপন কৰাৰ লগতে মুঠ ১৫টা দাবী সম্বলিত এখন স্মাৰকপত্ৰ বিটিআৰ প্ৰধানগৰাকীলৈ ৰাজনৈতিক সচিব মাধৱ ছেত্ৰীৰ জৰিয়তে প্ৰেৰণ কৰে। অসম উড়িয়া যুৱ ছাত্ৰ পৰিষদৰ সভাপতি লক্ষ্মীধৰ তান্তীয়ে তামুলপুৰত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, যোৱা ২৮ মাৰ্চত কোকৰাঝাৰত প্ৰমোদ বড়োৰ উপস্থিতি বিটিআৰৰ বিভিন্ন দল-সংগঠনসমূহৰ যৌথ সমন্বয়ৰক্ষী সমিতিৰ প্ৰতিনিধিসকলৰ এক সভাত দল-সংগঠনৰ সমূহ সমস্যাসমূহ পৃথকে পৃথকে আলোচনা কৰি সেইবোৰৰ সমাধান কৰা হ'ব বুলি বিটিআৰ প্ৰধান গৰাকীয়ে প্ৰতিশ্ৰুতি দিছিল। বিটিআৰ চৰকাৰৰ আমন্ত্ৰণ মৰ্মেই কালি অসম উড়িয়া যুৱ ছাত্ৰ পৰিষদৰ প্ৰতিনিধি দলৰ লগত আলোচনা অনুষ্ঠিত হয়। বিটিআৰ চৰকাৰৰ লগত অনুষ্ঠিত কালিৰ আলোচনাত বিটিআৰৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰী, ইউপিপিএলৰ বিধায়ক লৰেন্স ইছলাৰী, বিটিআৰৰ যুটীয়া সচিব সুজিত বাগলাৰী, অসম উড়িয়া যুৱ ছাত্ৰ পৰিষদৰ উপ-সভাপতি অজিত নাগ, ওদালগুৰি জিলাৰ সভাপতি সুৰেন বাগ, সাধাৰণ সম্পাদক শিৱসাগৰ, শিক্ষা সম্পাদক কৰ্ণ নাগ, তামুলপুৰ জিলা সমিতিৰ সহকাৰী সম্পাদক দেৱ কুমাৰ দিঘাল, বাগ্‌সা জিলাৰ কাৰ্যকৰী সভাপতি মনো নাগৰ লগতে আন কে'বাজনো সদস্য উপস্থিত থাকে।

# শোণিতপুৰত অসম্পূৰ্ণ প্ৰধানমন্ত্ৰী আৱাসগৃহ যোজনাৰ বাসগৃহ



## ■ বৰছলাৰ নিজবিহগুৰিত হিতাধিকাৰীক প্ৰৱঞ্চনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৮ আগষ্ট ঃ** ৰাজ্যৰ গ্ৰামাঞ্চলত প্ৰধানমন্ত্ৰী আৱাসগৃহ নিৰ্মাণৰ ক্ষেত্ৰত শোণিতপুৰ যথেষ্ট পিছপৰি থকা বুলি অভিযোগ উত্থাপিত হোৱাৰ সময়তে জিলাখনৰ বিহগুৰি উন্নয়ন খণ্ডৰ কেতবোৰ অঞ্চলত হিতাধিকাৰীৰ অজ্ঞতাৰ সুযোগ লৈ একাংশই এনে গৃহ নিৰ্মাণৰ ক্ষেত্ৰত ব্যাপক লুণ্ঠন চলোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে ২০১৯-২০ত আৱণ্টিত গৃহ এই পৰ্যন্ত সম্পূৰ্ণ নোহোৱাৰ লগতে হিতাধিকাৰীয়ে উপায়হীন হৈ ঋণৰে ঘৰৰ কাম আগবঢ়াবলগীয়া ঘটনা সংঘটিত হৈছে বিহুগুৰি উন্নয়ন খণ্ড অন্তৰ্গত অঞ্চলত। এই উন্নয়ন খণ্ড অধীনস্থ আৰু বাঁহবাৰী গাঁও পঞ্চায়ত অঞ্চলৰ নিজ বাঁহবাৰীৰ বিৰ্চী মাহিলী মুণ্ডা নামৰ হিতাধিকাৰীগৰাকীয়ে লাভ কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটা বাসগৃহ আজিলৈকে সম্পূৰ্ণ নহ'ল। উল্লেখ্য যে এই গৃহ নিৰ্মাণৰ বাবে চৰকাৰীভাৱে আৱণ্টিত মুঠ একলাখ ৫০ হেজাৰ টকাৰ ভিতৰত একলাখ ৩০ হেজাৰ টকা গৃহনিৰ্মাণৰ সামগ্ৰী আদি ক্ৰয়ৰ বাবে আৰু বাকী ২০ হেজাৰ টকা জবকাৰ্ডৰ বাবে তথা শ্ৰমিকৰ বাবে প্ৰদান কৰা হয়। গৃহ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছত ৰং কৰা তথা ইয়াত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ প্ৰতীক চিহ্ন সংযোজিত কৰাৰ পাছতহে সেই গৃহ সম্পূৰ্ণ হোৱা বুলি ধৰা হয় যদিও একাংশ হিতাধিকাৰীৰ অজ্ঞতাৰ সুযোগ লৈ একাংশ পঞ্চায়ত সদস্যই হিতাধিকাৰীৰ এটিএম হস্তগত কৰি ধন আত্মসাৎ কৰি আহিছে। আনহাতে, এনেদৰে অসম্পূৰ্ণ গৃহৰ ক্ষেত্ৰত দায়িত্বত থকা কনিষ্ঠ অভিযন্তা আৰু খণ্ড উন্নয়ন বিষয়াৰ নিষ্ক্ৰিয় ভূমিকাও ৰহস্যৰ কাৰণ হৈ পৰিছে। উল্লেখ্য যে বিৰ্চী মাহিলী মুণ্ডাৰ নামত আৱণ্টিত প্ৰধানমন্ত্ৰী আৱাস গৃহৰ বিপৰীতে একলাখ ৩০ হেজাৰ টকা হিতাধিকাৰীৰ একাউণ্টত সোমোৱাৰ পাছতেই স্থানীয় পঞ্চায়ত সদস্য মণ্টু কেৰকেতাই হিতাধিকাৰীৰ পৰা এটিএমখন লৈ যায় গৃহ নিৰ্মাণৰ বাবে ধন মোকলোৱাৰ স্বাৰ্থত। পৰৱৰ্তী কিছু কাম কৰি অৰ্ধনিৰ্মিতভাৱে পেলাই থোৱাত উপায়হীন হৈ হিতাধিকাৰীৰ দিনহাজিৰা কৰা স্বামীয়ে ঘৰটোৰ বাবে প্ৰয়োজনীয় তিনি বাণ্ডিল টিনপাত নিজাকৈ লগাই আৰু মজিয়াৰ প্লাষ্টাৰৰ কামো হিতাধিকাৰীয়ে নিজ ধনৰে কৰে। কিন্তু ইয়াৰ পাছত আৰ্থিকভাৱে অক্ষম হিতাধিকাৰীয়ে বাকী কাম কৰিব নোৱাৰাত ঘৰটোৰ দুৱাৰ খিৰিকী আজিলৈকে লগোৱাই নহ'ল। ইপিনে, গৃহ নিৰ্মাণৰ নামত পঞ্চায়ত সদস্য মণ্টুৱে কিছুদিন পূৰ্বেহে কাৰ্ডখন বিৰ্চী মাহিলীক ঘুৰাই দিয়ে যদিও তেওঁৰ একাউণ্টত তেতিয়ালৈকে মাত্ৰ ছশ টকাহে জমা আছিল। উল্লেখ্য যে এই গৃহ ইমানদিনে অসম্পূৰ্ণভাৱে পৰি থকা সত্ত্বেও উন্নয়ন খণ্ডই এই বিষয়ে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। একাংশ হিতাধিকাৰীৰ অজ্ঞতাৰ সুযোগ লৈ প্ৰধানমন্ত্ৰী আৱাসগৃহৰ নামত ধন আত্মসাৎ আৰু দালালি তথা কমিচনৰাজ অব্যাহত থকা শোণিতপুৰৰ বিভিন্ন বিধানসভা সমষ্টিত বহু সংখ্যক গৃহ নিৰ্মাণৰ কাম এনে কাৰণতে আগবঢ়া নাই। আন এক সূত্ৰই প্ৰকাশ কৰা মতে, হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাসগৃহৰ বিপৰীতে একলাখ ৩০ হেজাৰ টকা আৱণ্টন হোৱা বুলি কৈ বাকী ২০ হেজাৰ টকা জবকাৰ্ডৰ ধন একাংশ সুযোগকাৰীয়ে হজম কৰি আহিছে। তদুপৰি জিলাখনৰ বিভিন্ন উন্নয়ন খণ্ডত কণ্টিজেঞ্চি পুঁজি হিচাপবিহীনভাৱে ব্যয় হোৱাৰ লগতে একাংশ খণ্ড উন্নয়ন বিষয়া আৰু কনিষ্ঠ অভিযন্তাই ইচ্ছামতে ব্যৱহাৰ কৰি আহিছে। জিলাখনৰ একাধিক উন্নয়ন খণ্ডত একাংশ অতি দুৰ্নীতিগ্ৰস্ত কনিষ্ঠ অভিযন্তাই বছৰৰ পাছত বছৰ কাৰ্যনিৰ্বাহ কৰাৰ সুযোগতে এনে মইমতালি অব্যাহত ৰখাৰ বিপৰীতে এইসকলৰ ডিঙিত এতিয়া টিলিঙা কোনে আঁৰিব বুলিও চৰ্চিত হৈছে।

# ধেমাজি জিলা উন্নয়ন সমিতিৰ বৈঠক ঃ উপায়ুক্তই দিলে সম্ভাৱনাৰ শপত

**ধেমাজি, ১৮ আগষ্ট ঃ** ধেমাজি জিলা উন্নয়ন সমিতিৰ মাহেকীয়া পৰ্যালোচনা বৈঠক আজি জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। উপায়ুক্ত অসীম কুমাৰ ভট্টাচাৰ্যই পৌৰোহিত্য কৰা সভাত জিলাখনৰ বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়িত হৈ থকা উন্নয়নমূলক আঁচনি আৰু কাম-কাজৰ পৰ্যালোচনা চলোৱা হয়। উপায়ুক্তই সকলোকে দ্ৰুততাৰে আঁচনিসমূহ সম্পন্ন কৰাৰ বাবে পৰামৰ্শ দিয়ে। সভাত জিলা উন্নয়ন আয়ুক্ত অৰূপ পাঠক, অতিৰিক্ত উপায়ুক্ত উৎপল দলে, জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাৰ উপৰি সকলো বিভাগৰ জিলা বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পূৰ্বে আজি সভাৰ আৰম্ভণিতে উপায়ুক্তই সকলো বিষয়াকে সদ্ভাৱনা শপত বাক্য পাঠ কৰায়। বৰ্ণ-ধৰ্ম-ভাষা-জাতি নিৰ্বিশেষে সকলোৱে ভাৰতীয় হিচাপে ঐক্য-সংহতি ৰক্ষাৰ বাবে শপত গ্ৰহণ কৰে।

# খুমটাইৰ বগৰিয়নীত তিনি সাহসী যুৱকক আটাছু, আপকু, কৃষক শ্ৰমিক সন্থা-সাংবাদিক সংস্থাৰ সম্বৰ্ধনা

**খুমটাই, ১৮ আগষ্ট ঃ** গোলাঘাট জিলাৰ খুমটাইত ২৮ জুনত এক ভয়ংকৰ ৰেল দুৰ্ঘটনাৰ পৰা নিজৰ বুদ্ধিমত্তা আৰু সাহসিকতাৰ পৰিচয় দি খুমটাইবাসীক ৰক্ষা কৰাৰ লগতে ৰাষ্ট্ৰীয় সম্পদ সুৰক্ষিত কৰা খুমটাইৰ তিনিজন যুৱক ক্ৰমে চুবু কুৰ্মী, ৰাজেশ গৰাইট আৰু অতুল গগৈক ১৪ আগষ্টত গোলাঘাট জিলা প্ৰশাসনে সাহসিকতা বঁটা প্ৰদান কৰাৰ পাছতেই ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ দিনটোত সাহসী যুৱক তিনিজনৰ বাসগৃহত গোলাঘাট জিলাৰ আপকু, খুমটাই কৃষক শ্ৰমিক সন্থা, আটাছু গোলাঘাট জিলা সমিতি, খুমটাই সাংবাদিক সংস্থাৰ বিষয়ববীয়াসহ এটি সঁজাতী দল সাহসী যুৱক ৰাজেশ গৰাইটৰ বাসগৃহত উপস্থিত হৈ তেওঁলোকে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি সমাজৰ বাবে কৰা এনে পদক্ষেপক শলাগ লোৱাৰ লগতে ধন্যবাদ আৰু কৃতজ্ঞতা জনায়। ইফালে, গোলাঘাট জিলাৰ তাই আহোম ছাত্ৰ সন্থাৰ যুটীয়া সম্পাদক দীপজ্যোতি তামুলী, আটাছু গোলাঘাট মহকুমা সমিতিৰ কাৰ্যকৰী সভাপতি ভাস্কৰ ফুকন, আপকু গোলাঘাট জিলা সমিতিৰ সভাপতি নবীন গোহাঁই, খুমটাই আঞ্চলিক কৃষক শ্ৰমিক সন্থাৰ সভাপতি নিৰ্মল গগৈ, খুমটাই আঞ্চলিক সাংবাদিক সংস্থাৰ সভাপতি বাবুল গগৈ আৰু সাংবাদিক চন্দন বৰা উপস্থিত থাকি ৰাজেশ, চুবু আৰু অতুলৰ এই কাৰ্যক শলাগ লোৱাৰ লগতে তেওঁলোকৰ এই ধৰণৰ সমাজহৈতিষী কামৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জনায়।

# লাচিত বৰফুকনৰ বিষয়ে লেখা আহ্বান নগাঁও জিলা প্ৰশাসনৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ আগষ্ট ঃ** বীৰ লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্মজয়ন্তী উপলক্ষে অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ নিৰ্দেশ ক্ৰমে নগাঁও জিলা প্ৰশাসনে জিলাখনৰ লেখক, নাগৰিক আৰু বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা মহান বীৰগৰাকীৰ জীৱন আৰু বীৰত্বৰ আধাৰত যুগুত কৰা অথবা তেওঁৰ স'তে জড়িত যি কোনো বিষয়ৰ লেখা আহ্বান কৰিছে। লেখাসমূহ ১০০ বা ১০০০ শব্দৰ ভিতৰত হ'ব লাগিব আৰু ভাল হাতৰ আখৰৰে লিখা অথবা টাইপ কৰা হ'ব লাগিব। লেখাসমূহৰ পৰা ১০০ টা উন্নত মানৰ লেখা বাচনি কৰি সেইসমূহ জিলা প্ৰশাসনৰ চৰকাৰী ৱেবছাইট আৰু ফেচবুক পেজত আপল'ড কৰা হ'ব। ইপাৰে উৎকৃষ্ট পাঁচটা লেখা বাছনি কৰি সাধাৰণ প্ৰশাসন বিভাগলৈ পুৰস্কাৰৰ বাবে প্ৰেৰণ কৰা হ'ব। লিখনিৰ হাৰ্ডকপি নগাঁও জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আৰু নিকটৱৰ্তী চৰকাৰী বিদ্যালয়সমূহত অথবা ছফ্‌ট-কপি, হোটছএপ নম্বৰ ৯৩৯৫৭৪২১১৪, dipronagaon@gmail.com ই-মেইলৰ যোগেদি ৩১ আগষ্টৰ ভিতৰত জমা দিবলৈ নগাঁও জিলা তথ্য আৰু জনসংযোগ বিভাগে আহ্বান জনাইছে।

# ভূগোল বিভাগৰ শ্ৰেষ্ঠ স্নাতক প্ৰিয়ংকা শ্বাহক হেমীপ্ৰভা বৰঠাকুৰ বঁটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**



**মৰিয়নি, ১৮ আগষ্ট ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সদ্য ঘোষিত স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলত সুনাম অৰ্জন কৰি ভূগোল বিভাগৰ শ্ৰেষ্ঠ স্নাতকৰ সন্মান লাভ কৰা মৰিয়নি মহাবিদ্যালয়ৰ ছাত্ৰী প্ৰিয়ংকা শ্বাহক কালি হেমীপ্ৰভা বৰঠাকুৰ শিক্ষা বঁটা প্ৰদান কৰা হয়। মৰিয়নি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা ভূগোল বিভাগৰ সহযোগী অধ্যাপিকা ড° মঞ্জুলা বৰঠাকুৰে প্ৰয়াত মাতৃ হেমীপ্ৰভা বৰঠাকুৰৰ স্মৃতিত বিগত কে'বা বছৰো ধৰি এই বঁটা প্ৰদান কৰি আহিছে। এই উপলক্ষে আজি মহাবিদ্যালয়খনত অনুষ্ঠিত এক চমু অনুষ্ঠানত কৃতী ছাত্ৰী প্ৰিয়ংকা চাহক এই বঁটা প্ৰদান কৰা হয়। এইবঁটাত নগদ পাঁচ হেজাৰ টকাৰ লগতে এখন প্ৰশস্তি পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালাই ছাত্ৰ-ছাত্ৰীসকলক প্ৰশংসা কৰি ভৱিষ্যৎ সম্পৰ্কে অধিক সচেতন হৈ সঠিক লক্ষ্য নিৰ্ধাৰণ কৰি আগবাঢ়িবলৈ পৰামৰ্শ দিয়ে। আনহাতে, উপাধ্যক্ষ লাচিত গগৈয়ে ভূগোল বিভাগে পূৰ্বৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি এইবাৰো সফলতাৰে সুনাম কঢ়িয়াই অনা বিভাগটোৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অধ্যাপক-অধ্যাপিকাসকলক অভিনন্দন জ্ঞাপন কৰে।

# গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱাগত আদৰণি সভা



**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ১৮ আগষ্ট ঃ** কালি সামৰণি পৰিল মৰিগাঁও জিলাৰ গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত নৱাগত আদৰণি সভাৰ বৰ্ণিল কাৰ্যসূচী। এক বৰ্ণিল সাংস্কৃতিক অনুষ্ঠানেৰে সামৰণি পৰে বিদ্যালয়খনৰ নৱাগত আদৰণি সভাৰ কাৰ্যসূচী। উল্লেখ্য যে স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে ১৩ আগষ্টত বিদ্যালয়খনত ভূৰাগাঁও ৰাজহ চক্ৰৰ উদ্যোগত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰে আৰম্ভ হোৱা বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ সামৰণি পৰে ১৫ আগষ্টৰ পতাকা উত্তোলন কাৰ্যসূচীৰে। তাৰ পাছতে ১৫ আগষ্টৰ আবেলি আৰম্ভ হয় উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ নৱাগত আদৰণি সভা। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বুবুমণি গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত নৱাগত আদৰণি সভাতে দুজন অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্ভাষণ জনোৱা হয় বিদ্যালয়খনৰ শিক্ষক গোট আৰু ছাত্ৰ-ছাত্ৰীসকলে। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে মহেন্দ্ৰ মোহন শইকীয়া আৰু নিলতি দেৱীক শৰাই গামোচা, প্ৰশস্তি পত্ৰ আৰু বিদ্যালয়ৰ নিজা স্মাৰকৰে বিদায় সম্ভাষণ জনায় শিক্ষক গোটে। সমান্তৰালকৈ বিদ্যালয়খনৰ শতাধিক গুণমুগ্ধ ছাত্ৰ-ছাত্ৰীয়ে গামোচা আদিৰে দুই শিক্ষকক আদৰণি জনোৱাৰ লগতে শিক্ষক দুগৰাকীক ভৰি চুই সেৱা কৰিবৰ বাবে

### ■ দুজন অৱসৰপ্ৰাপ্ত শিক্ষকক আনুষ্ঠানিক বিদায়

মঞ্চত ছাত্ৰ-ছাত্ৰীসকলে ভিৰ কৰি এক আৱেগিক পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে দুয়োগৰাকী শিক্ষকেই আছিল ছাত্ৰ-ছাত্ৰীসকলৰ অত্যন্ত প্ৰিয়। বিদায় সম্ভাষণ গ্ৰহণ কৰি মহেন্দ্ৰ মোহন শইকীয়াই আনুষ্ঠানিকভাৱে ঘোষণা কৰে যে অৱসৰৰ জীৱনটো তেওঁ বিদ্যালয়খনত অবৈতনিকভাৱে পাঠদান কৰি যাব। শিক্ষকজনৰ এনে ঘোষণাই ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱকসকলকো আনন্দিত কৰে। ইফালে, এই বিদায় সভাৰ মাজতে বিদ্যালয়খন উচ্চতৰ মাধ্যমিকলৈ উন্নীত হোৱাৰ পাছত নতুনকৈ সন্মুখীন হোৱা অভাৱ পূৰণ কৰিবৰ বাবে ডেস্ক-বেঞ্চকে ধৰি আৰ্থিক সাহায্য পৰ্যন্ত আগবঢ়োৱা ১০জন দাতাক আদৰণি জনায় বিদ্যালয় কৰ্তৃপক্ষই। ১৬ আগষ্টৰ পুৱাৰ ভাগৰ পৰাই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে গীত, অভিনয়, নৃত্যানুষ্ঠানেৰে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বুবুমণি গোস্বামী আৰু সহকাৰী শিক্ষক বাবুল বৰাই আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত শিল্পী হিচাপে গীত পৰিৱেশন কৰে বৰ্তমান যুৱ প্ৰজন্মৰ মাজত জনপ্ৰিয় হৈ পৰা কণ্ঠশিল্পী ৰিচা ভৰদ্বাজে। ভৰদ্বাজৰ মনোজ্ঞ সাৱলীল গীতৰ অনুষ্ঠানে সকলোকে মুগ্ধ কৰে। ক'ভিড পৰিস্থিতিৰ পাছত প্ৰথমবাৰৰ বাবে গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে এনেদৰে বৃহৎ সাংস্কৃতিক সমাৰোহত অংশগ্ৰহণ কৰি পাৰ ভগা উছাহৰ যেন ঢল বোৱাই দিয়ে বিদ্যালয় চৌহদত। সাংস্কৃতিক অনুষ্ঠানত কালি পুৱাৰ ভাগতে সামৰণি পৰে নৱাগত আদৰণি সভা উপলক্ষে আয়োজিত বাৰেৰহণীয়া কাৰ্যসূচী।

# মঙলদৈত 'ক্ৰিষ্টেল ভিজন'ৰ স্বাধীনতাৰ ৰক্তদান কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৮ আগষ্ট ঃ** স্বাধীনতা সংগ্ৰামীসকলৰ আত্ম বলিদান আৰু চৰম ত্যাগক স্বেচ্ছামূলক ৰক্তদানৰ জৰিয়তে যুগমীয়া কৰি ৰখাৰ প্ৰয়াসেৰে বেচৰকাৰী সংস্থা ক্ৰিষ্টেল ভিজনে-২০১২ৰ পৰা সম্পন্ন কৰি অহা স্বাধীনতাৰ ৰক্তদান কাৰ্যসূচী এইবাৰো সফলতাৰে ৰূপায়ণ কৰা হয়। স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তিৰ লগত সংগতি ৰাখি অসম চৰকাৰৰ ৰক্ত সংৰচন সংসদে ব্যৱস্থা কৰা শীত-তাপ নিয়ন্ত্ৰিত ৰক্ত সংগ্ৰহ বাহনত আৰু মঙলদৈ ৰক্ত ভঁড়াল কৰ্তৃপক্ষ আৰু দ্য মঙলদৈ ক্লাবৰ সহযোগত কালি দিনজোৰাকৈ এই ৰক্তদান কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচী দ্য মঙলদৈ ক্লাব প্ৰাংগণৰ পৰা আৰম্ভ কৰে জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই। লগতে ৰক্তদানৰ উপযোগিতা সম্পৰ্কে এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত জিলা উন্নয়ন আয়ুক্ত শুভলক্ষ্মী ডেকা, মঙলদৈ পৌৰসভাৰ সভানেত্ৰী নিৰ্মালি দেৱী শৰ্মা, মঙলদৈৰ ৰাজহ চক্ৰ বিষয়া নয়নজ্যোতি পাঠক, জিলাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ নিৰ্মল কুমাৰ বেৰিয়া, মঙলদৈ ব্লাড বেংকৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ ডাউদ আলী, সহকাৰী চিকিৎসা বিষয়া ডাঃ নিলয় তালুকদাৰ, দ্য মঙলদৈ ক্লাবৰ উপ-সভাপতি ডাঃ ব্ৰজেন ভট্টাচাৰ্য, বিশিষ্ট উদ্যোগপতি তথা ৰক্তদাতা অনুপম ডেকা, শিক্ষাবিদ ড° বুধিন হাজৰিকা, মঙলদৈ মহাবিদ্যালয়ৰ এনচিচি ছোৱালী আৰু ল'ৰা বিভাগৰ ভাৰপ্ৰাপ্ত শিক্ষক ক্ৰমে ড° লীনা শইকীয়া আৰু হৰমিন ডেকা আদি ভালেমান বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত মঙলদৈৰ চক্ৰ বিষয়া নয়নজ্যোতি পাঠক, ডাঃ উজ্জ্বলজ্যোতি শৰ্মাৰ লগতে ক্ৰিষ্টেল ভিজন, দ্য মঙলদৈ ক্লাব, ৰামহৰিৰ নৰ্থ-ইষ্ট নিউট্ৰিয়েণ্টছ আৰু ঔদ্যোগিক পামৰ এছআৰডি নিউট্ৰিয়েণ্টছৰ বিষয়া-কৰ্মচাৰীকে ধৰি মুঠ ৫০ জন ৰক্তদাতাই ৰক্তদান কৰে। ৰক্তদাতাসকলক ৰক্তদানৰ লগে লগে ক্ৰিষ্টেল ভিজন আৰু মঙলদৈ ৰক্ত ভড়ালৰ তৰফৰ পৰা একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

# ছয়গাঁও কৃষি উন্নয়ন খণ্ড-বিজেপিৰ কিষাণ মৰ্চাৰ উদ্যোগত কৃষকক বীজ-ইউবাৰ বিতৰণ



**ছয়গাঁও, ১৮ আগষ্ট ঃ** ছয়গাঁও চহৰৰ থকা বিজেপিৰ কাৰ্যালয়ত আজি ছয়গাঁও মণ্ডল বিজেপিৰ কিষাণ মৰ্চাৰ উদ্যোগত আৰু ছয়গাঁও কৃষি উন্নয়ন খণ্ডৰ সহযোগত কৃষকক কৃষি কাৰ্যত ব্যৱহৃত ইউবাৰ, কোৰ, মেচিনকে ধৰি তিলৰ বীজ বিতৰণ কেৰ। এই উপলক্ষে আয়োজন কৰা সভা এখনত সভাপতিত্ব কৰে ছয়গাঁও মণ্ডলৰ সভাপতি প্ৰফুল্ল মেধিয়ে। সভাপতি মেধিয়ে কৃষকক লৈ চৰকাৰে দেখা সপোন বাস্তৱত ৰূপায়িত হ'বলৈ গৈ আছে বুলি কয়। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে ড° নীলাক্ষী কাকতি। তেওঁৰ চৰকাৰৰ পৰা অহা কৃষকৰ সুবিধাসমূহ যাতে প্ৰকৃত কৃষকে লাভ কৰে তাৰ বাবে অনুৰোধ কৰে। আজিৰ সভাতে সহকাৰী পৰিদৰ্শক প্ৰদ্যুন্ন কলিতা, কিষাণ মৰ্চাৰ সভাপতি সুৱল ৰাভা, মণ্ডলৰ সাধাৰণ সম্পাদক নিমাই সাউদ, পবিত্ৰ নাথ, দীপক সাউদ, হিতেশ শালৈ, নয়ন দাস প্ৰমুখ্যে ভালেমান বিশিষ্ট লোকে ভাষণ প্ৰদান কৰে। এই সভাতে সাতখন পঞ্চায়তক সাতখন ইউবাৰ মেচিন প্ৰদান কৰাৰ লগতে অৰ্ধশতাধিক লোকক তিলৰ বীজ বিতৰণ কৰে।



*ঘগ্ৰাপাৰৰ বিদ্যালয় আলোচনী উন্মোচনীৰ দৃশ্য।*

# স্বাধীনতাৰ ৭৫ বছৰত দুভাগ হ'ল মুক্তিযুঁজাৰুৰ উত্তৰাধিকাৰী

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৮ আগষ্ট ঃ** স্বাধীনতা সংগ্ৰামৰ সময়ত ফুলকুমলীয়া শিশু হৈ থকা তথা সেইসময়ত ভূমিষ্ঠ নোহোৱা দৰং জিলাৰ একাংশ লোকে চলে বলে কৌশলে মুক্তিযোদ্ধাৰ চৰকাৰী পেঞ্চনকে ধৰি বিভিন্ন সা-সুবিধা লৈ থকাৰ বাবে যি সময়ত জিলাখনত এক বিতৰ্ক চলি আছে, সেই সময়তে 'দৰং- ওদালগুৰি জিলা মুক্তিযুঁজাৰু উত্তৰাধিকাৰী সন্মিলন সমিতি' গঠন হোৱা বিষয়টোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। কালি মঙলদৈ মুক্তিযুঁজাৰু ভৱনত হোৱা সভাত মঙলদৈ প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশী আৰু বিশিষ্ট চিকিৎসক অমৰেন্দ্ৰ নাৰায়ণ দেৱক উপদেষ্টা, কুমুদ চন্দ্ৰ ডেকাক সভাপতি, অভয় শৰ্মাক কাৰ্যকৰী সভাপতি, হৰি কাকতি, ভাৰতী দাস, মিৰণ দেৱী আৰু শৰৎ কলিতাক উপ-সভাপতি, ৰাজীৱ বৰুৱাক সাধাৰণ সম্পাদক, ৰাজীৱলোচন ভাগৱতী,

### দৰং-ওদালগুৰি জিলা মুক্তিযুঁজাৰু উত্তৰাধিকাৰী সন্মিলন সমিতি গঠন

জিতুল হাজৰিকা, অমৰজ্যোতি বৰুৱা আৰু কিৰণ চহৰীয়াক সহকাৰী সম্পাদক, সুৰেন বৰুৱাক কোষাধ্যক্ষ আৰু ১১জন কাৰ্যনিৰ্বাহক সদস্যৰে দৰং-ওদালগুৰি জিলা মুক্তিযুঁজাৰু উত্তৰাধিকাৰী সন্মিলন সমিতি গঠন কৰে। তাৎপৰ্যপূৰ্ণ যে দৰং-ওদালগুৰি জিলা মুক্তিযুঁজাৰু উত্তৰাধিকাৰী সন্থা থকাৰ পাছতো বিনয়ৰঞ্জন শৰ্মাই স্বয়ম্ভু সম্পাদক হৈ এখন উত্তৰাধিকাৰী সন্থা গঠন কৰা কাৰ্যক সভাই গৰিহণা দিয়ে। সভাত উপস্থিত থাকি মঙলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ ৰাজবংশী আৰু চিকিৎসক দেৱে সমিতিখন শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে। সভাৰ আৰম্ভণিতে সদ্য প্ৰয়াত মুক্তিযুঁজাৰুদ্বয় তথা অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি যতীন গোস্বামী আৰু কৃষ্ণ লহকৰৰ স্মৃতিত মৌন প্ৰাৰ্থনা কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তদুপৰি দৰং জিলা মুক্তিযুঁজাৰু সন্মিলনৰ প্ৰাক্তন সম্পাদক তথা সংবাদসেৱী, মুক্তিযোদ্ধা প্ৰয়াত ৰূপকান্ত ডেকাৰ জন্ম শতবৰ্ষৰো আৰম্ভণি কৰা হয়। এই উপলক্ষে তেওঁৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে ডাঃ দেৱে।

# দক্ষিণ চতিয়াত বিশ্বনাথ জিলা আমছুৰ শপত গ্ৰহণ-সাংগঠনিক কৰ্মশালা অনুষ্ঠিত

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১৮ আগষ্ট ঃ** চতিয়াৰ সিপৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অমিয় ভৱনত যোৱা ১৪ আগষ্টত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন আমছুৰ দক্ষিণ চতিয়া আঞ্চলিক সমিতিৰ উদ্যোগত নৱ গঠিত বিশ্বনাথ জিলা আমছুৰ শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। জিকিৰ, বিহু, নেপালী নৃত্য, কোচ ৰাজবংশী নৃত্যৰে এক সুন্দৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অসমৰ বিভিন্ন জাতি-জনজাতি- ভাষা-ভাষীৰ লোকৰ মাজত যাতে একতাৰ এনাজৰীডাল অধিক শক্তিশালী হয় তাৰে কামনাৰে এই অনুষ্ঠান অনুষ্ঠিত কৰে আমছুৱে। এই অনুষ্ঠানত বিশ্বনাথ জিলা আমছুৰ সদস্যসকলে শপত লয় আৰু তেওঁলোকে প্ৰকাশ কৰে অনাগত দিনত বিশ্বনাথ জিলাৰ সংখ্যালঘু ৰাইজৰ সমস্যাবোৰ চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ চেষ্টা চলাব। এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে আমছুৰ কেন্দ্ৰীয় সমিতিৰ কুদ্দুচ আলী চৰকাৰ, জালাল উদ্দিন মণ্ডল, প্ৰাক্তন জিলা আমছুৰ সভাপতি আশ্ৰৱ আলী সমাজ সেৱক আবিদুৰ ৰহমান, ছৈদুৰ ৰহমানৰ লগতে সমাজৰ গণ্য-মান্য ব্যক্তিসকল।

## ■ বন বিভাগৰ ৰহস্যজনক ভূমিকা ■ যোৰহাট জিলাত চৰকাৰে বছৰি হেৰুৱাইছে কোটি টকা ৰাজহ

# বালি মহলদাৰৰ বিৰুদ্ধে টীয়ক থানাত এজাহাৰ

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ১৮ আগষ্ট ঃ** যোৰহাট জিলাৰ বন বিভাগৰ চৰম বেমেজালিৰ বাবে জাঁজী নদীত এচাম ব্যৱসায়ীয়ে অবৈধভাৱে বালি খনন চলাই থকা কাৰ্যই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে টীয়কত। ইপিনে, বন বিভাগে ৰাজহ সংগ্ৰহৰ বাবে আবণ্টন দিয়া বালি মহলৰ মহলদাৰে নিজ খেয়াল খুচি অনুযায়ী বালি গাড়ীসমূহত প্ৰয়োজনীয় ট্ৰেনজিৎ পাছ (টি পি) প্ৰদান নকৰাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে যোৰহাট আৰু শিৱসাগৰ জিলাক প্ৰশাসনিকভাৱে বিভক্ত কৰা জাঁজী নদীৰ দুয়োপাৰে জাঁজীৰ পৰা এজাগুৰি পৰ্যন্ত নদী বুকুখনৰ অঘোষিত প্ৰতিযোগিতা চলি আছে। অবৈধভাৱে অব্যাহত থকা এনে খনন কাৰ্য ৰোধ কৰাৰ স্বাৰ্থতে নদীখনৰ বক্ষ খননৰ বাবে প্ৰয়োজনীয় অনুমতি প্ৰদানৰ বাবে সচেতন ৰাইজে বন বিভাগক বাৰম্বাৰ অনুৰোধ জনাই আহিছে যদিও বন বিভাগৰ একাংশ বিষয়াৰ জেপ গধুৰ হোৱা স্বাৰ্থত অবৈধ বালি খনন কাৰ্যকহে পৰোক্ষভাৱে সহযোগিতা আগবঢ়োৱাৰ অভিযোগ উত্থাপিত হৈছে। একাংশ বন বিষয়া এনে কাণ্ডৰ বাবে কেৱল যোৰহাট জিলাতো চৰকাৰে বছৰি হেৰুৱাইছে কোটি টকাৰ ৰাজহ। ইপিনে, বৈধ বালি মহলত চলিছে অবৈধ বেহা। দৈনিক শতাধিক বালিভৰ্তি বাহনৰ বিপৰীতে মহলদাৰে দিয়ে দুখন মাত্ৰ টিপি। এনে এক ঘটনা সংঘটিত হৈছে জাঁজী পদুমণি বালি মহলত। মৰিয়নি বন সংমণ্ডলৰ অধীনত থকা জাঁজী নদীৰ পদুমণি বালি ঘাটৰ মহলদাৰ হৰিশ্চন্দ্ৰ দাসৰ বিৰুদ্ধে উঠিছে এই ভয়ংকৰ অভিযোগ। অভিযোগ অনুসৰি, এ এছ ০৪ বি চি ৭০১৭ নম্বৰৰ টীয়কৰ এখন মিনি ট্ৰাকে পদুমণি বালি ঘাটৰ পৰা বালি লৈ ৰাষ্ট্ৰীয় পথেৰে যোৰহাটৰ দিশে আহি থকা সময়ত যোৰহাটৰ বন বিভাগে বালিসহ জব্দ কৰে ট্ৰাকখন। বন বিভাগৰ নেৰানেপেৰা তদন্তৰ অন্তত উক্ত বালিভৰ্তি ট্ৰাকখনৰ চালকে জাঁজী নদীৰ পদুমণিৰ হেমচন্দ্ৰ দাসৰ নামত থকা বালি মহলদাৰৰ বালি ক্ৰয় কৰা বুলি জানিবলৈ দিয়াৰ লগতে মহলদাৰক টিপি বিচৰাৰ পাছতো বিভিন্ন অজুহাতত টিপি প্ৰদান নকৰাৰ অভিযোগ কৰিছে। উপায়ান্তৰ হৈ বাহনৰ গৰাকীয়ে মহলদাৰৰ বিৰুদ্ধে টীয়ক আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। উক্ত ঘটনা সংঘটিত হোৱাৰ পাছত মৰিয়নিৰ বনাঞ্চলিক বিষয়াসহ এটা দলে বালি মহলসমূহ পৰিদৰ্শন কৰি এক উচিত ব্যৱস্থা লোৱাৰ আশ্বাস প্ৰদান কৰাৰ লগতে স্থানীয় ব্যক্তিসকলৰ মতামত গ্ৰহণ কৰে। নিশা ১২ বজাৰ পৰা জনবসতিপূৰ্ণ অঞ্চলটোত বালি ভৰ্তি বাহনসমূহে বিভীষিকাৰ সৃষ্টি কৰাৰ লগতে অত্যাধুনিক মেচিনৰ ব্যৱহাৰৰ ফলত নদীৰ গভীৰতা বৃদ্ধি হোৱাৰ কথা ব্যক্ত কৰাৰ লগতে অনাগত দিনত যদি উক্ত বালি মহলৰ বাবে নদীত কোনো দুৰ্ঘটনা সংঘটিত হয় তেন্তে গাঁওবাসীয়ে বালিভৰ্তি বাহনসমূহ জ্বলাই দিয়াৰ ভাবুকি দিয়ে। শেহতীয়াকৈ জানিব পৰা মতে, বন বিভাগে উক্ত বালি ঘাটটোৰ মহলদাৰক তিনিদিনৰ ভিতৰত টি পি নিদিয়াৰ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে।

# নলবাৰী জিলাৰ শ্ৰেষ্ঠ ছাত্ৰ পঢ়ুৱৈৰ বঁটা লাভ কৰিলে চিলিঙৰ ৰাকেশ হালৈয়ে



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৮ আগষ্ট ঃ** স্বাধীনতা অমৃত মহোৎসৱ উপলক্ষে উদযাপিত হৈ যোৱা নলবাৰী জিলা দিৱসৰ লগত সংগতি ৰাখি শিক্ষা বিভাগে ছাত্ৰ-ছাত্ৰীৰ মাজত জিলা ভিত্তিত অনুষ্ঠিত কৰা শ্ৰেষ্ঠ পঢ়ুৱৈৰ বঁটা লাভ কৰিছে ৰাকেশ হালৈয়ে। জিলাখনৰ ঘগ্ৰাপাৰত থকা বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত চিলিং মিলন মধ্য ইংৰাজী বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ ৰাকেশ হালৈ জিলাৰ ভিতৰতে শ্ৰেষ্ঠ বাছনি হোৱাত অঞ্চলটোত আনন্দৰ জোৱাৰ উঠিছে। উল্লেখ্য যে বিশিষ্ট বিজ্ঞানী তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতী, বিশিষ্ট কবি পংকজ গোবিন্দ মেধি আৰু প্ৰেৰণা পুথিভঁৰাল, বিহামপুৰৰ অন্যতম পৃষ্ঠপোষক তথা কৃতী শিক্ষক দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মাৰে গঠিত তিনিজনীয়া ১৩ পৃষ্ঠাত চাওক

# আমছুৰ নেতা আবুল হুছেইন, গিয়াছ উদ্দিনক নিলম্বন

**অগ্ৰদূত বাৰ্তা**

**লালুক, ১৮ আগষ্ট ঃ** লখিমপুৰ জিলা আমছুৰ সাধাৰণ সম্পাদক আব্দুল বাছিতে স্বাক্ষৰিত এক বিবৃতি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰি কৰিছে। বিবৃতিটোৰে জৰিয়তে কয় যে আমছুৰ জিলা সমিতিৰ সভাপতি বদিউৰ ৰহমান, সাধাৰণ সম্পাদক জিয়াৰুল ইছলাম আৰু আব্দুল বাছিতে প্ৰকাশ কৰিছে যে যোৱা ১৫ আগষ্টত জিলা আমছুৰ এক কৰ্মধাৰ বৈঠক অনুষ্ঠিত হৈ যায়। উক্ত কৰ্মধাৰ বৈঠকত অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (চমুকৈ আমছু)ৰ লখিমপুৰ জিলা সমিতিৰ উপ-সভাপতি আবুল হুছেইন আৰু আমছুৰ বগলীজান আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক গিয়াছ উদ্দিনক অসামাজিক কাৰ্যকলাপত জড়িত থকাৰ প্ৰমাণ পোৱাত আমছুৰ উক্ত পদৰ পৰা অব্যাহতি দিয়াৰ লগতে আমছুৰ সাধাৰণ সদস্য পদৰ পৰা নিলম্বন কৰা হৈছে। এতিয়াৰ পৰা দুয়োজন নেতাই আমছুৰ নাম লৈ কোনো সামাজিক কামৰ লগত জড়িত হ'ব নোৱাৰিব বুলি বিবৃতিটোত উল্লেখ কৰিছে। অন্যথা আইনৰ আশ্ৰয় লোৱা হ'ব বুলি বিবৃতিটোত প্ৰকাশ কৰিছে।

**পেঙেৰীত বিজেপিৰ যোগদানৰ কাৰ্যসূচী**

# বিধ্বস্ত পথ নিৰ্মাণৰ দাবীত অভিনৱ প্ৰতিবাদ আপৰ

**ডিগবৈ, ১৮ আগষ্ট ঃ** পেঙেৰীত বিজেপিৰ এক যোগদান কাৰ্যসূচী চলি থকা সময়তে বৃহত্তৰ অঞ্চলটোৰ বিধ্বস্ত বাট-পথ নিৰ্মাণৰ দাবীত অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে আপৰ নেতা সুভাষ তামাঙে। স্থানীয় বিধায়ক ভাস্কৰ শৰ্মাৰ লগতে ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ বহুকেইজন বিজেপি নেতাৰ উপস্থিতিত পেঙেৰীৰ ছ্যুকাফা ভৱনত এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। কংগ্ৰেছৰ কে'বাজনো নেতা, স্থানীয় প্ৰাক্তন আছু আৰু মৰাণ ছাত্ৰ সন্থাৰ নেতাসহ প্ৰায় তিনি শতাধিক লোকে দলটোত যোগদান কৰে। এই যোগদান কাৰ্যসূচী চলি থাকোতে ইয়াৰ কাষতে ব্ৰহ্মাজানত এটা বিধ্বস্ত ৰাষ্ট্ৰীয় পথৰ সোঁমাজত থকা প্ৰকাণ্ড গাঁতৰ কাষত বহি যোগাসন কৰি প্ৰতিবাদ কৰে। উল্লেখ্য যে পেঙেৰী বৰডুমচা অঞ্চল সামৰি থকা বুঢ়ীদিহিং মৌজাৰ মূল পথটোৰ লগতে সৰহ সংখ্যক পথ নিৰ্মাণৰ অভাৱত বিধ্বস্ত হৈ পৰিছে। কাণসাৰ নাই স্থানীয় বিধায়ক ভাস্কৰ শৰ্মাৰ। গতিকে এই বিধ্বস্ত পথসমূহ নিৰ্মাণৰ দাবী জনায় আপৰ নেতা তামাঙে। উল্লেখ্য যে যোৱা পহিলা আগষ্টত পেঙেৰীত আপৰ এক যোগদান কাৰ্যসূচীত প্ৰায় তিনি শতাধিক লোকে যোগদান কৰিছিল।

# কামৰূপ জিলাৰ বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰত বঁটা বিতৰণী আৰু সম্বৰ্ধনা সভা

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৮ আগষ্ট ঃ** বেজেৰা সামূহিক স্বাস্থ্যকেন্দ্ৰৰ চিকিৎসালয়খনৰ উপ-অধীক্ষক ডাঃ চবিন চন্দ্ৰ দাসৰ নেতৃত্বত চিকিৎসালয়খনৰ চিকিৎসক-কৰ্মচাৰীসকলে বিগত সময়ছোৱাত চিকিৎসালয়ৰ নিকট বিদ্যালয়সমূহক বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি পুৰস্কাৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক স্বাধীনতা দিৱসৰ দিনটোতে বঁটা প্ৰদান কৰা হয়। সেইমৰ্মে বেজেৰা সামূহিক স্বাস্থ্যকেন্দ্ৰ প্ৰাংগণত উপ-অধীক্ষক ডাঃ দাসৰ সঞ্চালনাত এখন সম্বৰ্ধনা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত বিশিষ্ট লেখিকা তথা সমাজসেৱিকা উৰ্বশী চৌধুৰী আৰু সমাজকৰ্মী জহুৰুদ্দিন আহমেদক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তদুপৰি স্বাধীনতা দিৱসৰ দিনটোত চিকিৎসালয়খনৰ আশা কৰ্মীসকলৰ মাজত অনুষ্ঠিত কৰা হয় বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী আশা কৰ্মীক এখনকৈ মানপত্ৰ প্ৰদান কৰাৰ লগতে খেল-ধেমালিত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্তক এই সভাতে পুৰস্কাৰ প্ৰদান কৰা হয়। সম্বৰ্ধনা আৰু বঁটা বিতৰণী সভাখনত বেজেৰা সামূহিক স্বাস্থ্যকেন্দ্ৰ পৰিচালনা সমিতিৰ সদস্য আৰিফ আহমেদ উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে স্বাস্থ্যকৰ্মী বসন্ত ডেকাই। শলাগৰ শৰাই আগবঢ়ায় অমলকৃষ্ণ ৰাজবংশীয়ে।

# গোপালনেৰে স্বাৱলম্বী হোৱা যুৱকক চৰকাৰৰ স্বীকৃতি

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৮ আগষ্ট ঃ** সচৰাচৰ শাসকীয় বিজেপি দলৰ মন্ত্ৰী, বিধায়ক, নেতা-পালিনেতাসকলৰ মুখত শুনা যায় আত্মনিৰ্ভৰ ভাৰত, আত্মনিৰ্ভৰ অসমৰ শ্ল'গান; কিন্তু বহু সময়ত এই শ্ল'গান কেৱল ভাষণৰ মাজতে আৱদ্ধ থকা পৰিলক্ষিত হয়। অৱশ্যে ইয়াৰ মাজতে এই শ্ল'গানক হাতে-কামে কৰি দেখুৱাইছে টীয়কৰ মেলেং অঞ্চলৰ যুৱক ৰাতুল বৰঠাকুৰে। বিজেপিৰ চিপাহীখোলা মণ্ডলৰ সভাপতিৰ দৰে পদত কাৰ্যনিৰ্বাহ কৰাৰ পাছতো অন্যান্য দলীয় নেতা-পালিনেতাৰ দৰে কেৱল ৰাজনৈতিক ক্ষেত্ৰখনতে আৱদ্ধ নাথাকি বৰঠাকুৰে গোপালনৰে স্বাৱলম্বী হোৱাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। যাৰ বাবে স্বাধীনতা দিৱসৰ দিনা অসম চৰকাৰে স্বীকৃতি প্ৰদান কৰি উৎসাহিত কৰিলে বৰঠাকুৰক। ইপিনে, এনে কৰ্মত উঠি অহা প্ৰজন্মক নিজকে নিয়োগ কৰি আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনাই এইক্ষেত্ৰত তেনে যুৱক-যুৱতীক চৰকাৰখনক সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনাইছে আদৰ্শ গো-পালকজনে।

# ডিগবৈৰ টিংৰাইত পুখুৰীত পৰি এগৰাকী মহিলাৰ মৃত্যু

**ডিগবৈ, ১৮ আগষ্ট ঃ** ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত টিংৰাই এক নম্বৰ অসমীয়া গাঁৱত এগৰাকী অবিবাহিতা মহিলা নিজৰ ঘৰৰ পুখুৰীত পৰি মৃত্যু হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য অনুসৰি অবিবাহিতা মহিলাগৰাকীৰ নাম ভাৰতী মৰাণ (৪৫)। পৰৱৰ্তী সময়ত ঘৰৰ লোকে পুখুৰীত মৃতদেহ পৰি থকা প্ৰত্যক্ষ কৰি ডিগবৈ আৰক্ষীক খবৰ দিয়াত মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# ৰঙাপাৰাত সম্ভাৱনা দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**ৰঙাপাৰা, ১৮ আগষ্ট ঃ** সম্ভাৱনা দিৱস আজি ৰঙাপাৰাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত উদযাপন কৰা হয়। ৰঙাপাৰা উন্নয়ন খণ্ডৰ কাৰ্যালয়ত অনুষ্ঠিত সভাত খণ্ড উন্নয়ন বিষয়া নিশিনাথ শৰ্মাই সভাত উপস্থিত সকলোকে শপত বাক্য পাঠ কৰোৱায়। সভাত খণ্ড উন্নয়ন বিষয়া শৰ্মাই জাতি, সম্প্ৰদায়, ধৰ্ম আৰু ভাষাৰ ওপৰত ভিত্তি কৰি বৈষম্য নকৰিবলৈ আৰু সকলো নাগৰিকৰ মাজত যাতে একতা আৰু সম্প্ৰীতি অক্ষুন্ন থাকে তাৰ বাবে কাম কৰাৰ পৰামৰ্শ আগবঢ়ায়। ১৩ পৃষ্ঠাত চাওক

# ধৰ্মপ্ৰাণ ব্যক্তি নীলকান্ত বড়াৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১৮ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ খনামুখৰ অঞ্চলৰ দুলীয়া গাঁৱৰ নিবাসী তথা প্ৰবীণ ধৰ্মপ্ৰাণ ব্যক্তি নীলকান্ত বড়া (৭০) আৰু নাই। আজি দুপৰীয়া বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত বড়াৰ মৃত্যু হয়। উল্লেখ্য যে বাৰ্ধক্যজনিত কাৰণত প্ৰায় এসপ্তাহ পূৰ্বে ধৰ্মপ্ৰাণ বড়া শিৱসাগৰৰ প্ৰগতি নাৰ্ছিংহোমত চিকিৎসাধীন হৈ আছিল। কিন্তু স্বাস্থ্য আৰোগ্য নোহোৱাত বড়াক উন্নত চিকিৎসাৰ বাবে পৰিয়ালে ডিব্ৰুগড়লৈ নি থকা অৱস্থাত বাটতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত ধৰ্মপ্ৰাণ লোকজনে পত্নীসহ তিনিজন পুত্ৰ, বোৱাৰী, দুগৰাকী কন্যা, দুই জোঁৱাইকে ধৰি নাতি-নাতিনীক ইহ-সংসাৰত এৰি যায়। বড়াৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

# গুৱাহাটীবাসী বৰক্ষেত্ৰী ৰাইজৰ সভা

**গুৱাহাটী, ১৮ আগষ্ট ঃ** বৰক্ষেত্ৰী অঞ্চলৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক দিশৰ উন্নতি আৰু গুৱাহাটীবাসী বৰক্ষেত্ৰী ৰাইজৰ বিভিন্ন দিশ আলোচনাৰ কাৰণে ২১ আগষ্টত দিনৰ ১০ বজাত প্ৰাগজ্যোতিষ কলেজৰ সভাগৃহত এখন সাধাৰণ সভা আহ্বান কৰা হৈছে। সভাত 'বৰক্ষেত্ৰীয়ান'সকলৰ উপস্থিতি আহ্বায়ক কমিটীৰ হকে প্ৰফুল্ল চন্দ্ৰ মেধি, নিৰঞ্জন তালুকদাৰ আৰু গুণেশ্বৰ কৈৱৰ্তই আহ্বান কৰিছে।

# সাফল্যৰ এটা বছৰ 'ৰ'দালি প্ৰকাশন' আৰু 'ৰ'দালি' কাব্যালোচনীৰ

**সৰুপথাৰ, ১৮ আগষ্ট ঃ** দৈয়াং ধনশিৰিৰ সমন্বয় ক্ষেত্ৰ ধনশিৰি মহকুমাত প্ৰতিভাৰ অভাৱ নাই। ক্ৰীড়া, সংস্কৃতি, কবিতা-সাহিত্য চৰ্চা সকলো দিশতে চহকী ধনশিৰি মহকুমা। নানান দিশৰ লগতে কাব্য জগতখনো কেইজনমান স্বনামধন্য ব্যক্তিৰ আপ্ৰাণ চেষ্টাত সদায় জিলিকি আছে। ২০২১ৰ ছেপ্টেম্বৰত প্ৰকাশিত মাহেকীয়া আলোচনী 'ৰ'দালি'য়ে গোলাঘাট জিলাৰ সৰুপথাৰস্থিত 'ৰ'দালি প্ৰকাশন'ৰ যোগেদি ধাৰাবাহিকভাৱে কবিতা প্ৰকাশ কৰি পাঠক সমাজলৈ আগবঢ়াই দিয়াৰ লগতে অসমীয়া কাব্য সাহিত্যত যথেষ্ট পৰিমাণে অৱদান আগবঢ়াই আহিছে। কাব্য সাহিত্যৰ প্ৰতি নৱপ্ৰজন্মক আকৰ্ষিত কৰাৰ লগতে আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যৰে ১৩ পৃষ্ঠাত চাওক

**বিশৃংখলতাৰে চলিছে মেৰাপানীৰ গৰু-ম'হৰ বজাৰ ঃ মহলদাৰৰ বিৰুদ্ধে তীব্ৰ অসন্তুষ্টি ব্যৱসায়ীৰ**

# দৈনিক শ শ গৰু নগালেণ্ডলৈ সৰবৰাহ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১৮ আগষ্ট ঃ** গোলাঘাট জিলাৰ গমাৰিগুৰি উন্নয়ন খণ্ডৰ আঞ্চলিক পঞ্চায়তৰ অধীনস্থ মেৰাপানী গৰু,ম'হ আৰু ছাগলী বিক্ৰী দৈনিক বজাৰখন কিছুদিনৰ পৰা বিশৃংখলতাৰে চলি অহা বুলি একাংশ ব্যৱসায়ীয়ে অভিযোগ তুলিছে। তেওঁলোকে কৰা অভিযোগ মতে, মেৰাপানীৰ গৰু, ম'হৰ বজাৰৰ এতিয়া মহলদাৰৰ নামত একাংশ ব্যৱসায়ীৰ হাৰাশাস্তি কৰি আহিছে। আন্তঃৰাজ্যিক গৰু সৰবৰাহ বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত মেৰাপানীৰ একাংশ ব্যৱসায়ীয়ে চৰকাৰী নিৰ্দেশনা মানি নগালেণ্ডলৈ গৰু, ম'হ সৰবৰাহ বা বিক্ৰী বন্ধ ৰাখিছে যদিও আন একাংশ ব্যৱসায়ীয়ে চৰকাৰী আইন উলংঘা কৰি দৈনিক শ শ গৰু নগালেণ্ডলৈ সৰবৰাহ কৰি আহিছে। যাৰ ফলত এতিয়া ব্যৱসায়ীসকলৰ বিশৃংখলতাৰ সৃষ্টি হৈছে। আন এক অভিযোগ মতে কোনো লোকে গৰু কিনি পথাৰত এবাল দিবলৈ নিলেও মহলদাৰে বিক্ৰী কৰিবলৈ যোৱা বুলি সন্দেহ প্ৰকাশ কৰি ৰছিদ ল'বলৈ জোৰ-জুলুম কৰে মহলদাৰে। উল্লেখ্য যে দীৰ্ঘদিনীয়া মেৰাপানী গৰু বজাৰখন বিগত সময়ত ভালদৰে চলিছিল যদিও শেহতীয়াকৈ বিশৃংখলভাৱে চলিবলৈ ধৰিছে। উল্লেখ্য যে এই বৰ্ষত প্ৰথমতে মেৰাপানীৰে জালালউদ্দিন নামৰ যুৱক এজনে নিবিদা লাভ কৰিছিল যদিও বৰ্তমান চৰকাৰে আন্তঃৰাজ্যিক গৰু বিক্ৰী বন্ধ ৰখাৰ পৰিপ্ৰেক্ষিতত তেওঁ লোকচানৰ সন্মুখীন হোৱাৰ আশংকাত কিছুদিনৰ পাছতেই বিভাগীয় কৰ্তৃপক্ষক গতাই দিয়ে। ইয়াৰ পাছত উক্ত বজাৰ পুনৰ নিবিদা হোৱা নাই যদিও মেৰাপানীৰ কেইজনমান যুৱকে বিভাগীয় বিষয়াৰ পৰা উক্ত গৰু বজাৰখন চলাবলৈ নিয়ে সেই কথা স্পষ্ট হোৱা নাই। আনহাতে, মেৰাপানী গৰু, ম'হৰ বজাৰখন পূৰ্বতে মেৰাপানীৰ এটা স্থানত চলি আছিছিল য'ত গৰু-ম'হ কিনা বেচা হয়; কিন্তু এই স্থানত বৰ্তমান গৰুবজাৰ নবহে। যাৰ বাবে বৰ্তমান বজাৰৰ মহলদাৰৰ বিপদত পৰিছে। এনে পৰিপ্ৰেক্ষিতত মহলদাৰৰ বিৰুদ্ধে অসন্তুষ্ট হৈ পৰিছে একাংশ ব্যৱসায়ী। সেয়েহে বিভাগীয় উৰ্দ্ধতন কৰ্তৃপক্ষই মেৰাপানী গৰু-ম'হৰ বজাৰখন নিৰ্দিষ্ট স্থানত বহুৱাই বিশৃংখল পৰিবেশ দূৰ কৰিবলৈ ৰাইজে আহ্বান জনাইছে।




*কাজলগাঁৱত অনুষ্ঠিত কাৰ্যসূচীত ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰী, বৃহস্পতিবাৰে।*

# নিবনুৱাৰ জীৱনক লৈ হেতালি প্ৰাক্তন ছাত্ৰ নেতাৰ ঃ এজাহাৰ দাখিল

**অগ্ৰদূত বাৰ্তা**



**শুৱালকুছি, ১৮ আগষ্ট ঃ** শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থাৰ সদ্য নিলম্বিত সভাপতি দেৱজিৎ বেজবৰুৱাৰ দ্বাৰা নিবনুৱা যুৱক-যুৱতীৰ জীৱনক লৈ হেতালি কৰা ঘটনা এটি পোহৰলৈ আহিছে। ঘটনাত ভুক্তভোগী এগৰাকী যুৱতীয়ে যোৱা ১৬ আগষ্টত শুৱালকুছি আৰক্ষী থানাত ছাত্ৰ নেতাজনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাত অঞ্চলজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ভুক্তভোগী নিবনুৱা যুৱতীগৰাকী হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিনিধিত্ব কৰা জালুকবাৰী সমষ্টিৰ শুৱালকুছি শংকৰ মন্দিৰ ৰোডৰ অনামিকা কলিতা। তেওঁ জানিবলৈ দিয়া অনুসৰি, ছাত্ৰ নেতা তথা শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি দেৱজিৎ বেজবৰুৱাই শংকৰ মন্দিৰ ৰোডত এটি অনলাইনৰ আবেদন কেন্দ্ৰ মুকলি কৰি নিবনুৱা যুৱক-যুৱতীসকলৰ চৰকাৰী চাকৰিৰ আবেদন কৰিছিল। ভুক্তভোগী যুৱতীগৰাকীয়েও ২৮ আগষ্টত হ'বলগীয়া চৰকাৰৰ ২৬ হেজাৰ চৰকাৰী তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ আবেদন কৰি ১২০০ টকা ভৰ্তি মাচুল আদায় দিয়ে। যোৱা ছয় জুনত কৰা আবেদনৰ ১৩ পৃষ্ঠাত চাওক

**মৰাণত টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সংবাদমেল**

# 'অতি শীঘ্ৰে আহোম জাতি মুৰ্দাবাদ' শ্ল'গান দিয়া লোকক গ্ৰেপ্তাৰ নকৰিলে পুনৰ আন্দোলনৰ হুংকাৰ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১৮ আগষ্ট ঃ** যোৱা ২৯ জুলাইত বিজেপি নেত্ৰী আঙুৰলতা ডেকাৰ নেতৃত্বত এটা প্ৰতিবাদী সমদলত 'আহোম জাতি মুৰ্দাবাদ' শ্ল'গান দি আহোম জাতিক অপমান কৰাত ক্ষুব্ধ হৈ আছে সমগ্ৰ আহোম জাতিৰ লগতে আহোমৰ দল-সংগঠন। কিন্তু ৰহস্যজনকভাৱে দিছপুৰ থানাত এজাহাৰ দাখিল কৰাৰ পাছতো উক্ত শ্ল'গান দিয়া লোকজনক আজিলৈকে অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব নোৱৰাত টাইপাই অসম চৰকাৰক সংবাদমেলৰ যোগেদি অসম আৰক্ষীৰ ব্যৰ্থতাৰ লগতে আহোম জাতিক বিজেপি চৰকাৰখনে অপমান কৰাৰ এজেণ্ডা লৈছে নেকি বুলি প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ উপৰি আহোমৰ বিভিন্ন অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি এখন নাটক সৃষ্টি কৰিছে নেকি বুলি প্ৰশ্ন উত্থাপন কৰে টাইপাৰ কেন্দ্ৰীয় সমিতিয়ে। অতি শীঘ্ৰে আহোম জনগোষ্ঠীক মুৰ্দাবাদ শ্ল'গান দিয়া লোকজনক আটক নকৰিলে দিছপুৰ ঘেৰাও আৰু বিজেপিৰ মুখ্য কাৰ্যালয় ঘেৰাও কাৰ্যসূচী হাতত ল'ব বুলি আজি মৰাণত অনুষ্ঠিত এখন সংবাদমেলত কেন্দ্ৰীয় টাইপাৰ সমিতি বিষয়ববীয়সকলে সদৰী কৰে আৰু উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব বুলি হুংকাৰ দিয়ে।

# ঢেকিয়াজুলি আছুৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ১৮ আগষ্ট ঃ** ছহিদ নগৰী ঢেকিয়াজুলিৰ ত্ৰিমূৰ্তি প্ৰেক্ষাগৃহত আজি ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাই বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰি ঢেকিয়াজুলি অঞ্চলৰ ২০২২ৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায়। দিনৰ ১১ বজাত শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিত নাথৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শংকৰ দাসে। অনুষ্ঠানত ২০২২ৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ডিষ্টিংছন আৰু ষ্টাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা বৃহত্তৰ ঢেকিয়াজুলি অঞ্চলৰ ২৯ খন শিক্ষানুষ্ঠানৰ ২৩৭ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। কৃতী ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচা, মানপত্ৰ আদিৰে অভিন্দন জনোৱাৰ লগতে শিক্ষানুষ্ঠানসমূহৰ মুৰব্বীসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰীয়ে নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰি কয়, 'ছাত্ৰ-ছাত্ৰীসকলে সময়ৰ প্ৰতি লক্ষ্য ৰাখি খোজ দিয়া উচিত।' তেওঁ পুনৰ কয় যে সময় অতি মূল্যৱান। গতিকে আমি সকলোৱে সময়ৰ সদ্ ব্যৱহাৰ কৰিবলৈ জানিব লাগে। জীৱন গঢ়াৰ সংকল্প লৈ ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি যোৱা উচিত বুলি তেওঁ উল্লেখ কৰে। তেওঁ পুনৰ কয়, 'বৰ্তমান সময়ত সামাজিক মাধ্যম অধিক জনপ্ৰিয় হৈ উঠিছে। ছাত্ৰ-ছাত্ৰীসকল সামাজিক মাধ্যমৰ প্ৰতি আকৰ্ষিত হৈছে। কিন্তু সামাজিক মাধ্যম ব্যৱহাৰৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকল সচেতন থাকিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দিষ্ট সময়ত ম'বাইল ফোন ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱাৰ লগতে একাগ্ৰতাৰে অধ্যয়ন কৰি যাবলৈ তেওঁ আহ্বান জনায়। অনুষ্ঠানত দৰং ১৩ পৃষ্ঠাত চাওক

# তেজপুৰৰ সত্ৰ নামঘৰত ভাদৰ ভক্তিৰসৰ অনন্য পৰিৱেশ



**বাৰহলীয়াত নামঘৰৰ প্ৰতিষ্ঠা দিৱস ঃ মাজগাঁও বৰনামঘৰত জয় বিজয় মূৰ্তি স্থাপন**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৮ আগষ্ট ঃ** ৰাজ্যৰ জাতীয় জীৱনৰে সংপৃক্ত সত্ৰ নামঘৰসমূহত ভাদ মাহ উপলক্ষে আৰম্ভ হোৱা নাম প্ৰসংগ, হৰিনাম, কীৰ্তনৰ অনন্য পৰিৱেশত ডুব গৈছে তেজপুৰৰো সকলো সত্ৰ-নামঘৰ। আয়তী-নামতী আৰু ভকত-বৈষ্ণৱৰ এবুকু আবেগ জড়িত থকা এই পবিত্ৰ ভাদৰ ঐতিহ্য আৰু পৰম্পৰা অনুসৰি এতিয়া সৰ্বত্ৰে সৃষ্টি হৈছে হৰিনাম কীৰ্তনৰ অমিয়া পৰিৱেশ। তেজপুৰৰ ডিপোটা, বেছেৰীয়া, মিলনপুৰ, পৰ্বতীয়া, মাজগাঁও, ডেকাৰগাঁও, মৰাভৰলীপাৰ, শইকীয়া চুবুৰি, ঘৰপৰা চুবুৰি, কলিবাৰী, ডেউৰীগাঁও, মুঢ়াতেতেলী, হজৰাপাৰ, ১৩ পৃষ্ঠাত চাওক

# টিহুৰ টৌমাৰী-ৰতনপুৰ শিৱাশ্ৰমত পূজা-অৰ্চনা, ভাগৱত পাঠ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৮ আগষ্ট ঃ** টিহুৰ সমীপৱৰ্তী টৌমাৰী-ৰতনপুৰ শিৱাশ্ৰমত পবিত্ৰ শাওণৰ শেষবটো সোমবাৰে ভোলানাথ শিৱৰ পূজা-অৰ্চনা অনুষ্ঠিত কৰাৰ লগতে ভাগৱত পাঠ কৰা হয়। শিৱাশ্ৰম পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত আৰু কুমুদ বৰ্মন, ৰিংকু বড়ো, তৰুণ ৰামছিয়াৰী আদিয়ে পৰিচালনা কৰা অনুষ্ঠানটোত যথেষ্ট সংখ্যক ভক্তৰ ভিৰ হয়। দূৰ- দূৰণিৰ পৰা অহা যুৱতী-মহিলাসকলে ধূপ চাকি নৈবেদ্য আগবঢ়াই ভোলানাথ শিৱক মনোকামনা পূৰ্ণ কৰিবলৈ ভক্তিভৰা প্ৰাৰ্থনা জনায়। তদুপৰি ১২ গৰাকী শিশু গৰখীয়াক বিভিন্ন দান-দক্ষিণাৰে সেৱা আগবঢ়োৱা হয়।

# টিহু আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক বিশেষ অভিনন্দন জ্ঞাপন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৮ আগষ্ট ঃ** অসমৰ শিক্ষা ব্যৱস্থা অধিক উন্নত কৰিবলৈ এক পৰিকল্পিত শিক্ষানীতি গ্ৰহণ কৰিবলৈ চৰকাৰলৈ মুকলি আহ্বান জনাইছে সদৌ অসম ছাত্ৰ সন্থাই। যোৱা ১৪ আগষ্টত টিহু মহাবিদ্যালয় প্ৰেক্ষাগৃহত টিহু আঞ্চলিক ছাত্ৰ সন্থাই আয়োজন কৰা কৃতী শিক্ষাৰ্থীৰ বিশেষ অভিনন্দন অনুষ্ঠানত ভাষণ আগবঢ়াই এই দাবী উত্থাপন কৰি সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক ৰিয়াজুদ্দিন আহমেদে কয় যে অসমত পৰিকল্পিত শিক্ষানীতিৰ প্ৰয়োজন আছে। তেওঁ চৰকাৰে আদৰ্শ বিদ্যালয়ৰ শিক্ষাৰ্থীৰ পৰা মাচুল আদায়ৰ বাবে কৰা চিন্তা-চৰ্চাৰ বিৰোধিতা কৰি কয় যে শিশুৰ শিক্ষাৰ মৌলিক অধিকাৰ মতেই চৰকাৰে ১৪ বছৰ বয়সৰ তলৰ শিক্ষাৰ্থীক বিনামূলীয়া শিক্ষা প্ৰদান কৰিবলৈ বাধ্য। ভাষণ ১৩ পৃষ্ঠাত চাওক

# গোৱালপাৰাৰ ব্লাড বয় ৰাহুল খানৰ মানৱীয় উৎকৃষ্টতা বঁটা ২০২২ লাভ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৮ আগষ্ট ঃ** গোৱালপাৰাৰ ব্লাড বয়ৰূপে খ্যাতি অৰ্জন কৰা এইএম শ্বাহিদুজ জামান ওৰফে ৰাহুল খানক আই কেন ফাউণ্ডেছনে মানৱীয় উৎকৃষ্টতা বঁটা ২০২২ (হিউমেনিটেৰিয়ান এক্সেলেন্স এৱাৰ্ড-২০২২) প্ৰদান কৰে। বিশেষকৈ ৰক্তদানৰ জৰিয়তে জীৱন ৰক্ষাৰ দিশত আগবঢ়োৱা অপৰিসীম অৱদানৰ বাবেই আই কেন ফাউণ্ডেছনৰ প্ৰতিষ্ঠাতা তথা ৰাষ্ট্ৰীয় সভাপতি গৌৰৱ গৌতমে ৰাহুল খানক বছৰৰ শ্ৰেষ্ঠ সমাজকৰ্মী শাখাত এই মানৱীয় উৎকৃষ্টতাৰ বঁটা প্ৰদান কৰে। দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস আৰু বিশ্ব মানৱতা দিৱস (ৱাৰ্ড হিউমেনিটেৰিয়ান ডে) উপলক্ষে ১৫ আগষ্টত নতুন দিল্লীৰ গুৰগাঁৱৰ লীলা এম্বিয়েন্স হোটেল আৰু ৰেচিডেঞ্চত আয়োজিত এক অনুষ্ঠানত ৰাহুল খানক এই বঁটা প্ৰদান কৰা হয়। উক্ত বঁটা প্ৰদান অনুষ্ঠানত প্ৰখ্যাত চলচ্চিত্ৰ অভিনেতা সুৰেন্দ্ৰ পাল আৰু প্ৰধান ১৩ পৃষ্ঠাত চাওক

# অংশীদাৰৰ মাজত সূৰ্যগিৰি সমবায় সমিতিৰ লভ্যাংশৰ ধন বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৮ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ সূৰ্যগিৰি সমবায় সমিতি লিমিটেডৰ অংশীদাৰসকলৰ মাজত আজিৰে পৰা লভ্যাংশৰ ধন বিতৰণ কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। এই উপলক্ষে সমবায় সমিতিৰ সঞ্চালক মণ্ডলীৰ সভাপতি ছোবাহান আলীৰ পৌৰোহিত্যত সমবায়ৰ কাৰ্যালয়ত এখনি সভা অনুষ্ঠিত হয়। সমিতিখনৰ সচিব আফাজুদ্দিন আহমেদে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সঞ্চালক মণ্ডলীৰ সদস্য-সদস্যাসকলৰ লগতে ভালে সংখ্যক জ্যেষ্ঠ অংশীদাৰ উপস্থিত থাকে। বিগত সাধাৰণ সভাত লভ্যাংশৰ পৰা সমিতিখনৰ ১৪০৪ জন অংশীদাৰক ১০০ টকাকৈ মুঠ এক লাখ ৪০ হেজাৰ চাৰিশ টকা বিতৰণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই মৰ্মে আজিৰে পৰা ধনৰ বিতৰণ কাৰ্যসূচী আৰম্ভ কৰে কৰ্তৃপক্ষই। উল্লেখ্য যে ইয়াৰ পূৰ্বেও সমিতিখনৰ অংশীদাৰসকলক ৫০ টকাকৈ লভ্যাংশৰ ধন বিতৰণ কৰা হৈছিল বুলি সচিবে সদৰী কৰে। ইপিনে, চলিত বৰ্ষত ৩১ মাৰ্চলৈকে হোৱা হিচাপ মতে সমিতিখনে চৰকাৰিৰ পৰা মুঠ ৮৯ লাখ ৩৪৭৮০ টকা পাবলগীয়া থকা বুলিও সদৰী কৰে সচিব আহমেদে।

# যোৰহাট একাডেমীৰ নৱাগত আদৰণি সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৮ আগষ্ট ঃ** যোৰহাটৰ ৰবৈয়াত চলিত শিক্ষাবৰ্ষৰ পৰা পাঠদান আৰম্ভ হোৱা যোৰহাট একাডেমীৰ প্ৰথম নৱাগত আদৰণি সভা আজি দিনজোৱা কাৰ্যসূচীৰে সম্পন্ন হয়। শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ ড° অৰ্পণ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি উপাধ্যক্ষ বন্তি শিখা পাঠকে বিদ্যালয়ৰ ইতিহাস আৰু বৰ্তমানৰ সম্পৰ্কে চমুকৈ আলোকপাত কৰে। সঞ্চালক পৱন কুমাৰ হাজৰিকাই লিখিত আদৰণি ভাষণ প্ৰদান কৰা সভাত এটি বৰগীত পৰিৱেশনেৰে আৰম্ভ কৰে অঞ্জলি বৰুৱাই। শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ গীত পৰিৱেশন কৰে। সভাত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি ঔপন্যাসিক, নিবন্ধকাৰ, সুবক্তা, উত্তৰ-পূব বিজ্ঞান প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী ড° মালিনী ওৰফে নীলিমা শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি মননশীল বক্তৃতা প্ৰদান কৰে। ড° মালিনীয়ে 'সময়' নামৰ প্ৰাচীৰ পত্ৰিকাখনো উন্মোচন কৰে। সভাত যোৰহাট বৰুৱা ১৩ পৃষ্ঠাত চাওক

# নাজিৰাৰ জৱাহৰ নবোদয় বিদ্যালয়ৰ ছাত্ৰাৱাসত মাৰপিটৰ ঘটনা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৮ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ নাজিৰাৰ জৱাহৰ নবোদয় বিদ্যালয়ৰ ছাত্ৰাৱাসত গুটখা খোৱাক লৈ দশম আৰু একাদশ শ্ৰেণীৰ ছাত্ৰৰ মাজত যোৱা নিশা মাৰপিটৰ ঘটনা সংঘটিত হোৱাত কে'বাজনো ছাত্ৰ গুৰুতৰ আঘাতপ্ৰাপ্ত হয়। ঘটনাস্থলীত বিদ্যালয়ৰ অধ্যক্ষ উপস্থিত হৈ ঘটনাৰ পাছতেই বিদ্যালয়খনৰ ছজন ছাত্ৰক বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰে।

# আজি গুৱাহাটীত দিল্লীৰ বিৰুদ্ধে কেৰালা



## ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল

# মনিপুৰৰ প্ৰথম মেচত নেৰ'কাৰ জয়

**ইম্ফল, ১৮ আগষ্ট ঃ** ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ মেচ আজিৰে পৰা আৰম্ভ হৈছে উত্তৰ পূৰৱ আন এখন ৰাজ্য মণিপুৰত। ইম্ফলৰ খুমান লাম্পক ষ্টেডিয়ামত আজি নৈশালোকত অনুষ্ঠিত হোৱা গ্ৰুপ 'চি'ৰ প্ৰথম মেচখনত নেৰ'কা এফ চিয়ে ৩-১ গ'লত পৰাস্ত কৰে টিডিম ৰ'ড এথলেটিক ইউনিয়ন ক্লাবক। দুই ঘৰুৱা দলৰ মাজৰ মেচখনত খেলৰ ১৬ মিনিটত টাংভা ৰাগুইৰ গ'লেৰে প্ৰথমে অগ্ৰগতি লয় নেৰ'কাই। কিন্তু ১৯ মিনিটত টিডিম দলৰ হৈ ক'মৰন টুৰ্ছুনভে গ'ল কৰি মেচত সমতা স্থাপন কৰে। ইফালে, ৩৬ মিনিটত থ'মিমো ছিমৰায়ে গ'ল কৰি বিৰতিলৈ নেৰ'কাক ২-১ গ'লত আগুৱাই ৰাখে। দ্বিতীয়াৰ্ধৰ খেল আৰম্ভ হোৱাত নেৰ'কাৰ অগ্ৰগতি ৩-১ লৈ বৃদ্ধি কৰে নাইজেৰিয়ান ষ্ট্ৰাইকাৰ জন চিডিয়ে মেচৰ ৫০ মিনিটত গ'ল কৰি। বিপৰীতে টিডিমে চেষ্টা কৰিয়ো প্ৰত্যাৱৰ্তন কৰাত সফল নহ'ল আৰু পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে নেৰ'কা এফ চিয়ে নিজৰ দ্বিতীয় মেচখন অহা ২৪ আগষ্টত আৰ্মি ৰেড ফুটবল দলৰ বিৰুদ্ধে খেলাৰ বিপৰীতে টিডিম ৰ'ড এথলেটিক ইউনিয়ন ক্লাবে অহা ২২ আগষ্টত পৰবৰ্তী মেচত মুখামুখি হ'ব হায়দৰাবাদ এফ চিৰ। গ্ৰুপ 'চি'ৰ এই মেচ দুখন ইম্ফলৰ খুমান লাম্পক ষ্টেডিয়ামতে অনুষ্ঠিত হ'ব।

## কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত চমকপ্ৰদ জয়ৰে অভিযান আৰম্ভ মুম্বাই চিটী দলৰ

**কলকাতা, ১৮ আগষ্ট ঃ** চলিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত অনুষ্ঠিত হোৱা দিনটোৰ প্ৰথম মেচত মুম্বাই চিটী এফ চিয়ে ৪-১ গ'লত ভাৰতীয় নৌ সেনা দলক হৰুৱাই চমকপ্ৰদ আৰম্ভণি কৰিছে। প্ৰতিযোগিতাৰ গ্ৰুপ 'বি'ৰ প্ৰথম মেচখনত নৌ সেনাই ৪৩ মিনিটত প্ৰথমে গ'ল কৰি অগ্ৰগতি লৈছিল যদিও শক্তিশালী প্ৰত্যাৱৰ্তন কৰে মুম্বাই চিটীয়ে। ৪৫ মিনিটত বিক্ৰম সিঙৰ গ'লেৰে সমতা স্থাপন কৰা মুম্বাই দলে ৬৫ মিনিটত লাভ কৰে পেনাল্টি। জেমছ শ্বেৰাৰ্টে এই সুযোগ সফল কৰি মুম্বাইক ২-১ ৰ অগ্ৰগতি দিয়ে। আনহাতে, অন্তিম ক্ষণত লালিয়ানজুলা চচাংটে (৮৯,৯০ মিনিট) দুটা গ'ল কৰে। মুম্বাই চিটী এফ চিয়ে নিজৰ দ্বিতীয় মেচত অহা ২৪ আগষ্টত এ টি কে মোহন বাগান ফুটবল ক্লাবৰ মুখামুখি হোৱাৰ বিপৰীতে ভাৰতীয় নৌ সেনা দলে অহা ২২ আগষ্টত ইষ্ট বেংগল ক্লাব বিৰুদ্ধে পৰবৰ্তী মেচখন খেলিব। গ্ৰুপ 'বি'ৰ এই দুয়োখন মেচে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ কাইলৈ হ'ব লগা প্ৰথমখন মেচত এফ চি গোৱা দলে খেলিব ভাৰতীয় বায়ু সেনা দলৰ বিৰুদ্ধে। গ্ৰুপ 'এ' ৰ এই মেচখন দিনৰ তিনি বজাত কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগণত অনুষ্ঠিত হ'ব। উল্লেখ্য যে বিগত বৰ্ষৰ চেম্পিয়ন গোৱা প্ৰথম মেচতে ব্যৰ্থতাৰ সন্মুখীন হৈছিল। ইফালে, দ্বিতীয় মেচখন নিশা ছয় বজাৰ পৰা গুৱাহাটীৰ সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত হ'ব। গ্ৰুপ 'ডি'ৰ এই মেচখনত দিল্লী এফ চিয়ে খেলিব কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ বিৰুদ্ধে। উল্লেখ্য যে উভয় দলৰে এয়া ছিজনৰ প্ৰথমখন মেচ।





# প্ৰথম এদিনীয়াত জিম্বাব'ৱেৰ বিৰুদ্ধে ভাৰতৰ জয়লাভ

**হাৰাৰে, ১৮ আগষ্ট ঃ** ভাৰতে জিম্বাব'ৱেৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত ১০ উইকেটত জয়লাভ কৰিছে। আজি হোৱা মেচখনত পোনতে বেটিং কৰা ঘৰুৱা দলে ৪০.৩ অভাৰতে মাত্ৰ ১৮৯ ৰাণত ইনিংছ সামৰে। উল্লেখ্য যে জিম্বাব'ৱে ১১০ ৰাণতে আঠটা উইকেট হেৰুওৱাৰ পাছত নৱম উইকেটত অৰ্ধশতকীয় যুটি হোৱাত সন্মানজনক স্থিতিত উপনীত হয়। ভাৰতৰ হৈ দীপক চাহাৰ, কৃষ্ণা আৰু অক্ষৰ পেটেলে তিনিটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত ভাৰতৰ দুই অপেনিং বেটছমেনৰ অপৰাজিত দৰ্শনীয় বেটিঙৰে ৩০.৫ অভাৰতে ১৯২ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। শিখৰ ধৱনে ৮১ ৰাণত আৰু শুভমন গিলে ৮২ ৰাণ কৰি অপৰাজিত থাকে।

## ৰাজ্যৰ ৩৭ খন জিলাৰ কেডেট, জুনিয়ৰ, ছাব-জুনিয়ৰ খেলুৱৈৰ অংশগ্ৰহণ

# দুলীয়াজানত সদৌ অসম টাইকোৱান-ড' আৰম্ভ

**অগ্ৰদূত বাৰ্তা, দুলীয়াজান,১৮ আগষ্ট ঃ** দুলীয়াজানত আজিৰ পৰা আৰম্ভ হৈছে সদৌ অসম টাইকোৱান-ড' চেম্পিয়নশ্বিপ। ডিব্ৰুগড় জিলা টাইকোৱান-ড' সন্থাৰ উদ্যোগত আৰু অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত দুলীয়াজানৰ বিহুতলী প্ৰাঙ্গণত চাৰি দিনীয়াকৈ অনুষ্ঠিত এই চেম্পিয়নশ্বিপত অসমৰ ৩৭ খন জিলাৰ কেডেট, জুনিয়ৰ আৰু ছাব-জুনিয়ৰ শাখাৰ মুঠ ১৬ শ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। অহা ২০ আগষ্টত সামৰণি পৰিব লগা চেম্পিয়নশ্বিপৰ আজি শুভ উদ্বোধন কৰে অইল ইণ্ডিয়া লিমিটেডৰ মূখ্য আৱাসিক বিষয়া প্ৰশান্ত বৰকাকতীয়ে। অনুষ্ঠানত সদৌ অসম টাইকোৱান-ড' সন্থাৰ সাধাৰণ সম্পাদক হিৰণ্য শইকীয়া। অসম চৰকাৰৰ পৰ্যটন নিগমৰ অধ্যক্ষ তথা ডিব্ৰুগড় জিলা টাইকোৱান-ড' সন্থাৰ সভাপতি ঋতুপৰ্ণ বৰুৱা, অভ্যৰ্থনা সমিতিৰ সভাপতি তথা অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যবাহী সঞ্চালক অতিন্দ্ৰ ৰয় চৌধুৰীকে ধৰি বহু কেইগৰাকী বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানৰত পূব মণ্ডল টাইকোৱান-ড' সন্থাই প্ৰবীণ খেলুৱৈ ইমৰাদুল হক আৰু ক্ষীৰোদ সোণোৱালক গামোচা, চেলেং আৰু এখন প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনায়। ইফালে আজি পুৱা সদৌ অসম টাইকোৱান-ড' সন্থাৰ পতাকা উত্তোলন কৰে হিৰণ্য শইকীয়াই, অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি অতিন্দ্ৰ ৰয় চৌধুৰী আৰু ডিব্ৰুগড় জিলা টাইকোৱান-ড' সন্থাৰ পতাকা উত্তোলন কৰে জিলা সভাপতি ঋতুপৰ্ণ বৰুৱাই। স্মৃতি তৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি আদিত্য গোস্বামী আৰু সম্পাদক পংকজ গোস্বামীয়ে।



## আন্তঃস্কুল ফুটবল

অগ্ৰদূতবাৰ্তা

**শুৱালকুছি, ১৮ আগষ্ট ঃ** শুৱালকুছি ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা শুৱালকুছি উন্নয়ণ খণ্ড আন্তঃস্কুল ফুটবল প্ৰতিযোগিতাৰ আজিৰ এখন খেলত শুৱালকুছি এঞ্জেলছ ইংলিছ স্কুল আৰু বংশৰ ভৃংগেশ্বৰ হাইস্কুলৰ মাজত হোৱা খেল খনত গ'লশূণ্য ভাবে সমাপ্ত হয় । নিৰ্ধাৰিত সময়ত কোনো দলে গ'ল দিব নোৱাৰাত উভয় দলকে সমানে পইন্ট ভগাই দিয়ে । আন এখন খেল শুৱালকুছি উচ্চতৰ মাধ্যমিক আৰু জ্ঞানদ্বীপ একাডেমিৰ মাজত অনুষ্ঠিত হয় । তীব্ৰ উত্তেজনা পূৰ্ণ খেলখনৰ অন্তিম সময়ত একমাত্ৰ গ'ল দি শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ে সম্পূৰ্ণ পইন্ট অৰ্জন কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।



ইংলণ্ডৰ বিৰুদ্ধে প্ৰথম টেষ্টত পাঁচটা উইকেট লাভ দক্ষিণ আফ্ৰিকাৰ ৰাবাডাৰ

## এদিনীয়া ফুটবল

অগ্ৰদূত বাৰ্তা

**দোতমা, ১৮ আগষ্ট ঃ** আজি কোকৰাঝাৰ জিলাৰ কৰ্তিমাৰী স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ খেলপথাৰত কৰ্তিমাৰী বদলাগাওঁ আঞ্চলিক আক্ৰাছুৰ উদ্দোগত আৰু কেন্দ্ৰৰ সহযোগত এদিনীয়া ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত ফুটবল প্ৰতিযোগিতাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি দীপেন ৰায়, আক্ৰাছুৰ প্ৰাক্তন প্ৰচাৰ সম্পাদক অঞ্জন কাৰ্জী, প্ৰাক্তন পশ্চিম কোকৰাঝাৰ আক্ৰাছুৰ সভাপতি দীলিপ বৰ্মন, পশ্চিম কোকৰাঝাৰ জিলা আক্ৰাছুৰ সভাপতি ৰতন ৰায়, স্বাস্থ্য কেন্দ্ৰৰ বিষয়া ৰূপম গোস্বামী, বিজেপিৰ ফকিৰাগ্ৰাম মণ্ডল যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক উৎপল চন্দ্ৰ ৰায়,বিজেপিৰ ফকিৰাগ্ৰাম মণ্ডলৰ সভাপতি মনোজ ৰায়, বিজেপিৰ গুমা মণ্ডলৰ সভাপতি নিলেশ্বৰ ৰায়। অৱশ্যে নেতা-বিশিষ্ট ব্যক্তি জড়িত থকাৰ পাছতো উক্ত খেলত প্ৰথম পুৰস্কাৰ হিচাপে ট্ৰফী আৰু মাত্ৰ নগদ দুই হেজাৰ টকা আৰু দ্বিতীয় পুৰস্কাৰ হিচাপে ট্ৰফী আৰু নগদ এহেজাৰ টকাহে দিব বুলি জানিবলৈ দিয়ে।

## কিক বক্সিঙত বিষ্ণুপ্ৰিয়াৰ সফলতা

**অগ্ৰদূত বাৰ্তা, খুমটাই, ১৮ আগষ্ট ঃ** কলকাতাত অনুষ্ঠিত ৰাষ্ট্ৰীয় কিক বক্সিংত অসমক প্ৰতিনিধিত্ব কৰি সোণ আৰু ব্ৰঞ্জৰ পদক লাভ কৰিছে খুমটাইৰ বেতিয়নী গাঁৱৰ বিষ্ণুপ্ৰিয়া বৰুৱাই। উল্লেখ্য যে চেম্পিয়নশ্বিপত দুটা শাখাত অংশগ্ৰহণ কৰি স্বৰ্ণ আৰু ব্ৰঞ্জ পদক পাবলৈ সক্ষম হোৱা বিষ্ণুপ্ৰিয়াৰ এই সফলতাত গৌৰৱান্বিত পিতৃ-মাতৃৰ লগতে বেতিয়নী গাঁওবাসী । আনহাতে আগন্তুক অক্টোবৰ-নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া আন্ত:ৰাষ্ট্ৰীয় কিক বক্সিঙলৈও নিৰ্বাচিত হৈছে প্ৰতিভাৱান খেলুৱৈগৰাকী। বৰ্তমান আন্তৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক জয়ৰ সপোন লৈ কঠোৰ অনুশীলনত ব্যস্ত বিষ্ণুপ্ৰিয়া। গ্ৰামাঞ্চলৰ পৰা গৈ ৰাষ্ট্ৰীয় পৰ্যায়ত সুখ্যাতি অৰ্জনৰ উপৰিও আন্ত:ৰাষ্ট্ৰীয় পৰ্যায়লৈ নিৰ্বাচিত হোৱাত আনন্দিত হৈ পৰিছে ক্ৰীড়াপ্ৰেমী।



## বি ডিভিজন ফুটবল লীগৰ ফাইনেলত ৰঞ্জিত ক্লাব

**যোৰহাট, ১৮ আগষ্ট ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুস্থিত হোৱা বি ডিভিজন ফুটবল প্ৰতিযোগিতাত আজি প্ৰথমখন ছেমিফাইনেলত ৰঞ্জিত ক্লাবে কাকজান ফুটবল ক্লাবক ২-১ গলত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। উত্তেজনাপূৰ্ণ খেলখনত দুয়োটা দলে কেইবাটাও সুন্দৰ সুযোগ অপ্ৰব্যৱহাৰ কৰে যদিও প্ৰথমাৰ্দ্ধৰ ৪৫ মিনিট ৰঞ্জিত ক্লাবৰ শ্বেখৰ মেৰপাছী দলক ১-০ ৰ অগ্ৰগতি দিয়ে। দ্বিতীয়াৰ্দ্ধৰ ৭০ মিনিটত ৰঞ্জিত ক্লাবৰ ৰক্ষক বিভাগৰ ভূলবুজাবুজিৰ বাবে কাকজান ফুটবল ক্লাবৰ মৃত্যুঞ্জয় শইকীয়াই গ'ল দি সমতা স্থাপন কৰে। কিন্তু ৮০ মিনিটত ৰঞ্জিত ক্লাবৰ প্ৰঞ্জান বড়াই গ'ল দি দলক বিজয়ী কৰোৱাত মুখ্য ভূমিকা গ্ৰহণ কৰে । আজি খেল পৰিচালনা কৰে ৰাজীৱ শইকীয়াই। লাইনত কৰে ৰঞ্জিত দত্ত আৰু ত্ৰিনোজ বড়াই চতুৰ্থ ৰেফাৰী প্ৰৱান শইকীয়া। ২০ আগষ্টৰ দ্বিতীয় ছেমিফাইনেলত টাউন এফ চিয়ে খেলিব ৰুৱাড ক্লাবৰ বিৰুদ্ধে।

# আজিৰে পৰা তেজপুৰত ৰাজ্যিক যোগ ক্ৰীড়া প্ৰতিযোগিতা

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ , ১৮ আগষ্ট ঃ** তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰ প্ৰাংগনত ১৯-২১ আগষ্টলৈকে তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব ক্ট২৫ সংখ্যক ছাব-জুনিয়ৰ আৰু জুনিয়ৰ ৰাজ্যিক যোগ ক্ৰীড়া প্ৰতিযোগিতা। উল্লেখ্য যে, অসম অলিম্পিক সন্থা আৰু যোগ ফেডাৰেছন অব ইণ্ডিয়াৰ অধীনস্থ অসম যোগ সন্থাৰ এই বিশেষ প্ৰতিযোগিতা এইবাৰ শোণিতপুৰ যোগ সন্থাৰ উদ্যোগত তেজপুৰত অনুষ্ঠিত হ'ব। কাইলৈ পুৱা বাণ থিয়েটাৰ প্ৰাংগনত ৰাজ্যিক আৰু জিলা সন্থাৰ পতাকা আনুষ্ঠানিকভাৱে ভাবে অসমৰ সভাপতি তপন কুমাৰ দাস আৰু শোণিতপুৰ জিলাৰ সভাপতি নীলকান্ত শৰ্মাই উত্তোলন কৰাৰ পিছত প্ৰতিযোগিতাৰ মূল মঞ্চ প্ৰয়াত হেমন্ত কুমাৰ বৰুৱা আৰু সমাজকৰ্মী জীৱন চন্দ্ৰ শৰ্মাৰ নামত উচৰ্গা কৰা হ'ব। উদ্বোধনী অনুষ্ঠানত তেজপুৰৰ সাংসদ পল্লৱ লোচন দাস, তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতী, শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাৰ লগতে ৰাজ্যিক বিষয়ববীয়া সকলে অংশ গ্ৰহন কৰিব। ইয়াৰ পিছতেই আঠ আৰু ১০ বছৰৰ ল'ৰা-ছোৱালীৰ যোগাসন প্ৰতিযোগিতা আৰম্ভ হ'ব। আনহাতে, ১০ আৰু ১২ বছৰৰ ল'ৰা-ছোৱালীৰ প্ৰতিযোগিতাৰ লগতে বিয়লি বৃত্তিগত মহিলাৰ যোগাসন প্ৰতিযোগিতা আৰু ১২-১৪ বছৰ ল'ৰা-ছোৱালীৰ আৰু সন্ধিয়া ১৪-১৬ বছৰৰ ল'ৰা-ছোৱালীৰ যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰথম দিনটোতে অসম ৰাজ্যিক যোগ ৰেফাৰী আৰু যোগ ৰেফাৰী আপ গ্ৰেডেশ্যন পৰীক্ষাও অনুষ্ঠিত হ'ব।



প্ৰথম এদিনীয়াত দীপক চাহাৰ

## চাৰি ছেপ্টেম্বৰত নৰোৰাম বৰ্মন ফুটবলৰ ফাইনেল

**অগ্ৰদূত বাৰ্তা, চামতা, ১৮ আগষ্ট ঃ** চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ পৰিচালনাত ক্ৰীড়া সংঘৰ নিৰ্মীয়মান ষ্টেডিয়াম খেলপথাৰত হোৱা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত নৰোৰাম বৰ্মন সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ ৪২ সংখ্যক সংস্কৰণৰ আধৰুৱা হৈ ৰোৱা তিনিখন খেল অহা এক, দুই আৰু চাৰি ছেপ্টেম্বৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে । চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সভাপতি আৰু সম্পাদক ক্ৰমে যতীন শৰ্মা আৰু বিকাশ ভট্টাযাৰ্যই জনোৱা অনুসৰি এক ছেপ্টেম্বৰত প্ৰথম খন ছেমিফাইনেল খেলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু আসাম ৰেজেমেন্টেল চেন্টাৰ দলে অংশ ল'ব। দুই ছেপ্টেম্বৰৰ দ্বিতীয়খন ছেমিফাইনেলত অইল ইণ্ডিয়া লিমিটেডে দৈমালু স্প'ৰ্টছ ক্লাবৰ বিৰুদ্ধে খেলিব । আনহাতে, ফাইনেল খেলখন চাৰি ছেপ্টেম্বৰৰ সন্ধিয়া নৈশালোকত অনুষ্ঠিত হ'ব।

# ছুপাৰ লীগত জৌংলাউৰী, এ ডিভিজনত জলজলিৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, মঙলদৈ, ১৮ আগষ্ট ঃ** মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত চপাই নেহৰু ময়দানত চলি থকা ডাঃ ৰেৱতী মোহন বৰদলৈ সোঁৱৰণি আন্তঃক্লাব ছুপাৰ ডিভিজন ফুটবল লীগত মুদৈবড়ী জৌংলাউৰী ক্লাবে অগ্ৰগতি লাভ কৰিছে। লীগৰ আজিৰ এখন গুৰুত্বপূৰ্ণ মেচত দলে মঙলদৈ টাউন ক্লাবক ৪-০ গ'লত পৰাজিত কৰে। বিজয়ী দলৰ হৈ নেৰচন বড়োই হেট্ৰিক অৰ্জন কৰাৰ উপৰিও গোবিন্দ বড়োই এটা গ'ল দিয়ে। ইপিনে, মঙলদৈ বিদ্যাপীঠ হাইস্কুল খেলপথাৰত চলি থকা কুমাৰ জ্যোতিৰিন্দ্ৰ নাৰায়ণ দেৱ সোঁৱৰণি এ ডিভিজন ফুটবল লীগৰ আজিৰ মেচত জলজলি আঞ্চলিক ক্ৰীড়া সন্থাই ঔতলা আঞ্চলিক ক্ৰীড়া সন্থাক ২-০ গ'লত পৰাজিত কৰে। ধীৰাজ ডেকা আৰু দিব্য ডেকাই বিজয়ী দলৰ হৈ গল দুটা দিয়ে।

# ষ্টাৰ ফুটবল দল চেম্পিয়ন

**গুৱাহাটী , ১৮ আগষ্ট ঃ** গুৱাহাটীৰ কাহিলীপাৰাস্থ বিষ্ণুজ্যোতি শিল্পী সংঘই স্বাধীনতা দিৱস উপলক্ষে আয়োজন কৰা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখন কৃষ্ণকান্ত সন্দিকৈ ৰাজহুৱা খেলপথাৰত সফলতাৰে অনুষ্ঠিত হৈ যায়। মুঠ আঠটা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ ফাইনেলত ষ্টাৰ ফুটবল দলে আনন'ন ফুটবল দলক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ষ্টাৰ দলৰ হৈ একমাত্ৰ গ'লটো দিয়ে কুন্দন দেউৰীয়ে। প্ৰতিযোগিতাখনত বিজয়ী দলক নগদ ধনৰ লগতে ফায়াৰ ব'ল্টৰ তৰফৰ পৰা একোটিকৈ স্মাৰ্ট ৱাটছ প্ৰদান কৰা হয়। ইফালে, প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে আনন'ন ফুটবল দলৰ ৰোহিত বড়োৱে, শ্ৰেষ্ঠ গ'ল ৰক্ষকৰ সন্মান লাভ কৰে কে বি এল ফুটবল দলৰ প্ৰাঞ্জল হালৈয়ে আৰু শ্ৰেষ্ঠ ইমাৰ্জিং খেলুৱৈৰ সন্মান লাভ কৰে ৰেইনব' ফুটবল দলৰ অভিজিৎ তালুকদাৰে। শ্ৰেষ্ঠত্ব অৰ্জন কৰা খেলুৱৈসকলকো ফায়াৰ ব'ল্টৰ তৰফৰ পৰা একোটিকৈ স্মাৰ্ট ৱাটছ প্ৰদান কৰে।



## নগাঁও তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ সামৰণি

# অপৰাজেয় ৰেডিয়েণ্ট স্প'ৰ্টছ ক্লাব চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ১৮ আগষ্ট ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আজি সামৰণি পৰা নৱ কুমাৰ ভূঞা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগত ৰেডিয়েণ্ট স্প'ৰ্টছ ক্লাবে চেম্পিয়নৰ খিতাপ লাভ কৰিছে। সাতটা দলৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগত জ্যোতিস্মান গোস্বামী, যুগল ৰাজকুমাৰৰ যৌথ প্ৰশিক্ষণৰে পুষ্ট তথা দেৱজিত দাস আৰু আজহাৰউদ্দিন আহমেদৰ দল ৰেডিয়েণ্ট স্প'ৰ্টছ ক্লাবে অবিজিতভাৱে পাঁচখনত জয় আৰু এখনত ড্ৰ খেলি মুঠ ১৬ পইণ্ট লাভ কৰি তালিকাৰ শীৰ্ষত অৱস্থানৰে খিতাপ দখল কৰে। আনহাতে, জে বি ক্লাবে ১৪ পইণ্টৰে দ্বিতীয়স্থানত থাকি ৰাৰ্ণাছআপ হোৱাৰ বিপৰীতে নগাঁও ছুপাৰ ষ্ট্ৰাইকাছে তৃতীয়স্থান, বঞ্জমপুৰ স্প'ৰ্টছ ক্লাবে চতুৰ্থ, কামপুৰ ষ্টুডেণ্ট এথলেটিক ক্লাবে পঞ্চম, এছ টি ক্লাবে ষষ্ঠ আৰু ৰেডক্ৰ'ছ ক্লাবে সপ্তম স্থান অৰ্জন কৰিছে। আজি অন্তিমখন খেলত জে বি ক্লাবে এছ টি ক্লাবক ৬-১ গ'লত পৰাজিত কৰে। এই লীগৰ অন্তত আজি সামৰণি অনুষ্ঠানত প্ৰাক্তন খেলুৱৈ বৰুণ গোহাঁই, ক্ৰীড়া সংগঠক অসীম কুমাৰ ভাৱাল, সমীৰ হাজৰিকা, দিলীপ তালুকদাৰ, মৃনাল কুমাৰ হাজৰিকা, দেৱজিৎ দাস আৰু নাচিৰউদ্দিন আহমেদ আদিয়ে বিভিন্ন পুৰস্কাৰসমূহ বিতৰণ কৰে। উল্লেখ্য যে, বিজয়ী দলক ট্ৰফীৰ লগতে নগদ পাঁচহেজাৰ টকা আৰু ৰাণাৰ্ছআপ দলকো ট্ৰফীৰ লগতে নগদ তিনিহেজাৰ টকা প্ৰদান কৰা হয়।



